# ভূঞা পণ্ডিত

## ৺ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য



51

৺ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতি

নামশালা : বৰপেটা : অসম

CENTRAL LIBRARY
ASSAM WOMEN'S UNIVERSITY
Jorhat - 785004
Acc No. 1276
Class No. 891.451 Book No. CHO
Author Chaudhury, Pratap. Ch.
Title Bhuyan Pandit

Acc. No. ......................
CENTRAL LIBRARY
ASSAM WOMEN'S UNIVERSITY
Jorhat - 785004
1. Books may be retained for a period not exceeding 15 days by the Students and 30 days by Teachers.
2. Books may be renewed on request at the discretion of the Librarian.
3. *Any injury to a book is a serious offence. Unless the borrower points out the injury at the time of borrowing the book, he/she shall be required to replace the book or pay its price as per Library rules.*
HELP TO KEEP THE BOOK FRESH & CLEAN

G254
891.451
CHO

# ভূঞা পণ্ডিত

## স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য

ASSAM WOMEN'S UNIVERSITY Library

সম্পাদনা
শ্ৰীপ্ৰতাপ চন্দ্ৰ চৌধুৰী

প্ৰণয়ন
ৰূপৰাম ভূঞা স্মৃতিৰক্ষা সমিতি
গাঁও আৰু ডাকঘৰ—নামশালা
ভায়া—সৰ্থেবাৰী—৭৮১৩০৭
জিলা—বৰপেটা ( অসম )

Central Library
Assam Women's University
Accession No.: 1276
Date 30/06/23

প্ৰকাশক
প্ৰাগজ্যোতি সাহিত্য সভা
ফটাশিল, গুৱাহাটী-৭৮১০০৯

BHUYAN PANDIT : A collection of twenty articles on the life and works of Late RUPRAM BHUYAN, the renown teacher, papular Musician and dedicated Social-worker of Vill.— Namsala in the Dist. of Barpeta (Assam), edited by Pratap ch. Choudhury, Produced by "RUPRAM BHUYAN MEMORIAL TRUST" and Published by PRAGJYOTI XAHITYA XAVA, Fatasil, Guwahati-781 009. (Assam)

সম্পাদনা ঃ শ্ৰীপ্ৰতাপ চন্দ্ৰ চৌধুৰী

প্ৰযত্নে ঃ ৰূপৰাম ভূঞা স্মৃতিৰক্ষা সমিতি,
গাওঁ—নামশালা, সৰ্থেবাৰী-৭৮১৩০৭, (বৰপেটা)

প্ৰকাশক ঃ প্ৰাগজ্যোতি সাহিত্য সভা,
ফটাশিল, গুৱাহাটী-৭৮১০০৯

প্ৰথম প্ৰকাশ ঃ ইং ২৪ ফেব্ৰুৱাৰী, ১৯৯৫ চন

[অসম সাহিত্য সভাৰ ৬১তম্ সৰ্থেবাৰী অধিবেশনত উন্মোচিত]

মূল্য ঃ কুৰি টকা

বেটুপাত ঃ শ্ৰীনৃপেন কলিতা

মুদ্ৰক ঃ নেচনেল টেক্নো প্ৰিণ্টাৰ্চ
কুমাৰপাৰা, গুৱাহাটী-৯

# সূচীপত্ৰ

| | পৃষ্ঠা |
|---|---|
| প্ৰকাশকৰ অৱতাৰণা ঃ সম্পাদক, প্ৰাগজ্যোতি সাহিত্য সভা— | iv |
| শুভেচ্ছাবাণী ঃ মুখ্যমন্ত্ৰী, অসম— | v |
| শিক্ষামন্ত্ৰী, অসম— | vi |
| সভাপতি, অসম সাহিত্য সভা— | vii |
| অসম সাহিত্য সভাৰ ৬১তম্ সৰ্থেবাৰী অধিবেশনৰ আদৰণী সমিতিৰ সাধাৰণ সম্পাদকৰ এষাৰ— | viii |
| ৰূপৰাম ভূঞা স্মৃতিৰক্ষা সমিতিৰ সম্পাদকৰ দুষাৰ— | ix |
| সম্পাদকীয় ঃ হঁাহিৰ থুন্পক্ ৺ৰূপৰাম ভূঞাৰ খোজে খোজে— | ১ |
| **প্ৰথম অধ্যায়** | |
| নামশালা গঁাৱৰ ক্ষণজন্মা পুৰুষ ৺ৰূপৰাম ভূঞাৰ ৰূপ কথা ঃ | ৯ |
| সৰ্বগুণী ৺ৰূপৰাম ভূঞা— | ১৪ |
| সমাজ সেৱক ৰূপৰাম ভূঞা— | ২১ |
| মোৰ শৈশৱৰ স্মৃতিত ভীমকৰ্মা ভূঞা আতাৰ সাধুসাধু লগা ঘটনাবোৰ— | ২৭ |
| স্বনামধন্য কৃতীশিক্ষক ৺ৰূপৰাম ভূঞাৰ জন্মস্থান আৰু পূৰ্বপুৰুষৰ ইতিবৃত্ত— | ৩২ |
| নামশালা গাওঁ কৰ্মসাধিনী সভাৰ প্ৰতিষ্ঠাপক পূজ্যপাদ ৺ৰূপৰাম ভূঞাৰ পৱিত্ৰ সোঁৱৰণত— | ৩৭ |
| নামশালা গাৱঁৰ প্ৰবাদপুৰুষ ৺ৰূপৰাম ভূঞা (ভূঞাপাণ্ডিত)ৰ স্মৃতিচাৰণ— | ৪৫ |
| **দ্বিতীয় অধ্যায়** | |
| ৺ৰূপৰাম ভূঞা (ভূঞাপাণ্ডিত)ৰ সোঁৱৰণত— | ৫১ |
| হাঁহিৰ আকৰ ৰূপৰাম ভূঞা— | ৫৩ |

স্বৰ্গীয় শিক্ষাগুৰু শ্ৰীৰূপৰাম ভূঞাৰ সোঁৱৰণত— ৫৫

মোৰ প্ৰেৰণাৰ উৎস স্বৰ্গীয় ভূঞাচাৰৰ পৱিত্ৰ স্মৃতিত --- ৬১

দগৰ বাদক বনাম সুৰ সাধক ৺ৰূপৰাম ভূঞা— ৬৫

জনাৰ্দ্দন সমিতিৰ জনক স্বৰ্গীয় ৰূপৰাম ভূঞা— ৬৮

পৰম পূজনীয় শিক্ষাগুৰু ৺ৰূপৰাম ভূঞাদেৱৰ সোঁৱৰণত— ৭৩


## তৃতীয় অধ্যায়


'ভূঞা পণ্ডিত' নামে খ্যাত এগৰাকী অসামান্য শিক্ষকৰ সামান্য পৰিচিতি— ৭৯

সংস্কৃতিৰ পূজাৰী ৺ৰূপৰাম খুৰাৰ সোঁৱৰণত— ৮৫

গুৰুজনাৰ গৰিমা সুঁৱৰি— ৮৮

সংস্কৃতিৰ সাধক ৺ৰূপৰাম ভূঞা— ৯২

আমাৰ পৰিয়ালৰ স্মৃতিত ৺ৰূপৰাম ভূঞা— ৯৫


## চতুৰ্থ অধ্যায়—(লেখক পৰিচয়)


শ্ৰীপৰশুৰাম পাটোৱাৰী ৯৯

" নগেন্দ্ৰ নাথ চৌধুৰী ১০১

" অৰুণ চন্দ্ৰ ভূঞা ১০২

ড° প্ৰফুল্ল চন্দ্ৰ ভূঞা ১০৫

শ্ৰীঅচ্যুতানন্দ চৌধুৰী ১০৭

" ভবেন্দ্ৰ নাথ ভূঞা ১০৯

" জয় চন্দ্ৰ ভূঞা ১১১

" হেমকান্ত ভূঞা ১১৩

" ৰতিকান্ত ৰয় ১১৫

" জিতেন্দ্ৰ নাথ ভূঞা ১১৬

" পীতাম্বৰ চৌধুৰী ১১৮

" প্ৰতাপ চন্দ্ৰ চৌধুৰী ১২০


## পঞ্চম অধ্যায় ( পৰিয়াল পৰিচিতি )


বংশাৱলী ১২৫

চকুৰ পচাৰতে ৺ৰূপৰাম ভূঞাৰ জীৱন-পঞ্জী— ১২৬

৺ভূঞাৰ এটি স্বৰচিত কবিতা— ১২৭

৺ভূঞাৰ এটি স্বৰচিত জনপ্ৰিয় গীত— ১২৮

৺ভূঞাৰ পত্নী শ্ৰীমতী দময়ন্তী ভূঞা— ১২৯

৺ভূঞাৰ বৰপুত্ৰ শ্ৰীমান বীৰেণ ভূঞা আৰু তেওঁৰ— পৰিয়ালবৰ্গ — ১৩১

৺ভূঞাৰ কণিষ্ঠ পুত্ৰ শ্ৰীমান গোৰীকান্ত ভূঞাৰ কৃতজ্ঞতা জ্ঞাপন আৰু বিনীত নিবেদনৰ সৈতে তেওঁৰ পৰিয়ালবৰ্গ — ১৩৩

# ॥ প্ৰকাশকৰ অৱতাৰণা ॥

প্ৰাগজ্যোতি সাহিত্য সভা অসম সাহিত্য সভাৰ স্বীকৃতিপ্ৰাপ্ত গুৱাহাটী মহানগৰীৰ এটি বিভিন্ন ভাষা-ভাষী আৰু জন-গোষ্ঠীৰে অধ্যুসিত অঞ্চলত অৱস্থিত এখন অতি পুৰণি শাখা সাহিত্য সভা। এই সভাৰ মুখ্য উদ্দেশ্য হ'ল সাহিত্য চৰ্চা, প্ৰচাৰ, সংৰক্ষণ আৰু প্ৰকাশন। উদ্দেশ্যৰ লগত সংগতি ৰাখি ইতিমধ্যে যোৱা ১৯৮৭ চনত সভাৰ যুটীয়া সম্পাদক শ্ৰীমান গৌৰীকান্ত ভূঞাৰ "শিল্পীৰ সপোন" নামৰ এখনি কবিতাৰ পুথি প্ৰকাশ কৰা হৈছে। এই বেলি অসম সাহিত্য সভাৰ ৬১তম্ সৰ্থেবাৰী অধিবেশনত উন্মোচন কৰাৰ মানসেৰে ৰূপৰাম ভূঞা স্মৃতিৰক্ষা সমিতিয়ে প্ৰণয়ন কৰা আৰু শ্ৰীযুত প্ৰতাপ চন্দ্ৰ চৌধুৰীয়ে সম্পাদন কৰা "ভূঞা পণ্ডিত" নামৰ স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্যখনি প্ৰকাশ কৰা হ'ল। প্ৰকাশনৰ ক্ষেত্ৰত প্ৰাগজ্যোতি সাহিত্য সভাৰ এয়া দ্বিতীয় পদক্ষেপ। এগৰাকী স্বনামধন্য কৃতী শিক্ষকৰ বহুমুখী প্ৰতিভা প্ৰতিফলিত কৰা এই গ্ৰন্থখনি পঢ়ুৱৈ সমাজৰ হাতত তুলি দিয়াই আমাৰ মূল লক্ষ্য। সহৃদয় পাঠকে সমাদৰ কৰিলে কৃতাৰ্থ মানিম। ইতি

প্ৰাগজ্যোতি সাহিত্য সভাৰ হৈ

**শ্ৰীজিতেন্দ্ৰ নাথ ভূঞা**
সম্পাদক
প্ৰাগজ্যোতি সাহিত্য সভা, ফটাশিল

# শুভেচ্ছা বাণী



মুখ্যমন্ত্ৰী, অসম

স্বনামধন্য শিক্ষাগুৰু স্বৰ্গীয় ৰূপৰাম ভূঞাদেৱৰ পৱিত্ৰ স্মৃতিত তেখেতৰ জীৱন আৰু ঘটনাৱলী সামৰি এখনি গ্ৰন্থ প্ৰকাশ কৰিব পৰাটো সঁচাকৈয়ে আনন্দৰ কথা। একাধিক প্ৰতিভাসম্পন্ন এই ব্যক্তি গৰাকীৰ জীৱন আলেখ্যই সকলোকে উৎসাহিত কৰাৰ লগতে সমাজৰ উঠি অহা চামটোকো প্ৰেৰণা যোগাব বুলিয়েই মোৰ একান্ত বিশ্বাস। কিতাপখন প্ৰকাশৰ বাবে লোৱা এনে মহৎ প্ৰচেষ্টাৰ মই শলাগ ললোঁ।

**হিতেশ্বৰ শইকীয়া**
দিশপুৰ, অসম

# শুভেচ্ছা বাণী



সত্যমেৱ জয়তে

ভূঞা পন্ডিত নামে খ্যাত স্বনামধন্য কৃতী শিক্ষক, অক্লান্ত সমাজকৰ্মী, সমবায় আন্দোলনৰ প্ৰচাৰক গান্ধীবাদী নেতা আৰু স্বাধীনতা আন্দোলনৰ একালৰ সক্ৰিয় সেনানী ৺ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য পুথি আকাৰত প্ৰকাশ কৰি অহা ৬১তম্ সৰ্থেবাৰী অসম সাহিত্য সভা অধিবেশনত উন্মোচন কৰিবলৈ লোৱা সিদ্ধান্ত অতি প্ৰশংসনীয়।

ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতিৰ সকলো সদস্যলৈকে তেখেতসকলৰ এই মহান ও মহৎ চেষ্টাৰ বাবে মোৰ হিয়া ভৰা ওলগ জনালোঁ।

স্বাধীনতা যুঁজাৰু এই বীৰ পুৰুষজনালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম নিবেদন কৰিলো আৰু আশা ৰাখিছো তেখেতৰ আদৰ্শ আমাৰ সকলোৰে বাবে পাথেয় হওক।

**শ্ৰীগোলোক ৰাজবংশী**
শিক্ষামন্ত্ৰী, অসম

# শুভেচ্ছা বাণী



**শ্ৰীহিতেশ ডেকা**
সভাপতি, অসম সাহিত্য সভা
৬১তম্ সৰ্থেবাৰী অধিবেশন

এইটো অতি সন্তোষ আৰু সৌভাগ্যৰ কথা যে পলমকৈ হলেও “ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতি”য়ে নামশালা গাঁৱৰ সুসন্তান ৺ৰূপৰাম ভূঞাদেৱৰ এখনি বিস্তৃত জীৱন আলেখ্য অসম সাহিত্য সভাৰ ৬১তম্ সৰ্থেবাৰী অধিবেশনত উন্মোচন কৰিবলৈ ওলাইছে। ৺ভূঞাদেৱ অকল নামশালা গাঁৱৰে নহয় সমগ্ৰ সৰুক্ষেত্ৰী মৌজাৰে কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত শৈক্ষিক আৰু কলা-সংস্কৃতিৰ উৎকৰ্ষ সাধনত আত্মোৎসৰ্গ কৰা এগৰাকী ক্ষণজন্মা শিক্ষাব্ৰতী সংস্কৃতি-ৱান পুৰুষ আছিল। “ভূঞা পণ্ডিত” মানুহজন যিদৰে বহুমুখী প্ৰতিভাসম্পন্ন আছিল; ঠিক তেনেদৰে স্থানীয় শিক্ষক আৰু শিক্ষা-বিদৰ লিখনিৰে ছপাই উলিওৱা তেখেতৰ জীৱন আলেখ্য “ভূঞা পণ্ডিত” গ্ৰন্থখনিও বহুমুখী হৈছে। কিয়নো প্ৰতিটো প্ৰবন্ধতে তেখেতৰ কৰ্মময় জীৱনৰ চমু আভাসৰ লগতে সেই সময়ৰ সেই অঞ্চলৰ ঐতিহাসিক, সামাজিক, পাৰিপাৰ্শ্বিক আৰু সাংস্কৃতিক অৱস্থাৰ কথা সুন্দৰকৈ প্ৰকাশ পাইছে। তাৰোপৰি ফটোসহ প্ৰবন্ধকাৰ সকলৰ জীৱনী সন্নিবিষ্ট কৰা বাবে ই এখন উচ্চমানৰ জীৱনী সংগ্ৰহ ৰূপেও স্বীকৃত হ'ব। ৺ভূঞা পণ্ডিতৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি স্মৃতি ৰক্ষা সমিতিৰ প্ৰচেষ্টাৰ শলাগ লৈছো।

শ্ৰদ্ধাৰে—

**শ্ৰীহিতেশ ডেকা**
সভাপতি, অসম সাহিত্য সভা

## অসম সাহিত্য সভাৰ ৬১ তম্ সৰ্থেবাৰী অধিবেশনৰ আদৰণী সমিতিৰ সাধাৰণ সম্পাদকৰ এষাৰ

গৌৰৱেৰে জনাবলৈ পাই সুখী হৈছোঁ যে অসম সাহিত্য সভাৰ ৬১তম্ সৰ্থেবাৰী অধিবেশনৰ আদৰণী সমিতিয়ে অধিবেশনৰ স্থান, মণ্ডপ, তোৰণ আৰু মঞ্চৰ নাম সৰ্বক্ষেত্ৰী, পাকা-মৌজাকে ধৰি বৃহৎ বৰপেটা মহকুমাৰ স্বনামধন্য ব্যক্তিৰ নামেৰে নামকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তাৰ ভিতৰত নামশালা গাওঁ পৰিচালনা সমিতিয়ে সেই সমিতিৰ জন্মদাতা ৺ৰূপৰাম ভূঞাৰ নামেৰে এটি তোৰণ গাঁৱৰ প্ৰৱেশ স্থানত দিয়াৰ সিদ্ধান্ত লোৱাৰ বাবে ধন্যবাদ জনাইছো আৰু "ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতি"য়ে সেইজনা সুযোগ্য সন্তানৰ জীৱন আলেখ্য এখনি অধিবেশনত আনুষ্ঠানিক ভাৱে উন্মোচন কৰিবলৈ লোৱা উদ্যোগৰ শলাগ লৈছোঁ।

গ্ৰন্থখনি উন্মোচিত হোৱাৰ লগে লগে এই অঞ্চলৰ এসময়ৰ এগৰাকী আগশাৰীৰ স্বাধীনতা সংগ্ৰামৰ সক্ৰিয় সেনানী, শিক্ষা-বিদ, সমাজ সংগঠক আৰু সংস্কৃতিবান কৃতী শিক্ষকৰ বহুমুখী প্ৰতিভাৰ বিষয়ে জনাৰ উপৰিও পঢ়ুৱৈ সমাজে এই অঞ্চলৰ সেই সময়ৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক পটভূমিত নামশালা গাঁৱৰ বিষয়ে সবিশেষ জনাৰ সুবিধা পাব। স্মৃতিৰক্ষা সমিতিয়ে ৺ভূঞাদেৱৰ লগতে প্ৰবন্ধকাৰ সকলৰ ফটোসহ চমু পৰিচয় সন্নিবিষ্ট কৰি এটি মহৎ কাম কৰিছে। পুৰণিচামৰ অতি আদৰৰ আৰু শ্ৰদ্ধাৰ পাত্ৰ ৺ৰূপৰাম ভূঞাৰ জীৱন আলেখ্যখনিয়ে নতুন চামৰ বাবে প্ৰেৰণাৰ উৎস হওঁক। এয়ে কামনা—

শ্ৰীকুলৰঞ্জন ভূঞা
সাধাৰণ সম্পাদক,
আদৰণী সমিতি

## ৰূপৰাম ভূঞা স্মৃতিৰক্ষা সমিতিৰ দুষাৰ

যোৱা ১৯৭৬ চনৰ অক্টোবৰ মাহৰ ৫ তাৰিখে ৺ৰূপৰাম ভূঞা দেৱৰ ৭৫ তম্ জন্ম দিন উপলক্ষে আয়োজন কৰা "ভকত সেৱা" অনুষ্ঠানৰ অন্তত গাঁৱৰ মুখীয়াল আৰু আত্মীয়-স্বজনে পৰিয়ালৰ আগ্ৰহৰ প্ৰতি সহাঁৰি জনাই "ৰূপৰাম ভূঞা স্মৃতিৰক্ষা সমিতি" গঠন কৰে। ভূঞাদেৱৰ সহকৰ্মী মাননীয় শ্ৰীযুত জন্মিৰাম দাস দেৱৰ (বৰ্তমান স্বৰ্গীয়) পৌৰহিত্যত অনুষ্ঠিত উক্ত সভাই ৺ভূঞাদেৱৰ প্ৰতিভাৰ লগত সঙ্গতি ৰাখি—(ক) চলন্ত বঁটা প্ৰদান, (খ) সোঁৱৰণী তোৰণ সজা আৰু (গ) স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেইমৰ্মে ৺ভূঞাৰ কনিষ্ঠ পুত্ৰ শ্ৰীমান গৌৰীকান্ত ভূঞাক সমিতিৰ সম্পাদক আৰু নাহৰগুৰিঘাট এম্ ই স্কুলৰ প্ৰধানশিক্ষক শ্ৰীযুত প্ৰতাপ চন্দ্ৰ চৌধুৰীদেৱক স্মৃতি-গ্ৰন্থ সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰে।

উক্ত সভাৰ সিদ্ধান্ত অনুসৰি সমিতিৰ তৰফৰ পৰা—

(১) যোৱা ১৯৭৭ চনৰ পৰা গুৱাহাটী জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ দ্বাৰা প্ৰতিবছৰে আয়োজন কৰা শিক্ষক-শিক্ষয়িত্ৰীৰ দৌৰ-প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ হিচাবে "ৰূপৰাম ভূঞা সোঁৱৰণী বঁটা" নামেৰে এটি চলন্ত শিল্ড আগবঢ়োৱা হৈছে।

(২) যোৱা ১৯৭৮ চনৰ পৰা "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ তিৰোভাৱ তিথি উদযাপন সমিতি, ফটাশিল, গুৱাহাটী-(৯) ই প্ৰতিবছৰে আয়োজন কৰা বৰগীত প্ৰতিযোগিতাৰ "ক-শাখা"ৰ প্ৰথম পুৰস্কাৰ হিচাবে "৺ৰূপৰাম ভূঞা সোঁৱৰণী বঁটা" নামেৰে এটি চলন্ত শিল্ড আগবঢ়োৱা হৈছে।

(৩) যোৱা ১৯৮০ চনত গুৱাহাটী মহানগৰীৰ ফটাশিল

আমবাৰীস্থ "ভূমানন্দপুৰ ৰাজহুৱা নামঘৰ"ৰ প্ৰৱেশদ্বাৰত সমিতিয়ে এখন লোৰগেট সজাই দিছে।

(৪) যোৱা ১৯৭৯ চনৰ ১ লা জানুৱাৰীৰ পৰাই শ্ৰীযুত প্ৰতাপচন্দ্ৰ চৌধুৰীদেৱে স্মৃতি গ্ৰন্থৰ প্ৰবন্ধপাতি সংগ্ৰহ কৰা কাম আৰম্ভ কৰে। সেইমৰ্মে সৰ্থেবাৰীৰ শ্ৰীযুত হৰিচৰণ তালুকদাৰ (হেডপণ্ডিত) আৰু সুন্দৰীদিয়াৰ শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস (সাহিত্যিক পেঞ্চনাৰ) আদিৰ পৰা প্ৰৱন্ধও পোৱা হয়। কিন্তু দুখৰ বিষয় ওপৰোক্ত দুয়োগৰাকী ব্যক্তিৰ জীৱিতকালত স্মৃতি-গ্ৰন্থখনি প্ৰকাশ হৈ নোলাল।

মাজতে কিছু বছৰ নিষ্ক্ৰিয়হৈ থকা "ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতি" অসম সাহিত্য সভাৰ ৬১ তম্ অধিবেশনৰ স্থান সৰ্থেবাৰী ঘোষিত হোৱাৰ লগে লগেই তৎপৰ হৈ উঠে আৰু নিম্নলিখিত সদস্যৰে ইয়াক পুনৰ গঠন কৰে।

## ৰূপৰাম ভূঞা স্মৃতিৰক্ষা সমিতি

উপদেষ্টা মণ্ডলী ঃ শ্ৰীযুত অৰুণ চন্দ্ৰ ভূঞা<br>
" ড° প্ৰফুল্ল চন্দ্ৰ ভূঞা<br>
" নগেন্দ্ৰ নাথ চৌধুৰী<br>
" হেমকান্ত ভূঞা

সভাপতি ঃ— শ্ৰীযুত পৰ্শুৰাম পাটোৱাৰী

কাৰ্যকৰি সভাপতি ঃ শ্ৰীযুত জিতেন্দ্ৰ নাথ ভূঞা

সম্পাদক ঃ— শ্ৰীগৌৰীকান্ত ভূঞা।

সদস্য সকল ঃ শ্ৰীযুত জয়চন্দ্ৰ ভূঞা<br>
" ভবেন্দ্ৰ নাথ ভূঞা<br>
" পীতাম্বৰ চৌধুৰী<br>
" বীৰেণ ভূঞা<br>
" সৰ্বানন্দ দাস

স্মৃতি-গ্ৰন্থ সম্পাদক ঃ শ্ৰীযুত প্ৰতাপচন্দ্ৰ চৌধুৰী।

সমিতিয়ে আগন্তুক অসম সাহিত্য সভাৰ ৬১তম্ সৰ্থেবাৰী অধিবেশনত উন্মোচন কৰিব পৰাকৈ "ভূঞা পণ্ডিত" নামেৰে স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য খনি প্ৰণয়ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

সমিতিৰ এই সিদ্ধান্ত মৰ্মে ৺ভূঞাদেৱৰ সহকৰ্মী, সহযোগী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু আত্মীয় স্বজনৰ পৰা সংগ্ৰহীত প্ৰৱন্ধ-পাতিৰে সৈতে লেখক পৰিচয় সন্নিবিষ্ট কৰি এই স্মৃতি-গ্ৰন্থখনি প্ৰণয়ন কৰি প্ৰাগজ্যোতি সাহিত্য সভা, ফটাশিল, গুৱাহাটী-(৯)ক প্ৰকাশ কৰিবলৈ দিয়ে।

এইখিনিতে প্ৰবন্ধকাৰসকলৰ লগতে গ্ৰন্থখনিত প্ৰকাশৰ বাবে শুভেচ্ছাবাণী দিয়া বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, অসম সাহিত্য সভাৰ সভাপতি আৰু আদৰণী সমিতিৰ সাধাৰণ সম্পাদকলৈ আমাৰ কৃতাজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে অসম সাহিত্য সভাৰ ৬১ তম্ অধিবেশন উপলক্ষে নামশালা গাওঁ পৰিচালনা সমিতিয়ে সৰ্থেবাৰীৰ প্ৰবেশদ্বাৰ (নতুন বজাৰ)ত **"ৰূপৰাম ভূঞা (ভূঞা পণ্ডিত) সোঁৱৰণী তোৰণ"** দিয়া আৰু প্ৰাগজ্যোতি সাহিত্য সভাই স্মৃতি-গ্ৰন্থখনি প্ৰকাশ কৰাৰ বাবে দুয়োখন সমিতিৰে মাননীয় সদস্যসকললৈ "ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতিৰ হৈ শলাগৰ শৰাই আগবঢ়ালোঁ।

সবিনয় নিবেদনেৰে ইতি—<br>
**শ্ৰীগৌৰীকান্ত ভূঞা**<br>
সম্পাদক<br>
ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতি।

সম্পাদকীয়—

# ॥ হাঁহিৰ থুন্‌পাক্‌ ৺ৰূপৰাম ভূঞাদেৱৰ খোজে খোজে ॥

শ্ৰীপ্ৰতাপ চন্দ্ৰ চৌধুৰী ( অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক )

অনুমান ১৯০২ চনত সৰ্থেবাৰীৰ উপকণ্ঠ নামশালা গাৱঁত ৺ৰূপৰাম ভূঞাদেৱৰ জন্ম হয়। তেওঁ এগৰাকী গুণী আৰু সুশিক্ষক আছিল। গীত-পদ গোৱা, খুহুতীয়া কথা কোৱা আৰু সাংসাৰিক সকলো কাম-বনতে পাৰ্গত আছিল।

বৃদ্ধ পিতৃ-মাতৃৰ একমাত্ৰ সন্তান ভূঞাদেৱ সৰুৰে পৰা আটিল দেহৰ সুস্থ-সবল আৰু চোকা বুদ্ধিৰ ল'ৰা আছিল। তেওঁ ১৯১৯ চনত সৰ্থেবাৰী এম্‌ ভি স্কুলৰ পৰা প্ৰথম বিভাগত ছাত্ৰবৃত্তি পাছ কৰি উঠি বৰপেটালৈ যায় আৰু তাত তেওঁৰ পিতাকৰ বিশেষ পৰিচিত বন্ধু এজনৰ ঘৰত থাকি হাইস্কুলত দুবছৰমান পঢ়িলে। কিন্তু পিতাকৰ অচলাৱস্থাই দেখা দিয়াত তেওঁৰ আৰু পঢ়া নহ'ল। পিছত তেওঁ বৰপেটা পৌৰসভাৰ অধীনস্থ দলাহাটী প্ৰাথমিক স্কুলত শিক্ষক হিচাপে নিযুক্তি পালে। তাত শিক্ষকতা কৰা সময় ছোৱাৰ ভিতৰত তেওঁ সত্ৰীয়া পৰিৱেশত বৰগীতৰ ৰাগ, তাল, মান, বাদ্য আদি শিকি সময়ত এজন সুগায়ক হৈ উঠে। তাত দুজনা গুৰুৰ বাৰ্ষিক তিথি-উৎসৱত অনুষ্ঠিত নাও খেলৰ বাইচাসকলক গীত-পদ আদিৰে বিমোহিত কৰি তুলিছিল। পিছলৈ তেওঁ এজন সুদক্ষ পাঠকো হৈছিল।

অনুমান ১৯২৬ চনত তেওঁ যোৰহাট নৰ্মাল স্কুলৰ গুৰু বাৰ্ষিক শ্ৰেণীত নাম ভৰ্ত্তি কৰে আৰু তাৰ শিক্ষান্ত পৰীক্ষাত যোগ্যতাৰে উত্তীৰ্ণ হয়।

১৯২৮ চনৰ পিছত তেওঁক দলাহাটী প্ৰাথমিক বিদ্যালয়ৰ পৰা সৰ্থেবাৰী এম্ ভি স্কুললৈ বদলি কৰি অনা হয়। সেই সময়ত তাত হেড্ পণ্ডিত ছাৰ ৺হৰিচৰণ তালুকদাৰদেৱ প্ৰধান শিক্ষক পদত আছিল। ভূঞাদেৱে শিক্ষকতা কামত উপৰিস্থ কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আদি সকলোকে সন্তোষ দিব পাৰিছিল। তেওঁৰ বিষয়ে প্ৰধান শিক্ষক তালুকদাৰ ছাৰে এইদৰে মন্তব্য কৰিছিল,—"এনে উদ্যমী, সুন্দৰ হাতৰ আখৰ, শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ অমনোযোগিতা দূৰ কৰি শিক্ষনীয় পাঠলৈ মন আকৰ্ষণ কৰাব পৰা যোগ্যতা সম্পন্ন শিক্ষক মোৰ জীৱনত পোৱা নাই। যি সমাজতে নাথাকক, সেই সমাজক সন্তোষ দিয়া তেওঁৰ স্বভাৱজাত বৈশিষ্ট্য। আঠ বছৰ মোৰ স্কুলত কাম কৰিছিল; কিন্তু নিজে হাল ধৰি খেতিৰ কাম কৰিও সকলো শিক্ষকতকৈ আগতে স্কুলত উপস্থিত হোৱা, নিয়মানুবৰ্তী শিক্ষকজনক সুঁৱৰিবলৈ দি (১) তুমি বৰ উপকাৰ কৰিলা। মই মোৰ জীৱনত স্কুলত যিমানবিলাক সভা-সমিতি পাতিছিলোঁ আৰু তেওঁ জীয়াই থকাৰ আগলৈ সৰ্থেবাৰী অঞ্চলত সভা-সমিতি হৈছিল, সকলোতে তেওঁ গীত গাব লাগিছিল আৰু শ্ৰোতা মুগ্ধ হৈছিল। কথা-শিল্পী, অভিনয়ত পাৰ্গত—মহাদেৱ, ভীমৰ ভাও মনাইছিল। "সই দেখোৱে সুন্দৰ কানু খেলাই কদম্ব তলে" আদি বৰগীত যি অংগী-ভংগীৰে সুৰতালে গাব, যেন শ্ৰীকৃষ্ণ দৰ্শকৰ মানস চকুত পৰিদৃশ্যমান হৈ পৰে। এনে গুণী-কৃতী ঋষি-সুলভ শিক্ষকজনৰ বিষয়ে সুঁৱৰি বুঢ়া বয়সত যেন চেঙেৰালৈহে পিচুৱাইছোঁ! কিমাননো কম ওৰ নপৰে। কলম নচলে। হাত কঁপে আৰু বিষায়। তেখেতৰ অমৰ আত্মাৰ আশীষ্ বিচাৰি সামৰিলোঁ।

৺ভূঞাদেৱ এগৰাকী হাস্যৰসিকো আছিল। তেওঁ কথাই কথাই ধেমেলীয়া কথা কৈ আনক হহুৱাইছিল; কিন্তু তেওঁ নিজে



হলে নাহাঁহিছিল। গতিকে তেওঁ আনক হহুৱাই আনন্দ দিবলৈহে যেন এই ধৰাতলৈ আহিছিল। তেওঁৰ হাঁহি সম্পৰ্কে অসমৰ জন-সাহিত্যিক প্ৰয়াত শ্ৰীৰামচন্দ্ৰ দাসদেৱৰ এটি চমু কাহিনী শুনক,—"ভালুকীৰ হাঁহিৰাম পাঠক ভূঞাদেৱৰ নলে-গলে লগা বন্ধু আছিল। তেওঁলোক গুৰু বাৰ্ষিক শ্ৰেণীৰ শেষ পৰীক্ষা দি ঘৰলৈ আহিবৰ সময়ত আমি সভা-সমিতি পাতি তেওঁলোকক বিদায় দিলোঁ। সেইদিনা সন্ধিয়া আমি কোঠাই কোঠাই চাকি জ্বলাই পঢ়াত ব্যস্ত আছোঁ। এনেতে দুজন ভূটীয়া আহি আমাৰ কোঠাই কোঠাই সোমাই অবুজ ভূটীয়া ভাষাত আমাক সেৱা জনাই বিদায় মাগিবলৈ ধৰিলে। ভূটীয়া নে হুবহু ভূটীয়া! হঠাৎ এই দৃশ্য দেখি আমি অবাক। পিছতহে ধৰা পৰিল, সেই দুজন হ'ল ৰূপৰাম ভূঞা আৰু হাঁহিৰাম পাঠক। তেতিয়া আমাৰ মাজত হাঁহিৰ ৰোল উঠিল।

ভূঞা আৰু পাঠক আজি আমাৰ মাজত সোঁ-শৰীৰে নাই; কিন্তু তেওঁলোকে হাঁহি-ধেমালিৰে আমাক যি আনন্দ দি গৈছে, তাক আজিও পাহৰিব পৰা নাই।"

ভূঞাদেৱ সঁচাকৈয়ে হাতে কামে সকলো কাম কৰিব জনা এজন আদৰ্শ শিক্ষকো আছিল। এই কথা গুৱাহাটী কলেজিয়েট হাইস্কুলৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক শ্ৰীযুত নগেন্দ্ৰনাথ চৌধুৰীদেৱৰ পৰা ভালকৈ জানিব পাৰি। "এদিনাখন তেওঁ নামশলালৈ যাওঁতে গাৱঁৰ মুখতে সৰ্থেবাৰীৰ ফালৰ পৰা যোৱা বাটৰ সোঁকাষৰ পথাৰত ভূঞাদেৱে হাল বাই আছিল। তেখেতৰ অপেক্ষাকৃত চাপৰ আৰু বহল কলেৱৰ যেন হালৰ গৰুহালতকৈ বেছি বলৱান। তেখেতৰ পৰিপুষ্ট বদন মণ্ডল পথাৰৰ মাজত জ্বলি আছে। পিতাৰ মুখত শুনা ৰামায়ণৰ জনক ৰজালৈ মনত পৰি মোৰ ভাব হ'ল যে জনকে ৰজা হৈয়ো যজ্ঞৰ মাটি চহাবলৈ নিজে

হাল বাইছিল। ছাৰেও শিক্ষকতা কৰিও হাল বাই পেটৰ ভাত মুঠি উলিয়াই হয়তো আমাকে আদৰ্শ দেখুৱাইছে। কিন্তু নিষ্কৰ্মা আমি সেই আদৰ্শ লৈছোঁ ক'ত ? সেই দৃশ্যৰ মাজতে মোক দেখি ছাৰে কিঞ্চিৎ থমকি "নগেন, কলৈ যোৱা" বুলি মাতষাৰ নলগোৱাকৈও নাথাকিল। আন এদিনাখন দেখিলোঁ ছাৰৰ পথাৰ নদন বদন ধানেৰে উপচি পৰিছে, সোণালী বৰণৰ পকা ধানৰ দীঘল দীঘল শিহবোৰ শাৰী শাৰী হৈ ওপৰা-উপৰিকৈ ইটোৰ ওপৰত সিটো ঢলি পৰিছে। আৰু ছাৰে কাচি হাতত লৈ আনন্দ মনেৰে ধানবোৰ এফালৰ পৰা কাটি গৈছে। তেখেতৰ তুলনাত ধানৰ মুঠিটো বৰ সৰু যেন দেখা গ'ল।

ছাৰে সংস্কৃতিৰো সেৱক আছিল। তেখেতে আমাৰ মজলীয়া স্কুলৰ ছাত্ৰহিতসাধিনী সভাত "সই দেখো সুন্দৰ কানু, খেলায় কদম্ব তলে" বৰগীতটি গাবলৈ শিকাইছিল আৰু নিজেও গাইছিল। তেখেতৰ কণ্ঠস্বৰ গলগলীয়া আছিল। .... .... ... .... .... .. .... পল্লা গাৰ'ত বহা ক্ষেত্ৰী ছাত্ৰ সন্মিলনৰ অধিবেশনত ছাৰে খঞ্জৰী যোগে এই বৰগীতটি অকলসৰে পৰিবেশন কৰিছিল ; সমস্ত সমাজ নিমাত-নিস্তব্ধ। ছাৰে যেন গীতৰ সুৰেৰে সকলোকে আঙুলিয়াই দেখুৱাই দিছে, সুন্দৰ শ্ৰীকৃষ্ণই গোপ বালকসকলৰ লগত কদম গছৰ তলত কি ৰকম দিব্য খেল খেলিছে, চাওঁক চাওঁক।" এবাৰ এই গীতটি পৰিৱেশন কৰি তেখেতে নগদ দহ টকা পুৰস্কাৰো পাইছিল। তেতিয়াৰ দহ টকা আজি-কালিৰ তুলনাত বহুত।"

এই সৰ্বগুণী ভূঞাদেৱৰ বিয়া দুবাৰ হৈছিল। প্ৰথম গৰাকী ভাৰ্যাৰ কোনো সন্তি-সন্ততি নোহোৱাত দ্বিতীয় বিবাহ কৰায়। দ্বিতীয় গৰাকীৰ ফালৰ পৰা দুজন গুণী পুত্ৰৰ জন্ম হয়। কিন্তু বৰ দুখৰ বিষয় যে সম্পূৰ্ণ বয়স নৌপাওঁতেই দুৰাৰোগ্য ব্যাধিৰ আক্ৰমণত ১৯৪৬ চনৰ ১৭ অক্টোবৰত প্ৰায় ৪৫ বছৰ বয়সত অকালতে তেখেত মৃত্যুৰ মুখত পৰে।



"ভাগি গ'ল বীণখনি, চিগি গ'ল তাৰ।
বই গ'ল অৱশেষ অমিয় জোঁকাৰ ॥"

টোকা ঃ—(১) "তুমি বৰ উপকাৰ কৰিলা"—৺ৰূপৰাম ভূঞাদেৱৰ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি উলিওৱাৰ কাৰণে ৺ভূঞাদেৱৰ বিষয়ে জানিবলগীয়া লিখনি বিচাৰি সৰ্থেবাৰী এম্ ভি স্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক ৺হৰিচৰণ তালুকদাৰ ছাৰলৈ ১৯৭৯ চনৰ জানুৱাৰীত (তেতিয়া তেওঁ জীৱিত) চিঠিৰে জনাইছিলোঁ। সেই চিঠিৰ মৰ্মে ৺ভূঞাদেৱৰ বিষয়ে যৎকিঞ্চিত লেখি পঠাইছিল আৰু ৺ভূঞাদেৱৰ কথা মনত পেলাই দিয়া কাৰণে আমাক সেইদৰে কৈছিল।

সম্পাদক
"স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য"

"কামেই উপাসনা, কিন্তু হাঁহিয়েই জীৱন। যিজনে জীৱনত সুখ-দুখ হৰ্ষমনে গ্ৰহণ কৰিব জানে, তেৰেঁই জীৱনৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰে।"

—চৰ্দাৰ পেটেল

# ভূঞা পণ্ডিত

[ স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য ]

## —প্ৰথম অধ্যায়—

।। গাৱঁবাসীৰ দৃষ্টিত স্বৰ্গীয় ৰূপৰাম ভূঞা ।।

## নিবেদক


**শ্ৰীপৰশুৰাম পাটোৱাৰী**

অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নামশালা

**শ্ৰীঅৰুণ চন্দ্ৰ ভূঞা**

অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত, গুৱাহাটী

**ড° প্ৰফুল্ল চন্দ্ৰ ভূঞা**

অধ্যক্ষ, বাপুজী কলেজ, নামশালা

**শ্ৰীভবেন্দ্ৰ নাথ ভূঞা**

চিৰস্তাদাৰ, ফটাশিল, গুৱাহাটী-৯

**শ্ৰীজয়চন্দ্ৰ ভূঞা**

অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, নামশালা

**শ্ৰীহেমকান্ত ভূঞা**

কাঁহশিল্পী / ব্যৱসায়ী, নামশালা

**শ্ৰীজিতেন্দ্ৰ নাথ ভূঞা**

সঞ্চালক, পুৰাতত্ব বিভাগ, অসম।

## ॥ নামশালা গাঁৱৰ ক্ষণজন্মা পুৰুষ ৺ ৰূপৰাম ভূঞাৰ ৰূপ কথা ॥

শ্ৰীপশুৰাম পাটোৱাৰী
অৱসৰ প্ৰাপ্ত প্ৰধানশিক্ষক

সৰ্থেবাৰী গাঁৱৰ আধামাইল পূবে নামশালা গাঁও অৱস্থিত। এই গাঁৱতে ৺ৰূপৰাম ভূঞাই ইং ১৯০২ চনত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পিতাকৰ নাম ৺পীতৰামভূঞা আৰু মাকৰ নাম ৺ ভাগ্যেশ্বৰী ভূঞা।

সৰু কালৰে পৰা তেওঁ অতি ৰং-ধেমালি প্ৰিয় আছিল। সমনীয়া সকলৰ মাজত সকলো কাম-কাজতে নেতৃত্ব বহন কৰিছিল। তেওঁ নামশালা প্ৰাইমাৰী স্কুল পাছ কৰি সৰ্থেবাৰী এম্ ভি স্কুলত পঢ়ে। প্ৰথম বিভাগত এম্ ভি পাছ কৰি গৈ বৰপেটাৰ জতলগা মহাজনৰ আশ্ৰয়ত বৰপেটা চৰকাৰী হাইস্কুলত পঢ়ে। সেইসময়তে আমাৰ দেশত গান্ধীজীৰ নেতৃত্বত স্বাধীনতা আন্দোলন আৰম্ভ হয়। ৺ ভূঞাদেৱে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ৺ মহেন্দ্ৰমোহন চৌধুৰীৰ, ৺ উপেনদাস আদি নেতৃবৃন্দৰ লগত স্বাধীনতা সংগ্ৰামত যোগ দিয়ে আৰু গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আন্দোলনত অংশ গ্ৰহণ কৰা বাবে তেওঁৰ হাইস্কুলীয়া পাঠ্যক্ৰম সম্পূৰ্ণ নহ'ল। শেষত বৰপেটা দলাহাটী এল, পি, স্কুলত শিক্ষক হিচাবে যোগদান কৰে। তাত তেওঁ প্ৰায় সাত বছৰ কাল চাকৰি কৰিছিল আৰু তাৰ মাজতে যোৰহাটলৈ গৈ গুৰুট্ৰেইনিং পঢ়ি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। তেওঁ যোৰহাট নৰ্মাল স্কুলৰ মুখপত্ৰ ''প্ৰভাত''ত একাধিক কৱিতা লিখিছিল। গুৰুট্ৰেইনিং পাছ কৰি

অহাৰ পিছত ১৯২৮ চন মানত সৰ্থেবাৰী এম্‌ভি স্কুললৈ বদলি হৈ আহে। তাৰপিচত তেওঁ ১৯৩১ চনত ১নং নামশালা প্ৰাথমিক বিদ্যালয়লৈ বদলি হয়। তেওঁৰ যত্নতে ই মৌজাখনৰ ভিতৰতে এখন জাকত জিলিকা স্কুলত পৰিণত হয়। প্ৰতিবছৰে একাধিক ছাত্ৰ-ছাত্ৰীয়ে এই স্কুলৰ যোগেদি বৃত্তি লাভ কৰিছিল। ১৯৩৭ চনত এই স্কুলৰ পৰা কাৰাকুছি প্ৰাইমাৰী স্কুললৈ বদলি হৈ যায় আৰু শেষত ১৯৪০ চনত সৰ্থেবাৰী বালিকা এম্‌ভি স্কুলত যোগদান কৰে। তেওঁ তালৈ প্ৰধান শিক্ষক হিচাবে যোৱাৰ পিছত ১৯৪২-৪৩ চনৰ পৰা কেবাগৰাকী ছাত্ৰীয়ে সুখ্যাতিৰে এম্‌ভি পাছ কৰে। তেওঁলোকৰ ভিতৰত শ্ৰীমতী হৰমায়া ডেকা (ব্যাসকুছিৰ শ্ৰীচক্ৰ ডেকাৰ পত্নী), শ্ৰীমতী গদা তালুকদাৰ (বৰ্তমান চেপন-নিবাসী), শ্ৰীমতী বসু বৰ্মণ (চামতাৰ বোৱাৰী), শ্ৰীমতী উত্তৰা ডেকা শ্ৰীমতী জ্ঞানদা ডেকা (৺ মাণিক চন্দ্ৰ ডেকাৰ পত্নী), শ্ৰীমতী বিমলা ডেকা (শিক্ষয়িত্ৰী) শ্ৰীমতী উৰ্ব্বশী ভূঞা, আদিৰ নাম উল্লেখযোগ্য।

তেওঁ নামশালা গাঁৱৰ উন্নতিকল্পে বহু কাম কৰিছিল। তেওঁ এখন কৰ্মসাধিনী সভা স্থাপন কৰিছিল আৰু তাৰ জৰিয়তে গাঁৱৰ স্কুলঘৰ, ৰাস্তা-ঘাট, বান্ধিবৰ বাবে ৰাইজক উৎসাহিত কৰিছিল। গাঁৱৰ মানুহৰ হাই-কাজিয়া হ'লে মেল পাতি বিচাৰ কৰিছিল। সকলোকথা কৰ্মসাধিনী সভাৰ কাৰ্যবিৱৰণী বহীত লিপিবদ্ধ কৰিছিল। এবাৰ বৰপেটাৰ পৰা ডাঙৰ হাকিম আহোঁতে সেই বহী দেখুৱাই তেখেতে প্ৰশংসা লাভ কৰিছিল। সম্পূৰ্ণ পঞ্চায়তী পদ্ধতিৰে গণতান্ত্ৰিকভাৱে সমাজৰ সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত ৺ ভূঞাদেৱ সৰুক্ষেত্ৰী অঞ্চলৰ বাটকটীয়া আছিল।

বাৰিষাকালত সৰ্থেবাৰী গাঁৱৰ পুবে আৰু নামশালা গাঁৱৰ উত্তৰে থকা আল্পানদীত নানা উৎসৱ পৰ্ব উপলক্ষে প্ৰায়ে নাও



খেল পতা হৈছিল। সেই নাৱত গুটি ধৰোতা মানুহ দুজনকৈ আছিল। ভালকৈ গুটি ধৰিব নাজানিলে নাৱৰ আগৰ কাঁড়টো পোন হৈ যাব নোৱাৰে। ৺ ভূঞাদেৱ খেল নাৱৰ ১ নং গুটিয়াল আছিল। গৰমৰ দিনত বিশেষকৈ ভাদ মাহত শেষৰাতি মাছবোৰ পানীৰ ওপৰত ভাহি ফুৰে। তাকে মাছে খাবৰা দিয়া বোলে। তেতিয়া গাঁৱৰ মানুহে দুজনে দুজনে একোখন নাওলৈ মাছ হানিবলৈ যোৱা নিয়ম আছিল। নাৱৰ আগৰ কাঁড়ত বহি কচলৈ ৺ ভূঞাদেৱে মাছ হানিবলৈ গৈছিল। তেওঁ মাছ হনাত বৰ পাকৈত আছিল। মাছ বেছিকৈ পালে নিজলৈ কিছু ৰাখি বাকীবোৰ ওচৰ-চুবুৰীয়াক ভগাই দিছিল।

৺ ভূঞা বৰ স্বাস্থ্যৱান মানুহ আছিল। সেই সময়ত আমাৰ গাঁৱত এটা যাত্ৰাৰ দল আছিল। সেই দলটোৱে শঙ্কৰবীৰুগৰ নাট-ভাওনা কৰিছিল। তেওঁ তাত ভীম, মহাদেৱ, জনক ৰজা আদিৰ ভাও লৈছিল। এবাৰ তেওঁ মহাদেৱৰ ভাও লোৱাৰ কথা প্ৰায়ে মনত পৰে। দেখাত তেওঁ সাক্ষাৎ মহাদেৱ যেন হৈছিল; কাৰণ তেওঁৰ পেটটো কিছু ডাঙৰ আছিল। বাঘৰ ছাল পিন্ধি মুৰত একোচা জোঁট ওলোমাই মঞ্চত উঠোতে মানুহে দেখি হাঁহিৰে কিৰীলি পাৰি ভাওনাঘৰ আনন্দেৰে উপচাই পেলাইছিল। পিছ মুহূৰ্ততে তেওঁৰ বচন, অভিনয়ৰ ভঙ্গিমা আৰু খোজ কাটাল দেখি দৰ্শক মোহিত হৈছিল। আনকি মহাদেৱভক্ত দুই-এক বয়সীয়াল তিৰোতাই ভক্তিভাৱে সেৱাও জনাইছিল।

৺ ভূঞাদেৱে খঞ্জৰী ভাল ৰকমে বজাব জানিছিল। নিজে খঞ্জৰী বজাই মহাপুৰুষ শঙ্কৰ আৰু মাধৱদেৱ বিৰচিত বৰগীতৰ তাল মান ৰাখি শুৱলাকৈ গাব জানিছিল। সভা-সমিতিত বৰগীত গোৱাৰ পাল সাধাৰণতে তেওঁৰ ওপৰতেই পৰিছিল। ৺ ভূঞাদেৱে নিজে ৰচনা কৰা গান সভা-সমিতিত পৰিবেশন কৰি শ্ৰোতাৰ সমাদৰ লাভ কৰিবলৈও সক্ষম হৈছিল।

৺ভূঞাই ১৯৪২-৪৩ চনত নামশালা গাঁৱত এখন সমবায় দোকান স্থাপন কৰিছিল। প্ৰতি ঘৰ মানুহৰ পৰা দহ টকীয়া অংশ সংগ্ৰহ কৰি এটি পুঁজি গঠন কৰিছিল। সেই দোকানত খাদ্য সামগ্ৰী ৰাখি কম মূল্যত ৰাইজক যোগান ধৰিছিল। সমবায়-খন বহু বছৰলৈ ভালদৰে চলিছিল। শেষত তেওঁৰ মৃত্যুৰ পিচত সেই দোকানখন বন্ধ হৈ গ'ল।

৺ভূঞাৰ প্ৰথম বিবাহ বনগাঁওৰ মেধী পৰিয়ালৰ কন্যা ৺অপ্ৰতিভূঞাৰ লগত সম্পন্ন হয় যদিও বহু বছৰলৈ তেওঁৰ সতিসন্তান নোহোৱাত সৰ্থেবাৰীৰ ৺নৰোৰাম চৌধুৰীৰ তৃতীয় কন্যা শ্ৰীমতী দময়ন্তী চৌধুৰীৰ লগত ১৯৪১ চন মানত দ্বিতীয়বাৰ বিবাহ পাশত আবদ্ধ হয়। এই দ্বিতীয় পত্নীৰ গৰ্ভত দুটীপুত্ৰ সন্তানৰ জন্ম হয়। প্ৰথম জন পুত্ৰ শ্ৰীমান বীৰেণ ভূঞাই পুলিচ বিভাগত আৰু দ্বিতীয় পুত্ৰ শ্ৰীমান গৌৰীকান্ত ভূঞাই গুৱাহাটীৰ নতুন ফটাশিল টাউন হাইস্কুলৰ প্ৰধান শিক্ষক হিচাবে কামকৰি আছে। এই দ্বিতীয় সন্তান মাতৃগৰ্ভত থকা অৱস্থাতে ভূঞা দুৰাৰোগ্য কেন্সাৰ ৰোগত আক্ৰান্ত হয় আৰু ১৯৪৬ চনৰ ১৭ অক্টোবৰত প্ৰায় ৪৫ বছৰ বয়সত তেওঁ ইহলীলা সম্বৰণ কৰে।

৺ভূঞা এজন জাকত-জিলিকা পাঠক আছিল। গাঁৱৰ নাম-প্ৰসঙ্গ হ'লে তেওঁ এযোৰ ডাঙৰ তাললৈ আগেয়ে গৈ তাত উপস্থিত হৈছিল। নামত পুথি পঢ়াৰ ভাৰ তেওঁৰ ওপৰতেই পৰিছিল। তেওঁ সুন্দৰ ধেক লগাই পুথি পঢ়িব জানিছিল আৰু পদবোৰৰ অৰ্থ সকলোৰে বুজাকৈ ব্যাখ্যা কৰিছিল। তেওঁ ঠিয় হৈ শুৱলামাতেৰে নাম দি তাল বজাই মানুহৰ মন সহজে মুগ্ধ কৰিব পাৰিছিল।

আমাৰ গাঁৱৰ মানুহে প্ৰতিবছৰে সৰুক্ষেত্ৰী মৌজাৰ ৰাইজক মাতি এটা ডাঙৰকৈ নাম ধৰিছিল। সেই বৰনামৰ নেতৃত্ব তেওঁ বহন



কৰিছিল। ৺ভূঞাৰ দিনত আমাৰ গাঁৱৰ কলা-সংস্কৃতিবো উন্নতি পৰিলক্ষিত হৈছিল। গাঁওৰ ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ৰাস্তা-পদূলিৰ উন্নতি হৈছিল আৰু বিশেষকৈ তেওঁৰ অশেষ যত্নত সামাজিক কামৰ মাধ্যমেৰে গাঁওখন এক হৈ আছিল। আজি আমি তেওঁৰ অভাৱ বাৰুকৈ অনুভৱ কৰিছোঁ।

——

"কথা কমকৈ কবা, কাম বেছিকৈ কৰিবা। আনক উপদেশ কমকৈ দিবা। সজ লোকৰ উপদেশ বেছিকৈ শুনিবা। তোমাৰ কল্যাণ হব।"

—চক্ৰেটিছ

"নিজৰ সুখেই যাৰ জীৱনৰ লক্ষ্য তেওঁ অসৎ, আনৰ প্ৰশংসা পোৱাটোৱেই যাৰ জীৱনৰ লক্ষ্য তেওঁ দুৰ্বল, আনৰ সুখেই যাৰ লক্ষ্য তেওঁহে সৎ লোক।"

—টলষ্টয়

Central Library
Assam Women's University
Accession No. 1276
Date 30/06/23

# ॥ সৰ্বগুণী ৺ৰূপৰাম ভূঞা ॥

**শ্ৰীঅৰুণ চন্দ্ৰ ভূঞা**
অৱসৰ প্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত

মোৰ গাওঁ নামশালাৰ একালৰ সৰ্বগুণী পুৰুষ স্বৰ্গীয় ৰূপৰাম ভূঞাৰ বিষয়ে অলপ লিখিবলৈ কলম হাতত লওঁতেই মনৰ আবেগত নিজকে হেৰাই পেলালোঁ। ইংৰাজীত এটা প্ৰবাদ আছে যে "When heart is full words are few", অৰ্থাৎ আবেগ ভৰা অন্তৰৰ পৰা কম কথাহে ওলায়। এই প্ৰবাদষাৰ আজি মৰ্মে মৰ্মে অনুভৱ কৰিছোঁ। তথাপিতো তেখেতৰ ব্যক্তিত্ব আৰু গুণাৱলীৰ বিক্ষিপ্ত কিছু কথা সংক্ষিপ্তভাৱে লিখিবলৈ প্ৰয়াস কৰিছোঁ। তেখেত একেৰাহে আছিল আদৰ্শ শিক্ষক, খেতিয়ক আৰু কলাকাৰ। তেখেতৰ লগত মোৰ সম্পৰ্ক আছিল ওতঃপ্ৰোতভাৱে জড়িত। মোৰদৰেই, নিজৰ গাঁওৰ কিয়; সেই অঞ্চলৰ সকলোৱেই তেখেতক ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল।

নামশালা গাঁওৰ প্ৰায় আটাইখিনি মানুহেই একেটা বংশৰ, এটা বৃহৎ পৰিয়ালৰ সমষ্টি; ইজনৰ লগত সিজনৰ তেজ-মঙহৰ সম্পৰ্ক থকা। বিখ্যাত ভূঞাবংশৰ স্বনামধন্য ৺ভকতচৰণ ভূঞা নগাওঁ জিলাৰ হাতীচুং মৌজাৰ কুঁজিদাহ গাঁৱৰ পৰা ৰাজনৈতিক বিপ্লৱৰ হেঁচাত ভাগি আহি ভিতৰুৱা ঠাইত নামশালা গাওঁ স্থাপন কৰে। ইয়াতেই সত্ৰ পাতি শলা-বন্তি জ্বলাই অহৰ্নিশে নাম-কীৰ্ত্তন গোৱা বাবেই এই গাঁৱৰ নাম নামশালা হোৱা বুলি প্ৰবাদ আছে। নামশালা গাওঁ নাম-গুণৰ বাবে বিখ্যাত হৈ পৰিছিল। নিজৰ গাওঁৰ বাহিৰেও ওচৰৰ গাওঁ সমূহতো নামশালাৰ নাম-কীৰ্তনে প্ৰভাৱ পেলাইছিল। ওচৰৰ গাওঁৰ নাম-কীৰ্তনত নামশালাৰ দলক



মাতি নিছিল। সিদিনালৈকে এই প্ৰথা চলি আছিল। বাল্যকালত আমি নিজেও ওচৰৰ হেলছা গাওঁলৈ কেবাবাৰো এই দলৰ লগত গৈছিলোঁ। আমাৰ গাঁৱৰ নাম আৰু তালৰ শব্দত যি কোনো মানুহেই অভিভূত হৈছিল। এইখিনিতে কৈ থওঁ যে ওপৰত উল্লেখ কৰা বৃহৎ পৰিয়ালৰ লোক হিচাবেই ৺ৰূপৰাম ভূঞা সম্বন্ধত মোৰ আতা আছিল। জীৱিত কালত আতাই আছিল নাম-গুণৰ হোতা। তেখেতৰ অবিহনে নামশালাত নাম-কীৰ্ত্তনৰ কথা ভাবিবই নোৱাৰা আছিল। আতাই নাম দিছিল নাইবা দিহা লগাইছিল, ভোৰ-তাল বজাইছিল, ঢোলক বজাইছিল, খোল বজাইছিল আৰু খঞ্জৰী বজাইছিল। এই সকলোবোৰতে তেখেত অদ্বিতীয় আছিল। নামৰ সুৰতে বৰগীতো তেখেতে দীঘলীয়াকৈ গাইছিল আৰু গোৱাইছিল।

তেখেত আছিল এজন আদৰ্শৱান শিক্ষক। আমাৰ বাল্যকালতে তেখেত আছিল বিবাহিত পূৰ্ণ যৌৱনপ্ৰাপ্ত। আমাৰ মনত পৰাৰ পৰাই তেখেত প্ৰাইমাৰী স্কুলৰ প্ৰধান শিক্ষক আছিল। সুশিক্ষাৰ বাহিৰেও তেখেতে নিয়মানুবৰ্ত্তিতাত খুব জোৰ দিছিল। পাঠ্যপুথিৰ বাহিৰেও কচৰৎ কৰা, বাগিচাৰ কাম কৰা অৰ্থাৎ স্কুলত ধুনীয়া ফুলনি পতা, হাতৰ কাম কৰা অৰ্থাৎ মাটিৰ আম, কল, ডালিম আদি তৈয়াৰ কৰা, বাঁহ-বেতৰ ঢাৰি, খৰাহী, বিভিন্ন বিচনী বোৱা আদি সকলো কাম শিকাইছিল আৰু ঘৰত এইবিলাক কৰি আনি ছাত্ৰই তেখেতক স্কুলত দেখুৱাব লাগিছিল। অৱশ্যে সেই সময়ত এইবিলাক কাম স্কুল শিক্ষাৰ ভিতৰুৱা আছিল। নাম নিদিয়াকৈয়ে বেচিক শিক্ষা (বুনিয়াদী) পৰিপূৰ্ণ হিচাবে চলিছিল। তেখেতে নিজৰ গাঁৱৰ স্কুলৰ বাহিৰেও সৰ্থেবাৰী ছেণ্ট্ৰেল বয়জ এম্ ভি স্কুল, সৰ্থেবাৰী বালিকা মজলীয়া বিদ্যালয়, কাৰাকুছি প্ৰাইমাৰী স্কুলতো কাম কৰা দেখিছিলোঁ। য'লৈকে

যায়, তেখেতৰ ব্যক্তিগত প্ৰভাৱত স্কুলৰ চেহেৰাই বদলি যায়। ৩০-৪০ৰ দশকৰ মাজ ভাগ মানত নামশালা প্ৰাইমাৰী স্কুলৰ অৱস্থা সকলো ফালৰ পৰাই শোচনীয় হৈ পৰিছিল। সেই সময়তে ভূঞা আতাই এই স্কুললৈ বদলি হৈ আহে আৰু লগে লগেই স্কুলৰ অৱস্থা সলনি হৈ যায়। মহকুমা ভিত্তিত পতা পৰীক্ষাত ল'ৰাই বৃত্তি পাব ধৰিলে, স্কুল ঘৰৰ চৌহদ জকমকীয়া হৈ উঠিল। স্কুল ঘৰটো ফুলৰ ওপৰত ভাহি থকা যেন দেখা হৈছিল। তেখেতৰ হাতৰ আখৰ অতি সুন্দৰ আছিল, ঠিক ছপোৱা আখৰৰ দৰে। তেনেকুৱা হাতৰ আখৰৰ আৰু এজনৰ কথাহে জানোঁ। তেখেত হৈছে মোৰ পূজনীয় দাদা সৰ্থেবাৰীৰ শ্ৰীযুত নগেন্দ্ৰ নাথ চৌধুৰী, কটন কলেজিয়েটৰ অৱসৰপ্ৰাপ্ত শিক্ষক। অতি গৌৰৱৰ কথা যে চৌধুৰী দাদা ৺ভূঞা আতাৰ প্ৰিয় ছাত্ৰ আছিল। ভূঞা আতাৰ আদৰ্শেৰে অনুপ্ৰাণিত চৌধুৰী দাদা বৰ্তমান গুৱাহাটীৰ কুমাৰ-পাৰাত বসতি কৰি নাম-কীৰ্তন আৰু অইন সামাজিক কামত আত্ম নিয়োগ কৰি আছে। শিক্ষক হিচাবে কড়া হলেও আতাই কাকো বেত দিয়া মনত নপৰে। অসহ্য কাৰণত কদাচিতহে ছাত্ৰক হাতেৰে দুই এথাপৰ দিছিল। অথচ তেখেতক ছাত্ৰই সদায় ভয়-ভক্তি কৰিছিল। গাঁৱত তেখেত "ভূঞা পণ্ডিত" নাইবা "ভূঞা আতা" বুলিহে জনাজাত আছিল।

আদৰ্শ শিক্ষক হোৱাৰ উপৰিও তেখেত আছিল আদৰ্শ খেতিয়ক। স্কুললৈ যোৱাৰ আগতে নিচেই ৰাতিপুৱাই তেখেতে তেখেতৰ মাটিত হাল বাইছিল আৰু স্কুল ছুটীৰ পিছত খেতি পথাৰত অইন কাম কৰি বছৰটো খাবলৈ জোৱাকৈ ধান পাইছিল। গধূলিৰ পৰা ৰাতি ভাত খোৱা সময়লৈকে তেখেতৰ বিভিন্ন ঠাইত প্ৰায় দৈনিক নাম-কীৰ্তনৰ পাল থাকেই। আগতে ভাঙ্দুৰি সেৱাত গোটেই নিশা নাম আৰু সংকীৰ্তন কৰিয়ে কটাই দিছিল।



তেখেত এজন ভাল ৰান্ধনিও আছিল। সেই সময়ত নামশালা গাৱঁত আজিৰ দৰে বৃহৎ জনসংখ্যা নাইবা পৰিয়াল নাছিল। বিয়া, শ্ৰাদ্ধ আৰু পাগদিয়নিত গোটেই গাৱঁৰ মানুহখিনি মতাতো নিয়মত পৰিণত হৈছিল। তাৰে ভিতৰত ডাঙৰ ভোজ বিলাকত আতাক হালধীয়া ডাঙৰ গামোছা পিন্ধি ভোজ বন্ধা আমি নিজেই দেখিছোঁ আৰু তেনেকুৱা ভোজ খাইছোঁ। সেই সময়ত ৰান্ধনি বিলনীয়াই ৰঙা, হালধীয়া নাইবা সেউজীয়া গামোছা পিন্ধাতো প্ৰচলিত নিয়ম আছিল।

তেখেতৰ অন্তিম কালছোৱাত মই ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিলোঁ। ১৯৪৫-৪৬ চনত নানা অভাৱৰ মাজতো কিবাকৈ হলেও কলিকতাত এম্.এ পঢ়ি আছিলোঁ। এদিন ১৯৪৬ চনৰ জুলাই মাহত (তাৰিখটো মনত নাই) ভূঞা আতা তেখেতৰ ঘৰৰ ওচৰৰে জ্ঞানী ব্যক্তি পশুপতি খুড়াক লগত লৈ মই থকা হাৰ্ডিঞ্জ হোষ্টেলত ওলালগৈ। মই আচৰিত হৈ পৰিলোঁ। আতাৰ মাত নোলায়, সেহাই সেহাই কিবা কলেওঁ বুজি নাপায়। অৱস্থাদেখি মোৰ চকুপানী ওলাল। পশুপতি খুড়াৰ পৰা জানিলোঁ যে সিদিনাৰ ঠিক এমাহ আগতে কামপাল বৰ্মণৰ ঘৰত ওৰে নিশা সৰ্থেবাৰীৰ দলৰ লগত প্ৰতিযোগিতামূলক ভাবে সংকীৰ্ত্তনৰ নাম গাই থাকোঁতে তেখেতৰ মাত বহি গৈ (মাত) নোলোৱা হ'ল। কেইদিনমান পিছত গুৱাহাটীলৈ গৈ স্বনামধন্য ডাক্তৰ ভুৱনেশ্বৰ বৰুৱাক দেখুৱালত ডাক্তৰ বৰুৱাই কলিকতালৈ আহি পাৰ্কচাৰ্কাচত থকা আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিখ্যাত ডাক্তৰ সত্যবান ৰায়ক দেখুৱাবলৈ কৈছে। মহান ডাক্তৰ বৰুৱাই তেখেতৰ সুপৰিচিত ডাক্তৰ ৰায়লৈ এখন সৰু কাগজত লিখি পঠাইছে—যেন এই দুখীয়া শিক্ষকজনক পৰীক্ষা কৰি বিহিত ব্যৱস্থা লয়। ডাক্তৰ বৰুৱাৰ সুখ্যাতি যে অকল অসমতে বৈ বৈ গৈছিল এনে নহয়; সুদূৰ কলিকতাতো যে

তেখেতৰ ইমান নাম যশ আছিল তেতিয়াহে বুজিছিলোঁ। মই থকা হোষ্টেলত ঠাইৰ নাটনিৰ বাবে আৰু চিকিৎসাৰ সুবিধাৰ কাৰণে তেখেত দুজনক হেৰিচন ৰোডৰ শান্তি নিকেতন হোটেলত ৰাখিলোঁ। শিয়ালদহ ৰেলষ্টেচনৰ অদূৰত ভাল হোটেল বুলি নাম থকা এই হোটেলখনতে অসমৰ পৰা নানা কামত কলিকতালৈ যোৱা মানুহখিনিৰ প্ৰায়ভাগে থাকে। এখেত দুজনকো এটা ৰুমত ৰাখিলোঁ। খোৱা আৰু থকাৰ বাবদ প্ৰতিজনে দিনে ৪্টকাকৈ দিব লাগিব। আজিৰ দিনত বিশ্বাস নহলেও সেইসময়ত পইচাৰ মূল্য ইমানেই আছিল। যাহওঁক, ভূঞা আতাক ডাক্তৰ ৰায়ে দুদিন পৰীক্ষা কৰি মোক অকলে মাতি নি কলে যে ডাক্তৰ বৰুৱাই সন্দেহ কৰা মতেই এখেতৰ ডিঙিত কৰ্কটৰোগ হৈছে। গতিকে ইয়াৰ চিকিৎসা হ'ব শ্যাম বজাৰত থকা ডাক্তৰ শম্ভু মুখাৰ্জীৰ ওচৰতহে। কাৰণ কলিকতাত একমাত্ৰ তেখেতৰহে সেক দিয়া যন্ত্ৰটো আছে। আনকি সেইসময়ত কলিকতা মেডিকেল কলেজতো এই যন্ত্ৰ নাছিল। ডাক্তৰ ৰায়ে ডাক্তৰ মুখাৰ্জীলৈ লিখি আমাৰ হাততে দিলে সৰু কাগজ এটুকুৰা—ইংৰাজীতে লিখা "শম্ভু ভালদৰে চাবা। গুৱাহাটীৰ ডাক্তৰ বৰুৱাই জনাইছে, ৰোগীজন এজন দুখীয়া শিক্ষক।" ডাক্তৰ ৰায়ৰ পৰা বিদায় লোৱা সময়ত তেখেতক ভিজিতৰ টকা দিব খোজাত তেখেতে খঙতে উগ্ৰমূৰ্ত্তি ধৰি কৈছিল "ডাক্তৰ বৰুৱাই দুখীয়া শিক্ষক বুলি কোৱাৰ পিচতো মই টকা লমনে?" আনন্দ আৰু আবেগত যে কি অধীৰ হৈ পৰিছিলোঁ তেতিয়া। সেই দিনাই আবেলিপৰত আমি শ্যাম বজাৰত ডাক্তৰ শম্ভু মুখাৰ্জীৰ ওচৰ পালোঁ। এখেতৰ নামটো নাজানিলে মানুহে বিলাতী চাহাব বুলিহে ভাবিব। সৰুৰ পৰাই বোলে বিলাতত পঢ়া-শুনা কৰি ডাক্তৰ হোৱাৰ পিছতহে নিজ দেশলৈ ফিৰি আহিছে। তেখেতে সকলো জানি বৰ আগ্ৰহেৰে আৰু মৰমেৰে পৰীক্ষা কৰি



পিছদিনাৰ পৰাই তেখেতৰ ক্লিনিকতে সেক দিয়া আৰম্ভ কৰিলে। হোটেলৰ পৰা দৈনিকে আবেলি সেক লৈ আহিব লাগে। মই সদায় লগত যাওঁ। কাৰণ আমি তিনিওৰে অকল মইহে বঙালী বুজোঁ আৰু কব পাৰোঁ। আতাবতো মাতেই নোলায়। পশুপতি খুৰাই বঙালী নুবুজে। দু-সপ্তাহমান চিকিৎসা চলাৰ পিছত আৰম্ভ হ'ল ১৯৪৬ চনৰ ১৬ আগষ্টৰ দিনা কলিকতাত হিন্দু মুছলমানৰ মাজত লোমহৰ্ষক সাম্প্ৰদায়িক সংঘৰ্ষ। সেই কথা মনত পৰিলে এতিয়াও গাৰ নোম শিয়ৰি উঠে। কলিকতা অগ্নিগৰ্ভা হৈ পৰিল। সকলো থানবান হৈ গ'ল। ইয়াৰ মাজতে আমি ডাক্তৰ মুখাৰ্জীক দেখা কৰাত তেখেতে কলে যে চিকিৎসা অসম্পূৰ্ণ হৈ থাকিল। গতিকে সংঘৰ্ষ থামিলে পুনৰ আহিব লাগিব; এতিয়া কিছুদিনলৈ ঘৰলৈকে যাঁওক। আমি অহাৰ সময়ত "ফিজ" দিবলৈ খোজাত তেখেতে অৰ্থপূৰ্ণ হাঁহিমাৰি অতি সহানুভূতিৰে টকা লবলৈ আপত্তি জনায়। সেই সময়ত আতা বহুখিনি ভাললৈ আহিছে। মাতো ওলাইছে। আতাই আবেগেৰে ডাক্তৰক অসমীয়াতে কলে-যে দুখীয়া হলেও তেখেতে যা-যোগাৰ কৰি পইচা আনিছে। চিকিৎসা কৰোঁতে ডাক্তৰৰ কিছু খৰছো হৈছে। গতিকে তেখেতৰ মগনীয়াৰদৰে যাবলৈ মন নাই। ডাক্তৰে আতাৰ আবেগভৰা কথা শুনি আৰু ভাৰাভাৰ বুজি অলপ টকা (সংখ্যাটো মনত নাই) লৈ সেইখিনিকে তেখেতৰ সহায়কাৰী আৰু নাৰ্চৰ মাজত ভগাই দিলে। নিজলৈ একো নাৰাখিলে। ডাক্তৰ বৰুৱা, ডাক্তৰ ৰায় আৰু ডাক্তৰ মুখাৰ্জীৰ কথা চিৰদিনলৈ মনত পৰি থাকিব। অকল ধনন্তৰিৰ নিচিনা ভাৰত বিখ্যাত ডাক্তৰেই নাছিল, তেখেতসকলৰ অন্তৰো কিমান মহান আছিল! আতা আহাঁক (হুঁতক) ঘৰলৈ পঠোৱাৰ কেইদিনমান পিছত তিষ্ঠিব নোৱাৰি ময়ো আহি ঘৰ পালোঁ। দেখিলোঁ, আতাৰ অৱস্থা

উন্নত। পথাৰৰপৰা গৰু-বাছুৰো আনিবলৈ যায়। ভাবিছিলোঁ, কলিকতালৈ ফিৰি যোৱাৰ সময়ত আতাকো লৈ যাম-অসম্পূৰ্ণ চিকিৎসা সম্পূৰ্ণ কৰিবলৈ। কিন্তু কলিকতাৰ স্বাভাৱিক অৱস্থা ফিৰি আহিবলৈ বহুদিন লাগিল। তদুপৰি মোৰ পানীত হাঁহ নচৰা অৱস্থাৰ বাবে বহুদিনলৈ অনাই-বনাই ফুৰিছিলোঁ। ইয়াৰ মাজতে অৱস্থা বেয়ালৈ আহিল। আতাৰ আৰ্থিক অৱস্থাও তথৈবচ। এদিন নিজেই কলে যে তেখেতে বেছি দিন নাবাছে। মৃত্যুভয় তেখেতৰ নাই। গতিকে ঋণৰ বোজালৈ কলিকতালৈ নাযায়। ইয়াৰ অলপ কিছুদিন পিছতেই কাতি বিহুৰ দিনা অসম্পূৰ্ণ চিকিৎসাৰ মাজতে নশ্বৰ দেহ পেলাই থৈ চিৰবিদায় ললে। গাঁওখনে এগৰাকী সুযোগ্য সন্তান অকালতে হেৰুৱালে।

স্বৰ্গীয় ভূঞা আতা নিয়মিত ওখথাপৰ বলীয়ান মানুহ আছিল। মৃত্যুৰ লগত যোগাযোগ কৰি দিয়া এই বেমাৰটোৰ বাহিৰে তেখেত সুস্বাস্থ্যৰ সভা শুৱনি মানুহ আছিল। পিন্ধনত আছিল ধুতি আৰু পাঞ্জাবী। তেখেতে দৰ্জিয়ে চিলাই কৰি দিয়া গেঞ্জী পিন্ধাহে দেখিছিলোঁ। খং-ৰাগ নাছিল। তেখেতৰ উপস্থিতিয়ে যি কোনো অৱস্থাকে আনন্দমুখৰ কৰি তুলিছিল। তেখেতৰ সান্নিধ্যত থকা মানুহৰ মনত এনে ৰেখাপাত কৰি থৈ গ'ল যে আজি প্ৰায় অৰ্দ্ধশতাব্দীৰ পিছতো নামশালাৰ "ভূঞা পণ্ডিত" মৰা বুলি কলে গালি পৰা যেনহে লাগে!

——

# সমাজ সেৱক ৰূপৰাম ভূঞা

ড° প্ৰফুল্ল চন্দ্ৰ ভূঞা
অধ্যক্ষ, বাপুজী কলেজ

"The earnestness of life is the only passport to the satisfaction of life." (Theodor parker)

থিঅ'ডৰ পাৰ্কাৰৰ এই কথাষাৰ স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱনত সুন্দৰভাৱে প্ৰতিফলিত হোৱা দেখা যায়। ভূঞাদেৱে নিজৰ কৰ্মময় জীৱনৰ ওপৰত নিৰ্ভৰ কৰি সাধাৰণ অৱস্থাৰ পৰা এজন নিষ্ঠাৱান শিক্ষক আৰু সমাজ সেৱক হিচাবে খ্যাতি অৰ্জন কৰি গৈছে। তেওঁ একাধাৰে এজন সুদক্ষ শিক্ষক, উদ্যোগী সমাজ কৰ্মী আৰু সংস্কৃতি সাধক আছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰতিষ্ঠাপিত নগাঁও জিলাৰ বৰদোৱা সত্ৰৰ নিকটবৰ্ত্তী হাতীচুং মৌজাৰ কুঁজিদাহ গাঁৱৰ ছুটি ভূঞাৰ পুত্ৰ ভকত চৰণ ভূঞাই ১১৩৩ ভাস্কৰাব্দতে ভটিয়াই আহি এই গাওঁত বসবাস কৰি আছিল। তেওঁ আছিল মহাপুৰুষ দামোদৰ দেৱৰ দ্বাৰা প্ৰচাৰিত বৈদিক ভাগৱতী বৈষ্ণৱ ধৰ্মৰ নিষ্ঠাৱান সেৱক। তেওঁৰ নিৰ্দেশতে দামোদৰী ধৰ্মৰ ভক্ত এজনে এই গাঁৱৰ বৰ্তমানৰ সত্ৰৰ চুপাত শলা-বন্তি জ্বলাই নাম-কীৰ্তন কৰিছিল। সেইকাৰণে এই গাওঁখনৰ নাম নামশালা হয় বুলি জনা যায়। নামশালা গাঁৱৰ একনিষ্ঠ সমাজ সেৱক ৰূপৰাম ভূঞা উক্ত ভকত চৰণ ভূঞাৰ প্ৰথম পুত্ৰ গোবিন্দ ভূঞাৰ বংশধৰ। তেওঁৰ পিতৃৰ নাম আছিল পীতৰাম ভূঞা আৰু মাতৃৰ নাম আছিল ভাগ্যেশ্বৰী ভূঞা। ঘৰুৱা অৱস্থা টনকিয়াল নোহোৱা বাবে ল'ৰালি কালতে বৰপেটালৈ

গৈ জত্‌লগা মহাজনৰ আশ্ৰয়ত থাকি তেওঁ পঢ়া-শুনা কৰিবলগীয়াত পৰিছিল। তেওঁৰ নম্ৰতা, সাধুতা আৰু একাগ্ৰতাৰ কাৰণে সদাশয় মহাজনৰ প্ৰীতিভাজন হৈ মৰম-চেনেহ লাভ কৰিবলৈ সক্ষম হৈছিল। জতলগা মহাজনৰ পুত্ৰ অচ্যুত মহাজনেও ভূঞা ডাঙৰীয়াক জ্যেষ্ঠ-ভাতৃ হিচাবে সন্মান কৰিছিল আৰু অতি বিশ্বাসভাজন বন্ধু হিচাবে গণ্য কৰি সকলো কামতে দিহা-ভৰষা লৈছিল। বাহিৰা মানুহে তেখেতসকল দুজনক সহোদৰ ভাতৃ বুলিয়ে ভাবিছিল। কিন্তু তেওঁ হাইস্কুলীয়া শিক্ষাৰ পাঠ্যক্ৰম সমাপ্ত নকৰাকৈয়ে বৰপেটাৰে দলাহাটী প্ৰাইমাৰী স্কুলত প্ৰথমতে শিক্ষকতা কাম আৰম্ভ কৰে। তেওঁৰ কৰ্মময় জীৱনত বৰপেটাৰ দলাহাটী প্ৰাইমাৰী স্কুল, সৰ্থেবাৰী এম্ ভি স্কুল, কাৰাকুছি প্ৰাইমাৰী স্কুল, সৰ্থেবাৰী বালিকা এম্ ভি স্কুল আৰু নামশালা গাওঁৰ ১ নং প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কাম কৰি এজন সুদক্ষ শিক্ষক হিচাবে নিজকে পৰিচয় দিবলৈ সক্ষম হৈছিল। তেওঁ পঢ়ুওৱা বহুতো ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি লাভ কৰিছিল। পল্লাসত্ৰৰ শ্ৰীতৰুণ গোস্বামী, নামশালা গাওঁৰ মাইকণ পাটোৱাৰী সেই সময়ত বৃত্তি লাভ কৰা তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অন্যতম আছিল। শিক্ষকতা কাম কৰি তেওঁ মাহিলি মাত্ৰ ১২.০০ (বাৰ) টকাহে দৰমহা পাইছিল। সেই সামান্য আয়েৰে পৰিয়ালৰ ভৰণ-পোষণ যোগাব নোৱাৰি তেওঁ কৃষি কৰ্মতো আত্মনিয়োগ কৰিবলগীয়াত পৰিছিল। তাৰ মাজেদিয়ে তেওঁ সামাজিক কাম কাজতো ব্যস্ত হৈ পৰিছিল। তেওঁ এনেকুৱা শিক্ষানুৰাগী আছিল যে গধূলি ঘৰত সোমাই নাথাকি গাঁৱৰ ৰাস্তাৰে ওলাই গৈ কোন ল'ৰাই ৰাস্তাত তহল দি আছিল তাকে লক্ষ্য কৰি ফুৰিছিল আৰু তেনেকুৱা ছাত্ৰক ( সৰু-ডাঙৰ বুলি কথা নাই ) মাক-পিতাকক গোটাই দি পঢ়া-শুনা কৰিবলৈ উপদেশ দি ফুৰিছিল। শিক্ষক হিচাবে তেওঁৰ এনেকুৱা সুখ্যাতি আছিল



যে মানুহে তেওঁক "ভূঞা পণ্ডিত" বুলিহে জানিছিল। আমিও সৰুতে তেওঁক "ভূঞা পণ্ডিত" বুলিহে জানিছিলোঁ আৰু সেই-টোৱে তেওঁৰ নাম বুলি ভাবিছিলোঁ।

নিজৰ গাঁৱৰ স্কুললৈ শিক্ষকতা কৰিবলৈ আহি তেওঁ সমাজ সংগঠনৰ কামত আত্মনিয়োগ কৰাৰ সুবিধা পাইছিল। ১৯৪২ চনত বৃটিছ শোষক-শাসকৰ বিৰুদ্ধে গোটেই দেশতে উথলি উঠা গণবিপ্লৱৰ ঢৌ তেতিয়াও ভালদৰে মাৰ যোৱা নাছিল। দেশত বয়বস্তুৰ নাটনি। বজাৰত বস্তুৰ জুই-ছাই দাম। জন সাধাৰণৰ অত্যাৱশ্যকীয় বস্তুৰ সৰবৰাহ কৰাৰ কাৰণে ঠায়ে ঠায়ে কিছুমান সস্তীয়া মালৰ দোকান খোলাৰ ব্যৱস্থা লোৱা হৈছিল। ভূঞা ডাঙৰীয়াই গাঁওখনৰ উন্নয়নৰ বাবে প্ৰথমতে "নামশালা গাঁও কৰ্মসাধিনীসভা" নামেৰে এখন গাওঁ উন্নয়ন সমিতি গঠন কৰে। এই সভাখনৰ জৰিয়তে গাঁৱৰ আলি-পদূলি বন্ধা, নামঘৰ, স্কুলঘৰ সজা আদি কাম কাজবোৰ কৰা হৈছিল ভূঞাদেৱৰ অনুপ্ৰেৰণাতে। তেওঁৰ পৰামৰ্শমতে নামশালাগাঁও কৰ্মসাধিনী সভাৰ সদস্য সকলে এখন সমবায়ৰ বিপনি ( কো-অপাৰেটিভ্ ষ্টোৰ ) আমাৰ গাঁওত স্থাপিত কৰিলে ১৯৪৩ চনতে। সমাজে তেওঁক সেই বিপণিখনৰ সম্পাদকৰ দায়িত্বভাৰো অৰ্পণ কৰিলে আৰু গঙ্গাভূঞাক বিক্ৰেতা (চেলচ্‌ম্যেন) হিচাবে নিযুক্তি দিলে। তেওঁলোকৰ যত্নতে গাঁওবাসীয়ে অত্যাৱশ্যকীয় বস্তুবোৰ কম দামতে লাভ কৰাৰ সুবিধাকণ পালে। বৰপেটাৰ পৰা আমাৰ এই ঠাইলৈ সেই সময়ত বস্তুবোৰ অনাৰ কাৰণে বাৰিষা কালত নাও আৰু খৰালি কালত গৰু বা মহৰ গাড়ীৰ বাহিৰে আন উপায় নাছিল। নিজৰেই হওক বা সমাজৰেও হওক সকলো কামতে তেওঁ মিতব্যায়িতাৰ প্ৰতি মনো-যোগ দিছিল। সেয়েহে তেওঁৰ সহকাৰী শ্ৰীগঙ্গা ভূঞাৰ সৈতে নাও বাই গৈ বৰপেটাৰ পৰা সস্তীয়া দামৰ বস্তুবোৰ আনিছিল।

গাঁও সংগঠনৰ কামত এনেদৰে নিস্বাৰ্থভাৱে কাম কৰি আৰু গাঁওৰ অন্যান্য বিশিষ্ট ব্যক্তিসকলোকো সমাজ সেৱাৰ কাৰণে অনুপ্ৰাণিত কৰি কৰ্মবীৰ ভূঞা ডাঙৰীয়াই নিজ গাঁওখনৰ সকলো প্ৰকাৰৰ উন্নতিৰহকে কাম কৰি গৈছিল। সমাজৰ ঐক্য-সংহতি ৰক্ষাৰ উদ্দেশ্যে তেওঁ সংস্কৃতি সাধনতো ব্ৰতী হৈ পাৰিছিল। ভোৰতাল বজোৱাৰে পৰা ঢোল-খোল বজাই নাম সংকীৰ্ত্তন কৰা আদি সকলো ক্ষেত্ৰতে তেওঁ সদায় আগভাগ লৈছিল। গতিকে এজন নিপুন পাঠক হিচাবেও তেওঁ এই অঞ্চলত জনাজাত আছিল। অকল সেয়ে নহয়, নাম-কীৰ্ত্তন প্ৰেমী কিছুমান মানুহক তেওঁ ভোৰতাল বজোৱা, নাম আৰু বৰগীত গোৱা আদিতো প্ৰশিক্ষণ দিছিল।

তেওঁৰ সমসাময়িক বন্ধুবৰ্গৰ লগত খানা (লগভাত/প্ৰীতিভোজন) আদি খোৱাতো তেওঁ উৎসাহী আছিল। আমাৰ পিতৃ স্বৰ্গীয় মঞ্জুৰ চন্দ্ৰ ভূঞা এজন তেওঁৰ প্ৰিয় ব্যক্তি আছিল। নামশালা গাঁও কৰ্মসাধিনী সভাৰ এজন আগশাৰীৰ সদস্য হিচাবে তেওঁৰো অৰিহণা কম নাছিল। গতিকে মাজে সময়ে আমাৰ ঘৰতে লগ হৈ তেওঁলোকে মিলাপ্ৰীতিৰে খানা খোৱা আমাৰ মনত পৰে। আমি তেতিয়া তৃতীয় শ্ৰেণীৰ ছাত্ৰ। ৰং-ধেমালিৰে প্ৰতিযোগিতা কৰি খোৱাটো তেওঁৰ অভ্যাস আছিল। সুবল সুঠাম দেহত তেওঁৰ শক্তিও যথেষ্ট। ওচৰৰে আমখোৱা গাওঁৰ পৰা এদিনাখন তেওঁ তিনিমোন ধান নিজে ভাৰ বান্ধি ঘৰলৈ কঢ়িয়াই আনিছিল।

গীত পদ গোৱাত যেনে আগৰণুৱা আছিল নাট-ভাওনা আদি কৰাতো তেনে অগ্ৰগণি পুৰুষ আছিল বুলি আমাৰ জ্যেষ্ঠ সকলৰ পৰা শুনিছিলোঁ। এবাৰ এখন ভাওনাত তেওঁ মহাদেৱৰ ভাও দিওতে দৰ্শকসকল হেনো অতিকৈ বিমোহিত হৈ পৰিছিল।

নামশালাগাঁও বৰনামৰ কাৰনে এই অঞ্চলত বিখ্যাত।



সৰুক্ষেত্ৰী মৌজাৰ সকলোবোৰ গাঁৱৰ মানুহক নিমন্ত্ৰণ কৰি প্ৰতি বছৰে বুদ্ধ পূৰ্ণিমা তিথিত আমাৰ গাঁৱত বৰনাম অনুষ্ঠিত কৰা হৈছিল। মৌজা নামৰো তেওঁ এজন সুদক্ষ পাঠক আৰু মুখ্য পৃষ্ঠপোষক আছিল। এই নাম অনুষ্ঠিত কৰাত তেওঁৰ অৰিহণাৰ কথা আজি গাঁওবাসীয়ে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

খেতি পথাৰত কাম-কাজ কৰাৰ পৰা মাছ-মৰা আদি কামতো তেওঁ উৎসাহী ব্যক্তি আছিল। স্কুলৰ চাকৰি কৰাৰ উপৰি তেওঁ নিজে দুই পুৰা মাটিত চহ কৰি পৰিয়ালৰ ভৰণ-পোষণ দিছিল। তেওঁৰ থকা বাস্তুত নানাবিধ ফল-মূল আৰু ফুল গছ সযতনে ৰুইছিল। তেওঁৰ বাৰীত আম, কঠাল, লেতেকু, জাম, আনাৰস, ঔ, ৰবাব টেঙা, কৰ্দৈ, থেকেৰা আদিৰ অভাৱ নাছিল। তামোল, নাৰিকল আৰু পাণ উভৈনদী আছিল। তেওঁ নিজ হাতেৰে জাকৈ আৰু কুকি (খালৈ) তৈয়াৰ কৰি মাছ মাৰিবলৈ গৈছিল। বহাগ মাহত এবাৰ আমাৰ গাঁৱৰ ওচৰৰ বৰবিলৰ পাৰলৈ উজানৰ মাছ মাৰিবলৈ আমি সৰু সৰু ল'ৰাবোৰে গৈছিলোঁ। ভূঞাদেৱেও তালৈ মাছ মাৰিবলৈ গৈছিল কান্ধত এখন বিৰাট আকাৰৰ জাকৈ লৈ আৰু ককালত এটা প্ৰকাণ্ড কুকি বান্ধি লৈ। আমি সৰু ল'ৰাবোৰে তেওঁৰ জাকৈখন আৰু কুকটো দেখি বিচুক্তি খাইছিলোঁ। তেওঁৰ জাকৈখনত একোবাৰত চাৰি-পাঁচ গণ্ডা কাৰৈ মাছ উঠা দেখি আমি আচৰিত হৈছিলোঁ। তেওঁৰ মাছ মৰা কাৰ্য্য দেখি সৰুতে ককা আৰু আইতা সকলৰ পৰা শুনা ভীমৰ গল্পবোৰৰ কথা আমি ৰোমন্থন কৰিছিলোঁ।

ভূঞা ডাঙৰীয়াৰ দুগৰাকী পত্নী আছিল। ডাঙৰ গৰাকীৰ নাম অপতী আৰু সৰু গৰাকীৰ নাম দময়ন্তী। ডাঙৰ গৰাকী নিঃসন্তান আছিল বাবে পিছত সৰু গৰাকীক বিয়া কৰাইছিল। সৰু গৰাকীৰ গৰ্ভত দুজন পুত্ৰ সন্তানৰ জন্ম হয়। ডাঙৰজনৰ নাম শ্ৰীবীৰেন্দ্ৰ নাথ ভূঞা আৰু সৰুজনৰ নাম শ্ৰীগৌৰীকান্ত ভূঞা।

পিতাকৰ সকলোবোৰ গুণৰ অধিকাৰী নহলেও তেওঁৰ সৰবৰহী গুণৰ সমাৱেশ দুয়োজন পুত্ৰৰ গাতে থকা দেখা যায়। শ্ৰীবীৰেন্দ্ৰ নাথ ভূঞা বৰ্তমান ৰেলওৱে বিভাগৰ এজন আৰক্ষী কৰ্মচাৰী আৰু শ্ৰীগৌৰীকান্ত ভূঞা গুৱাহাটীৰ নতুন ফটাশিল হাইস্কুলৰ সুদক্ষ প্ৰধান শিক্ষক। তদুপৰি তেওঁ এজন উদীয়মান শিশু সাহিত্যিকো। বৰ্তমানলৈ তেওঁ এঘাৰ খন পুথি ৰচনা কৰি প্ৰকাশ কৰি উলিয়াইছে আৰু এজন কৃতী শিশু সাহিত্যিক হিচাবে প্ৰতিষ্ঠা লাভ কৰিছে। প্ৰকাশিত বেছি ভাগ পুথিয়ে কবিতা ছন্দত লিখা। "শিল্পীৰ সপোন" নামৰ কবিতা পুথিখন সঁচাকৈয়ে তেওঁৰ কৰি প্ৰতিভাৰ নিদৰ্শন। দেউতাকৰ সমাজ সংস্কাৰকামী গুণৰ যে তেওঁ প্ৰকৃত অধিকাৰী তাৰে পৰিচয় এই পুথিখনৰ মাজেৰে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ কাপৰে আৰু অধিক আকৰ্ষণীয় সাহিত্য সৃষ্টি হৈ অসমীয়া ভাষাৰ জেউতি চৰাব বুলি আমি আশা কৰিছোঁ।

তেওঁৰ পিতৃ ভূঞাদেৱে যি আদৰ্শেৰে সমাজৰ কাম কৰিবলৈ প্ৰচেষ্টা হাতত লৈছিল তাক সম্পূৰ্ণ ভাবে ফলৱতী কৰিবলৈ সময় নেপালে। ভাৰতৰ স্বাধীনতা শেষ পৰ্য্যায়ত ১৯৪৬ চনত হিন্দু মুছলমানৰ ভিতৰত বিদ্বেষ সৃষ্টি হৈছিল তাৰ ফলত ভাৰতৰ বহুতো ঠাইত মানুহ হিংসা-বিদ্বেষৰ দাবানলৰ বলি হৈ পৰিছিল। সেই বছৰতে তেওঁ দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ চিকিৎসাৰ কাৰণে কলিকতালৈ ৰাওনা হৈছিল। পশ্চিম বঙ্গত সেই সময়ত উক্ত বিদ্বেষৰ জুই দপ্‌দপকৈ জ্বলি উঠিছিল। কলিকতাত তাৰ প্ৰভাৱ বাৰুকৈ পৰিছিল। গতিকে ভূঞাদেৱে চিকিৎসা আধৰুৱাকৈ ঘৰলৈ ঘূৰি আহিবলৈ বাধ্য হ'ল। এয়ে নিয়তিৰ পৰিহাস। গতিকে অকালতে ইহসংসাৰ ত্যাগ কৰি তেওঁ আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুছি গ'ল। নহ'লে নামশালা গাওঁ তথা এই অঞ্চলৰ ৰাইজে তেওঁৰ পৰা আৰু বহুতো কিবা কিবি পালেহেঁতেন। ০০

## ॥ মোৰ শৈশৱৰ স্মৃতিত ভীমকৰ্মা ভূঞা আতাৰ সাধু সাধু লগা ঘটনাবোৰ ॥

শ্ৰীভবেন্দ্ৰ নাথ ভূঞা,
বি. এ. এল. এল. বি.

৺ৰূপৰাম ভূঞা আছিল নামশালা গাঁৱৰ এজন সুযোগ্য সন্তান, কিংবদন্তি পুৰুষ। আজিও গাওঁবাসীয়ে মেল-মিটিঙত বহিলে, যাত্ৰাভিনয় পাতিলে, নাম-প্ৰসঙ্গ কৰিলে তেখেতৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰে আৰু শ্ৰদ্ধাৰে গুণানুকীৰ্তন কৰে। গাওঁ পৰিচালনা সমিতিৰ সভা বহিলে প্ৰতিষ্ঠাপক হিচাবে তেখেতৰ স্মৃতিচাৰণ কৰে। কোনো জটিল সমস্যাৰ সন্মুখীন হলে দুই একে মন্তব্য কৰে—"আজি ভূঞা পণ্ডিত থকা হ'লে.....।" কিয়নো জটিল সমস্যা সমাধানত তেখেত আছিল সিদ্ধহস্ত আৰু তেখেতৰ নিৰপেক্ষ সিদ্ধান্ত (ৰায়) সকলোৱেই বিনা দ্বিধাই মানি লৈছিল। সেই অঞ্চলৰ মানুহে তেখেতক "ভূঞা পণ্ডিত" বুলিহে জানিছিল। অৱশ্যে সৰুবোৰৰ মনত তেখেত আছিল "ভুহাঁ (ভুৰুং শব্দৰ অপভ্ৰংশ ৰূপ) পণ্ডিত" অৰ্থাৎ পেট ডাঙৰ পণ্ডিত।

ভূঞা পণ্ডিত সম্বন্ধত আমাৰ আতা অৰ্থৎ ককা আছিল। মই স্কুললৈ যোৱাৰ আগৰে পৰাই পিতাৰ মুখত আতাৰ গুণ-গৰিমাৰ কথা শুনি তেখেতৰ প্ৰতি মোৰ মনত এটি শ্ৰদ্ধাভাৱ উপাৰ্জিছিল আৰু স্কুললৈ গৈ শিক্ষক হিচাবে পোৱাৰ পিছত সেই ভাৱ আৰু বেছি গাঢ় হৈছিল। দুখৰ বিষয় তেখেতক বেছিদিন শিক্ষক হিচাবে নাপালোঁ।

৺ভূঞা আতাৰ প্ৰথম গৰাকী পত্নীৰ পক্ষৰ পৰা সতি-সন্ততি

নাছিল। সেয়েহে সকলো ল'ৰা-ছোৱালীকে তেখেতে বৰ মৰম কৰিছিল। শিশুৰ লগত ৰং-ধেমালি কৰাটো তেখেতৰ সহজাত স্বভাৱ আছিল। তেখেতক গাওঁৰ ডেকা-বুঢ়া সকলোৱে সন্মান কৰিছিল। জীয়ৰী-বোৱাৰীয়ে সমীহ কৰি চলিছিল। শিক্ষক হিচাবে ছাত্র-ছাত্রীৰ বৰ শ্ৰদ্ধাৰ পাত্ৰ আছিল।

আতা আছিল শুক্লবৰ্ণৰে ভৰা গোলাকাৰ ধুনীয়া মুখৰ হৃষ্টপুষ্ট চেহেৰাৰ অলপ চাপৰ খামৰ সভা শুৱনি লোক। তেখেতে সদায় চাফ-চিকুণ সাজ-পাৰ পৰিধান কৰিছিল। তেখেতৰ ধুতিৰ পেচৰ বিশেষ বৈশিষ্টতা আছিল। খোজ-কাটল আছিল গুৰু-গম্ভীৰ; দেখিলেই ভক্তিভাৱ ওপজে। বাটে-পথে তেখেতক দেখিলেই আমি ছাত্ৰবোৰে দৌৰি গৈ লুকাইছিলোঁ। অৱশ্যে মাৰ খোৱাৰ ভয়ত নহয়; তেখেতৰ ব্যক্তিত্বৰ সন্মুখীন হোৱাৰ ভয়তহে।

পঢ়া নোৱাৰাটো তেখেতৰ মনত দোষণীয় কাম নাছিল; কিন্তু পঢ়াত মনোযোগ নিদিলে বৰ বেয়া পাইছিল। পঢ়াত অমনোযোগী ছাত্ৰ-ছাত্ৰীক এটি অভিনৱ উপায়েৰে শাস্তি দিছিল। আঙুলিৰে পেটৰ ছাল চেপি ধৰি টানিছিল আৰু দুখ নোপোৱা পৰ্যন্ত এৰি নিদিছিল। দুষ্টামি কৰা ল'ৰা-ছোৱালীক জোৰেৰে মাৰাৰ ভঙ্গিমা দেখুৱাই হাতখন ওপৰলৈ তুলি নিলাহেকৈ পিঠিত ঠপিৰিয়াইছিল। তেখেতে প্ৰদান কৰা শাস্তিৰ কথা আজিও সহপাঠী বন্ধু-বান্ধৱ লগ পালে কৈ কৈ হাহোঁ।

ভূঞা আতাই আমাৰ ঘৰলৈ আহিছিল। পিতাৰ লগত তেখেতৰ সুমধুৰ সম্পৰ্ক আছিল। দুয়োজনে ঘৰুৱা সুখ-দুখৰ কথাৰ লগতে ৰাজহুৱা কথাও পাতিছিল। প্ৰায়ে মই পিতাৰ কাষত বৈ তেখেতসকলে পতা কথা শুনিছিলোঁ। কিন্তু সকলো কথা নুবুজিছিলোঁ। একেবাৰে সৰু কালতে আতাৰ কান্ধত উঠাৰ সৌভাগ্যও মোৰ হৈছিল। দুয়োজনী আবুয়েও বৰ মৰম কৰিছিল।



আতাৰ মৃত্যুৰ সময়ত মোৰ বয়স ১৩/১৪ বছৰমান হৈছিল। গতিকে শৈশৱতে লগ পোৱা আজিৰ পৰা আঠচল্লিশ বছৰ পূৰ্বে ইহলীলা সম্বৰণ কৰা মানুহ এজনৰ স্মৃতি ইমান দিনলৈ সজীৱ হৈ থাকিব নালাগিছিল। কিন্তু পিছলৈও বয়সীয়া লোকৰ মুখত সঘনাই তেখেতৰ বহুমুখী প্ৰতিভাৰ বিষয়ে শুনি থকাৰ ফলত সাধু সাধু যেন লগা আতাৰ দুই এটি ঘটনা আজিও মোৰ মানস পটত জলজল পটপটকৈ জিলিকি আছে।

ভূঞা আতা আছিল বৰ শক্তিমন্ত পুৰুষ। এবাৰ তেখেতে আমাৰ পদুলিমুখেৰে পল্লা গাওঁৰ পৰা এডাল বাঁহত ভাৰ কৰি দুমোন (৮০ কিলোগ্ৰাম) ধান অকলে কঢ়িয়াই আনিছিল। তেখেতে তেনেকৈ ইমান গধুৰ ভাৰ বৈ অনা বাবে আমাৰ পিতাই কৈছিল— "হেৰা পণ্ডিত! তুমি বাৰু এনেকৈ দুমোনী ভাৰ বব লাগিছে কিয়? আমিবোৰ নাই নে?" আতাৰ সেই কাণ্ড দেখি মোৰ শিশু মনত ৰামায়ণৰ বীৰ হনুমানে পৰ্বত ডাঙি অনাৰ দৃশ্য ভাহি উঠিছিল।

আকৌ এদিন ভূঞা আতাই অকলে এডাল কদম গছ কাটি আছিল। সিদিনা আমি হৰবালা বাইৰ ঘৰলৈ ফুৰিবলৈ গৈছিলো। বাইহঁতৰ ঘৰ ভূঞা আতাৰ ঘৰৰ কাষতে। তেখেতে কাটি থকা গছডাল হালি গৈ এজোপা নাৰিকলৰ পুলিৰ ওপৰত পৰো পৰো অৱস্থা; আতাই ততাতয়াকৈ গৈ গছডাল কান্ধ পাতি ধৰিলে। আতাৰ কাণ্ড দেখি আমি হতবাক হৈছিলোঁ। লগে লগে মনত পৰিল মহাভাৰতৰ ভীমৰ বিক্ৰমৰ কথা।

মাছ ধৰাত আতা আছিল বৰ পাকৈত। তেখেতৰ জাকৈ খনো আছিল প্ৰকাণ্ড ডাঙৰ। তেখেতৰ মাছ ধৰা সঁজুলিবোৰবো চেহেৰাৰ লগত মিলা আছিল। মাছ ধৰাত আতা যেনেদৰে পাকৈত আছিল, তেনেদৰে খোৱাতো আছিল তথৈবচ। মই দেখা নাই যদিও পিতাৰ মুখত শুনিছিলো যে এবাৰ হেনো লগভাত (প্ৰীতি

ভোজন) খাওঁতে আতাই হেনো পাঁচ/ছয় জনৰ ভাত অকলে খাইছিল। তেনেহলে আতা খোৱাৰ ক্ষেত্ৰতো বৃকোদৰতকৈ কম নাছিল।

আমি সৰু থাকোঁতে আল্পা নদীত নাওঁখেলৰ প্ৰতিযোগিতা হৈছিল। সেই প্ৰতিযোগিতাত প্ৰায় প্ৰতি বছৰে আমাৰ গাঁৱৰ দলে বিজয়ী হৈছিল। এই বিজয়ৰ আঁৰত আছিল ভূঞা আতাৰ দুবাহুৰ বল আৰু গুৰি বঠা সঞ্চালন কৰা কৌশল। কাৰণ তেখেত আছিল নাঁৱৰ গুৰিয়াল আৰু বাইচাক মতলীয়া কৰিব পৰাকৈ নাওঁখেলৰ গীত দিয়া পাঠক।

ভূঞা আতা আছিল গাঁৱৰ মুখ্য পাঠক। তেখেতে বজোৱা ভোৰ তালযোৰ আছিল ওঠৰ পোৱাৰ (প্ৰায় ৫ কিলো)। সেই তালযোৰ আমি সৰুবোৰে চুইহে চাইছিলোঁ। আতাই সেইযোৰ তাল বাৰু দুপৰ নিশালৈ বজাইছিল কেনেকৈ ? ভাবিলে আচৰিত যেন লাগে।

গাঁৱৰ বয়োবৃদ্ধ লোকে আজিও কৰ্ম বিমুখ ডেকাবোৰক কয়— "তহঁতে গাঁৱৰ চুপাৰ ভীমকৰ্মা ৰূপৰাম ভূঞাক দেখা নাই ? তেখেতে জনক ৰজাৰ দৰে হাল বাইছিল, মাছ মাৰিছিল, খড়ী লুৰিছিল, শিক্ষকতা কৰিছিল, সমবায় দোকান চলাইছিল, নাওঁ খেলিছিল, বৰগীত গাইছিল আৰু ভাওনাত ভাও দিছিল।' নাম-প্ৰসঙ্গ আৰু সংকীৰ্তনৰ ওজা আছিল।

পঢ়া কথা ওলালে কয়—তাহানি ৰূপৰাম ভূঞাই সুদূৰ বৰপেটাত গৈ জতলগা মহাজনৰ (বৰপেটাৰ বিলোতাৰি হাটীৰ অচ্যুত মহাজনৰ পিতৃ) আশ্ৰয়ত বৰপেটা চৰকাৰী হাইস্কুলত পঢ়িছিল। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ৺মহেন্দ্ৰ মোহন চোধুৰী, ৺উপেন দাস আদি তেখেতৰ সহপাঠী বন্ধু আছিল। পিছত সুখ্যাতিৰে যোৰহাটত গুৰু ট্ৰেইনিং পাছ কৰি বৰপেটা দলাহাটী এল. পি. স্কুলত শিক্ষকতা জীৱনৰ পাতনি মেলে। তেখেতে তাত থাকোতে



বিদেশী দ্ৰব্য বৰ্জন আন্দোলনৰ নেতৃত্ব দিছিল। জীৱনৰ আদিকাল ছোৱা বৰপেটাত কটাই গাওঁলৈ বদলি হৈ অহাৰ বাবে মহকুমাৰ সদৰ কাৰ্য্যালয়ত (বৰপেটাত) গাওঁবাসীৰ কৰিবলগীয়া কামবোৰত সহায় কৰাৰ সুবিধা পাইছিল। তেখেতে গাওঁলৈ আহিয়েই গাওঁ-খনৰ আমোল পৰিবৰ্তন সাধিছিল। গাওঁবাসীক একতাৰ দোলেৰে বান্ধি উন্নয়নমূলক কামৰ প্ৰতি অনুপ্ৰাণিত কৰিছিল।

এইজনা শক্তিমন্ত পুৰুষৰ হৃদয় আছিল প্ৰেমেৰে উপচি পৰা, স্বভাৱ আছিল শিশুসুলভ। মিষ্টভাষী আতা আছিল সকলোৰে বিশ্বাসভাজন সৰল প্ৰকৃতিৰ দৰদী ব্যক্তি। আজিলৈকে মোৰ জীৱনত স্বৰ্গীয় ভূঞা চাৰৰ দৰে কৃতী আদৰ্শৱান শিক্ষক লগ পোৱাৰ সৌভাগ্য ঘটা নাই। তেখেতে ছাত্ৰ-ছাত্ৰীৰ অসুখ-বিসুখ হ'লে ঘৰলৈ গৈ খবৰ-খাতিৰ কৰিছিল। দুখীয়া ছাত্ৰ-ছাত্ৰীক কিতাপ-পত্ৰ, কানি-কাপোৰ দি সহায় কৰিছিল। ছাত্ৰ-ছাত্ৰীয়ে ঘৰত পুৱা-গধূলি পঢ়া-শুনা কৰে নে নাই - সেইটো অনুসন্ধান কৰিছিল।

এনেবোৰ কাৰণতেই সেইজনা মহান ব্যক্তি মোৰ মানত আদৰ্শৰ প্ৰতীক আৰু অনুপ্ৰেৰণাৰ উৎস হিচাবে আজিও জীয়াই আছে। সেই সৰ্বগুণী জ্ঞানী পুৰুষ গৰাকীৰ বিষয়ে দুষাৰ লিখিবলৈ পাই নিজকে ধন্য মানিছোঁ।

——

# ॥ স্বনামধন্য কৃতী শিক্ষক ৺ৰূপৰাম ভূঞাৰ জন্মস্থান আৰু পূৰ্বপুৰুষৰ ইতিবৃত্ত ॥

শ্ৰীজয় চন্দ্ৰ ভূঞা
অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ,
সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়

১৯০২ চনত জন্ম লাভ কৰা আমাৰ "ভূঞা পণ্ডিত" নামে জনাজাত স্বৰ্গীয় ৰূপৰাম ভূঞা (সম্বন্ধত মোৰ আতা) নাম-শালাৰ এজন কৃতী সন্তান আছিল। তেওঁ প্ৰাথমিক স্কুলৰ শিক্ষক হিচাবে জীৱিকা আৰম্ভ কৰি গাঁৱতে বসবাস কৰি শিক্ষকতা জীৱনৰ এটা অংগ হিচাবে লৈ জীৱনৰ সোণালী দিনবোৰ অতিবাহিত কৰিছিল। আজি হেড্‌পণ্ডিত বুলিলে যেনেদৰে আমি স্বৰ্গীয় হৰিচৰণ তালুকদাৰদেৱক বুজোঁ, ঠিক তেনেদৰে তেতিয়া "ভূঞা পণ্ডিত" বুলিলে ৰূপৰাম ভূঞাদেৱক বুজাইছিল। সেই সময়ত তেওঁ কেৱল গাঁওখনৰেই যে কেন্দ্ৰবিন্দু আছিল তেনে নহয়; তেওঁ গোটেই সৰুক্ষেত্ৰী অঞ্চলৰে এজন আগশাৰীৰ নেতা আছিল। স্বাধীনতা আন্দোলনৰ নেতৃত্ব দিছিল আৰু সেই সময়ৰ নেতৃবৃন্দৰ লগত গাঁৱে-ভূঁয়ে সংগঠনৰ কামত সভা-সমিতি পাতি ফুৰিছিল। স্থানীয় সভা-সমিতি আৰু উৎসৱ-পাৰ্বণ সকলোতে তেওঁ আগস্থান পাইছিল। কাষলতিৰ তলত খঞ্জৰীটো লৈ সভা-সমিতিলৈ গৈছিল আৰু বৰগীত, লোকগীত, দেহবিচাৰৰ গীত আদি গাই সকলোৰে মন-মুহিবলৈ সক্ষম হৈছিল। নাম-প্ৰসঙ্গতো তেওঁৰ পটুতা আছিল উল্লেখনীয়। ভোৰতাল যোৰ লৈ যেতিয়া নামৰ মাজত পদ গাই গাই নানা কৌশল প্ৰয়োগ কৰি তাল বজাইছিল সেই নাচ-ভঙ্গিমা আৰু পদৰ লহৰে বাটৰুৱাকো ক্ষন্তেক ৰৈ চাবলৈ বাধ্য কৰাইছিল।



শিক্ষক হিচাবে তেওঁ এজন কৃতী শিক্ষক আছিল। স্কুলত আমাক আখৰৰ লগত চিনাকি কৰি দিয়া প্ৰথম শিক্ষকজন আছিল ভূঞা চাৰ। আখৰৰ ভাজবোৰ কেনেদৰে দিব লাগে ছবিৰ সহায়ত শিকোৱা কথা আজিও ৰিণিকি ৰিণিকি মনত পৰে। তেওঁৰ মৰম লগা চাৱনি, মনোমোহা হাঁহি আৰু অমায়িক আচৰণে সকলোকে মুহি পেলাইছিল। ছাত্ৰৰ ওপৰত কিন্তু স্কুলৰ বাহিৰেও বাটে-ঘাটে, ঘৰে-দুৱাৰে তীক্ষ্ন দৃষ্টি ৰাখিছিল। এদিনৰ কথা। আমি সৰু যদিও (১০/১১ বছৰীয়া) তাচ্ খেলা শিকিবলৈ যত্ন কৰিছোঁ। এঘৰ মানুহৰ চাং গোহালিত আমি চাৰিজন সমনীয়াই তাচ্‌পাত লৈ শিকাত মত্ত। বাৰীৰ চুকৰ গোহালি ঘৰ কোনোৱে নেদেখে। আমাৰ মনোযোগ তাচ্‌পাতত, ভূঞা চাৰে কেতিয়া যে আমাৰ কাষ পালে কোনোজনে উমানেই নেপালোঁ। আমাক ধৰিব খোজাৰ লগে লগে তিনিজনে একেলগে ওচৰতে তলত থকা গোবৰৰ দমত জঁপিয়াই পৰিলোঁ। চতুৰ্থজনৰ চুলিত ধৰিলে যদিও তাকো ৰাখিব নোৱাৰিলে; পিচলি গৈ সিও আমাৰ ওপৰতে জঁপিয়াই পৰিল। আটাইকেইজনে গোবৰেৰে গা ধোৱা যেন হলোঁ। তেওঁ আমাৰ অৱস্থা দেখি হাঁহিবলৈ ধৰিলে আৰু নামাৰো বুলি কৈ আমাক উঠি আহিবলৈ ক'লে। আমি গোবৰৰ মাজেৰে লৰি-ঢাপৰি পলাই পত্ৰং দিলোঁ। ইয়াৰ পাছত কেবাদিন ধৰি স্কুলক নোযোৱাত আমাৰ ঘৰলৈ আহি আমাক বুজোৱা কথা আজিও মনত আছে। তেওঁ কৈছিল—"তাচা, পাশা সৰ্বনাশা" আৰু "পঢ়ে, পঢ়ুৱায়, ৰোৱে পাণ, এই তিনি নিচিন্তে আন।" আমি তেতিয়াৰে পৰাই তাচ্ পাত নোচোওঁ বুলি প্ৰতিজ্ঞাবদ্ধ হওঁ। ইয়াৰ কিছুদিন পিছতে তেওঁ আন এখন স্কুললৈ বদলি হোৱাত আমি তেওঁৰ শিক্ষাৰ পৰা বঞ্চিত হওঁ।

শিক্ষকতাকে তেওঁৰ জীৱনৰ ব্ৰত হিচাবে লৈছিল যদিও গাওঁখনক

সু-সংগঠিত কৰি ৰখাৰ কথাত, গাওঁখনৰ উন্নয়নমূলক কাম-কাজ কৰাৰ কথাত অধিক গুৰুত্ব দিছিল আৰু ঐকান্তিকভাবে আত্মনিয়োগ কৰিছিল। এইখিনিতে তেওঁৰ জন্মস্থান নামশালা গাঁৱৰ এটি চমু পৰিচয় দাঙি ধৰিব খুজিছোঁ।

নামশালা গাওঁ বৰপেটা মহকুমাৰ সৰুক্ষেত্ৰী মৌজাৰ এখন প্ৰখ্যাত গাওঁ নহলেও এই গাওঁখনৰ বিশেষ বৈশিষ্ট্য আছে। অসমত "বাৰভূঞা" নামে জনাজাত ভূঞা সম্প্ৰদায়ৰ এটা ঠালে নগাওঁ জিলাৰ কুঁজিদাহত বসতি কৰিছিল। ছুটি ভূঞা আছিল তাৰ আদি পুৰুষ। তেখেতৰে এজন পুত্ৰ ভকত চৰণ ভূঞাই নামশালালৈ আহি বসতি কৰিবলৈ লয়। ভকত চৰণ ভূঞাই দামোদৰদেৱৰ শিষ্য মনোহৰ দেৱৰ ওচৰত শৰণ লয় আৰু গাওঁত এখন সত্ৰ পাতি শলা-বন্তি জ্বলোৱাৰ দায়িত্ব মেধি পৰিয়ালক দিয়ে। এই শলা-বন্তিৰ পৰাই গাওঁখনৰ নাম "নামশালা" হোৱা বুলি অনুমান কৰা হয়। ভূঞা পৰিয়ালে ১৭২৬ খৃষ্টাব্দত ইয়ালৈ আহি বসতি কৰা বুলি মজহৰ ফলিত উল্লেখ আছে। এতিয়া এই ভূঞা পৰিয়ালৰ সংখ্যা ১২ কুৰি ঘৰ মান হৈছে। এই ভূঞা পৰিয়ালৰ উপৰিও কাকতি, দেউৰী, লহকৰ, ৰাজবংশী আদি পৰিয়াল এই গাঁৱত আনি বহুৱাইছিল আৰু তেওঁলোকৰো পৰিয়াল বৃদ্ধি হৈ এতিয়া গাওঁখনত ৩৫০ ঘৰমান হৈছে।

এই গাঁৱৰ আন এটি বিশেষ ঐতিহ্য হ'ল "বৰনাম"। নামশালা গাঁৱৰ নামটোৰ লগত ইয়াৰ ৰজিতা মন কৰিবলগীয়া। সৰুক্ষেত্ৰী মৌজাৰ ৬৩ খন গাঁৱক নিমন্ত্ৰণ কৰি অনাৰ উপৰিও ওচৰ চুবুৰীয়া গাওঁ কিছুমানকো এই বৰনামলৈ নিমন্ত্ৰণ কৰা হৈছিল। প্ৰতিখন গাঁৱৰ ৰাইজে ভোৰতাল লৈ নামলৈ আহি ইখনৰ পাছত সিখন গাঁৱৰ মানুহে নাম গাই যি এক পবিত্ৰ আৰু আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি কৰিছিল তাক দেখাসকলেহে অনুভৱ কৰিব পাৰে। সেয়া কি এক মহান ঐতিহ্য! ই কেৱল গাওঁখনৰে একতা সংহতি ৰক্ষা কৰাত সহায় কৰা নাছিল, ইয়াৰ জৰিয়তে মৌজাখনতো এক মিলা প্ৰীতিৰ ভাব গঢ়ি উঠিছিল। এই বৰনাম কোনে কেতিয়া আৰম্ভ কৰিছিল তাৰ সঠিক বিবৰণ পোৱা নাযায়। কিন্তু আমি দেখাত ভূঞা চাৰে ইয়াৰ গুৰি ধৰি গাওঁখনক সংগঠিত কৰি 'বৰনাম' পৰিচালনা কৰিছিল। কিন্তু আজি কিছু বছৰৰ পৰা এই বৰনাম সীমিত কৰি গাওঁ-খনৰ মাজতে আবদ্ধ কৰি বছৰে বছৰে তিথি হিচাবে পালন কৰি অহা হৈছে। গাঁৱৰ অৰ্থনৈতিক দুৰ্বলতাই ইয়াৰ মূল কাৰণ বুলি ক'ব পাৰি।

শিক্ষা ব্যৱস্থাৰ দিশতো গাওঁখনৰ এটি বিশেষ ঐতিহ্য আছে। এই গাঁৱৰে শুভোৰাম পণ্ডিতে (স্বৰ্গীয় কালিপদ ভূঞাৰ ককাদেউতা) নিজৰ ঘৰতে ইং ১৮৭০ চনত প্ৰাথমিক স্কুল আৰম্ভ কৰি বৰপেটা মহকুমাৰ ভিতৰতে প্ৰথম শিক্ষা লাভ কৰাৰ বাট সুগম কৰিছিল এই স্কুলখনতে ভূঞা চাৰে আমাক ক, খ শিকাই চকু মুকলি কৰিছিল। তেওঁ গাওঁখন সু-সংগঠিত কৰি ৰখাৰ বাবে জান-প্ৰাণ দি খাটিছিল। তেওঁৰ যত্নতে "নামশালা গাওঁ কৰ্ম সাধিনী সভা" (বৰ্তমান নামশালা গাওঁ পৰিচালনা সমিতি) গঠন হৈছিল আৰু ইয়াৰ জৰিয়তে গাঁৱৰ সকলো কাম পৰিচালনা কৰিছিল। স্কুল-ঘৰ সজা, ৰাস্তা-ঘাট নিৰ্মাণ, কীৰ্তন ঘৰ নিৰ্মাণ আদি সকলো কামতে তেওঁ আগভাগ লৈ কাম কৰি যোৱা আমি নিজ চকুৰে দেখিছো। প্ৰাক্‌স্বাধীনতা কালত এখন সমবায় পাতি এটি গুৰুত্ব পূৰ্ণ পদবী লৈ সমাজৰ উন্নতিত অৰিহণা যোগাইছিল। গাঁৱত কোনো বিভাজনমুখী ঘটনা উদ্ভৱ হলেই তাক যি কোনো উপায়ে নিৰ্মূল কৰিবলৈ চেষ্টা কৰিছিল। কৃতী শিক্ষক, সমাজ সেৱক, ভাল গায়ক আৰু তেনেকুৱা ৰসিক পুৰুষ কমেই গাঁৱত জন্মগ্ৰহণ

কৰে। আমি তেওঁক পায়ো অকালতে হেৰুৱালো। এইয়া আমাৰেই দুৰ্ভাগ্য। ইং ১৯৪৬ চনত দেশ গভীৰ সংকটৰ সন্মুখীন, এনে এটা সময়তে আমাক কন্দুৱাই ভূঞা চাৰে ইহলীলা সম্বৰণ কৰিলে। সেইদিনা আমাৰ গাওঁখনৰ লগতে বৃহত্তৰ সৰুক্ষেত্ৰী অঞ্চলটোতে কেনেভাৱে শোকৰ ছাঁ পৰিছিল, তাক আজিও মনত পৰিলে হতাশাত মন ভাঙি পৰে। এই মহান পুৰুষজনক আজি এই মুহূৰ্তত সুঁৱৰিবলৈ পাই সঁচাকৈয়ে নিজকে ধন্য মানিছোঁ। ভূঞা চাৰৰ আত্মাই চিৰশান্তি লাভ কৰক—এয়ে কামনা।

ওঁম্ শান্তি! শান্তি!! শান্তি!!!

—০—

ব্যক্তিৰ চৰিত্ৰৰ ওপৰতেই সমাজ একোখনৰ উজ্জ্বল ভৱিষ্যত নিৰ্ভৰ কৰে।

—কোনিং

মানুহৰ গভীৰত্ব সাগৰৰ দ্বাৰা জোখা নহয়, জোখা হয় অভিজ্ঞতাৰ দ্বাৰা।

—ৰাস্কিন

আমি যি জানো, সি অতি সামান্য। আমি যি নাজানো তাৰ সীমা নাই।

—পাথালচ

# নামশালা গাঁও কৰ্মসাধিনী সভাৰ প্ৰতিষ্ঠাপক পূজ্যপাদ ৺ভূঞা চাৰৰ পৱিত্ৰ সোঁৱৰণত—

শ্ৰীহেমকান্ত ভূঞা
কাঁহ-শিল্পী / ব্যৱসায়ী, নামশালা

জয় জয়তে পৰম পূজনীয় শিক্ষাগুৰু ৺ৰূপৰাম ভূঞাদেৱলৈ তেখেতৰ এটি স্বৰচিত জনপ্ৰিয় গীতেৰে মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিবলৈ বিচাৰিছোঁ। কিয়নো পাকা-সৰুক্ষেত্ৰী মৌজাৰ পুৰণিচাম শিক্ষকে এতিয়াও শ্ৰদ্ধাৰে গোৱা সেই গীতটো শুনিলে বা মনত পৰিলে চাৰৰ সভা শুৱনি হাঁহিভৰা ধুনীয়া মুখখনি মোৰ মানস পটত ভাহি উঠে। চাৰৰ সোঁৱৰণীৰ সাকোঁ স্বৰূপ সেই যুগজয়ী গীতটি হ'ল—

অ' ভাই পণ্ডিত বিষয়াৰ দণ্ডিত
ধাতু উঁৰি যাই তোৰ,
জ্ঞান চক্ষু মেলি নাচাই পণ্ডিত হলি
দুখৰে নপৰে ওৰ। ভাই পণ্ডিত…. ….
সিংহৰ আৰাৱে ব্যাঘ্ৰ-হস্তী সৰে
ভাগি পালে পালে যান,
সিমতে পণ্ডিতে অজ্ঞানতা নাশে
দিয়ে জ্ঞান চকু দান।
হেন অথন্তৰ দেখি পণ্ডিতৰ
অন্যে খলখলি হাসে,
পণ্ডিতৰ দুখ কান্দিয়া কহয়
মুৰুখ ৰূপৰাম দাসে।

এবাৰ এখন শিক্ষক-সন্মিলনীৰ সভাত এই গীতটি পৰিৱেশন কৰোঁতে বৰপেটা লোকেল ব'ৰ্ডৰ চেয়াৰমেন ৺ধনীৰাম তালুকদাৰদেৱে তেখেতক ভূৰি ভূৰি প্ৰশংসা কৰাৰ উপৰিও নগদ ধনেৰেও পুৰস্কৃত কৰিছিল। চাৰে সেই পুৰস্কাৰ গ্ৰহণ কৰি দাতাক ধন্যবাদ জনাই আত্ম-পৰিতৃপ্তি প্ৰকাশ কৰা হাঁহিভৰা মুখমণ্ডল আজিও মোৰ চকুৰ আগত জল্‌জল পট্‌পটকৈ উজ্বলি আছে।

ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতিৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি ৺ভূঞাদেৱক জীৱিত কালত আমি কেনেদৰে লগ পাইছিলোঁ, জানিছিলোঁ আৰু বুজিছিলোঁ, তাকে সংক্ষিপ্ত ভাবে লিখো বুলি বহুদিনৰ মূৰত হাতুৰি ধৰা হাতত কলম তুলি ললোঁ। তেনেকুৱা এজন ক্ষণজন্মা আদৰ্শ পুৰুষৰ বিষয়ে বহু কথা জানোঁ যদিও মোৰ পক্ষে লিখা কথা সহজ সাধ্য নহয়। কিয়নো মই হলো এজন অতি কম লিখা-পঢ়া জনা মানুহ। তথাপিতো সীমিত জ্ঞান বুদ্ধিৰে যি জানো তাকে লিখিবলৈ অগ্ৰসৰ হলোঁ।

আমি তেতিয়া ১নং নামশালা প্ৰাইমাৰী স্কুলত পঢ়ো। সেই সময়ত নামশালা আৰু পল্লা গাঁৱৰ ভিতৰত মাত্ৰ এখন স্কুল। স্কুলখনত তিনিজন শিক্ষক আছিল। তেখেতসকল হ'ল—মাননীয় ৺ৰূপৰাম ভূঞাদেৱ, আমুখোৱাৰ ৺সনামল দাসদেৱ আৰু লচিমাৰ ৺হেমকান্ত গোস্বামীদেৱ। ভূঞা চাৰ আৰু দাস চাৰ সমবয়সীয়া আৰু গোস্বামী চাৰ অলপ ডেকা। তিনিওজনেই আমাক অতি আন্তৰিকতাৰে শিক্ষাদান কৰিছিল। অৱশ্যে ভূঞা চাৰৰ শিকোৱা পদ্ধতি অলপ ব্যতিক্ৰম আছিল। তেখেতে পাঠ্যপুথি পঢ়াওঁতে আমাৰ মনোযোগ আকৰ্ষণ কৰাবলৈ ছবি, মেপ আদি দেখুৱাইছিল, মাজে মাজে হিতোপদেশৰ সাধু কৈছিল আৰু আমাকো সাধু কবলৈ দিছিল। আমনি লগা যেন পালে ৰসিক কথাৰে হহুৱাইছিল আৰু কেতিয়াবা কেতিয়াবা সাঁথৰ সুধি বিবুধিতো পেলাইছিল।



কচৰৎ কৰাইছিল আৰু খেলিবলৈ দিছিল। আমি তেতিয়া প্ৰথম মানত পঢ়িছিলোঁ যদিও কথাবোৰ ভালদৰে মনত আছে। কাৰণ তেতিয়াৰ দিনত প্ৰথম মান পোৱাৰ আগতে "ক-মান", "ডাঙৰ ক-মান" আৰু "খ-মান" পঢ়িব লাগিছিল। তাৰোপৰি সেই সময়ত ল'ৰা-ছোৱালী বিলাকেও অলপ ডাঙৰ হ'লেহে স্কুললৈ গৈছিল।

এদিনাখনৰ কথা। চাৰে আমাক গৰুৰ বিষয়ে এখন ৰচনা লিখি বহীৰ লেবেলত ধুনীয়াকৈ নিজৰ নাম, শ্ৰেণী আৰু ৰোল নম্বৰ লিখি নিবলৈ দঢ়াই দঢ়াই কৈছিল। কথামতে কাম। পিছ দিনা ৰচনা লিখি নি চাৰৰ হাতত জমা দিলোঁ। তেখেতে বহীবোৰ চাই-চিতি আমাক টেবুলৰ ওচৰলৈ মাতি নি সুধিলে যে আমি কিয় "বৰ্মণ" উপাধি লিখিছো। সেই সময়ত আকৌ আমাৰ দেউতাহঁতে নগুণ লৈ বৰ্মণ লিখিবলৈ লৈছিল। কাৰো পৰা একো উত্তৰ নাপাই চাৰে আমাক আমাৰ পূৰ্বপুৰুষ সকলৰ বিষয়ে কলে যে, আমি হেনো বুৰঞ্জীবিখ্যাত "বাৰভূঞা" ঠালৰ ৺ছুটিৰাম ভূঞাৰ পুত্ৰ ৺ভকতচৰণ ভূঞাৰ বংশধৰ। ৺ভকতচৰণ ভূঞাদেৱে কোন চনত ইয়ালৈ আহি এই গাওঁ স্থাপন কৰিলে আৰু আমাৰ গাঁৱৰ নাম কিয় নামশালা হ'ল ইত্যাদি কথাবোৰ চাৰে সিদিনা আমাক আঁতিগুৰি মাৰি বুজাই কলে। গতিকে আমি "ভূঞা উপাধি"হে লিখিব লাগে। সিদিনাৰ পৰা আমি ভূঞা লিখিবলৈ ললোঁ।

১৯৮৮-৮৯ চনত গাওঁ পৰিচালনা সমিতিয়ে "নামশালা গাঁৱৰ বংশাৱলী আৰু চমু ইতিহাস" প্ৰণয়ন কৰিবলৈ লোৱা সিদ্ধান্ত-মৰ্মে আমি যেতিয়া আমাৰ পূৰ্বপুৰুষৰ জন্মস্থান নগাঁৱৰ কুঁজিদাহ আৰু ৺ছুটিৰাম ভূঞাৰ কণিষ্ঠ পুত্ৰৰ বাসস্থান বেজেৰালৈ যাওঁ তেতিয়া তাত গৈ গম পালো যে ইং ১৯৩২-৩৩ চন মানতেই ৺ভূঞাদেৱে হেনো তালৈ পূৰ্বপুৰুষৰ বিষয়ে সবিশেষ জানিবলৈ আৰু বংশাৱলী আনিবলৈ গৈছিল। কথাটো শুনি তেখেতৰ প্ৰতি

শ্ৰদ্ধা আৰু ভক্তিত আমাৰ শিৰ নত হৈছিল। কিয়নো যিটো কথা আমি এতিয়া চিন্তা কৰিছোঁ, সেই কথাটো ৺ভূঞা চাৰে তাহানিতে চিন্তা কৰিছিল আৰু নানা আলৈ-আহুকালৰ মাজতো গাওঁখনৰ স্বাৰ্থত এনেকুৱা এটি কষ্টসাধ্য দুৰূহ কাম কৰিবলৈও তেখেতে চেষ্টা কৰিছিল।

আমাৰ গাঁৱৰ বংশাৱলী শ্ৰদ্ধেয় শ্ৰীযুত অৰুণ চন্দ্ৰ ভূঞাৰ ককাদেউতাক ৺শুভোৰাম ভূঞাদেৱে প্ৰথম লিপিবদ্ধ কৰি সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰে। পিছত সেই লেখা বেয়া হবলৈ ধৰাত তেওঁৰ পুত্ৰ ৺পীতাম্বৰ ভূঞা (পণ্ডিত) ৰ দিনত এখন অতি ডাঠ সাঁচিপাত লেখীয়া কাকতত ৺ৰূপৰাম ভূঞাদেৱৰ হতুৱাই পুনৰ লিখন কৰায়। এই তথ্য প্ৰত্যক্ষদৰ্শী শ্ৰীযুত অৰুণ চন্দ্ৰ ভূঞাদেৱে আমাৰ আগত ব্যক্ত কৰে আৰু সেইমতে উক্ত বংশাৱলীৰ কপিটো উঁই-পোকে কুটা অৱস্থাত পোৱা হৈছে।

৺ভূঞা চাৰ সঁচাকৈয়ে গাওঁবাসীৰ পৰম হিতাকাংখী বন্ধু আছিল। তেখেতে বন্ধৰ দিনত যেনে তেনে গাওঁখনৰ ইমূৰৰ পৰা সিমূৰলৈ এপাক মাৰি সকলো পৰিয়ালৰে খা-খবৰ লৈছিল। বিশেষকৈ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ তাগিদা দিছিল আৰু আপদে-বিপদে সহায়-সাহায্য কৰিছিল। সেই সময়ত আমাৰ গাঁৱৰ প্ৰায়বোৰ মানুহে খৰালিৰ মাহ কেইটা অইন জিলালৈ গৈ কাঁহৰ বাচন গঢ়াই প্ৰবাস খাতিছিল। গতিকে ভূঞা চাৰে তেনেদৰে খা-খবৰ কৰি গাওঁখনৰ এগৰাকী দায়িত্বশীল অভিভাৱকৰ কৰ্তব্য পালন কৰিছিল।

আমি দ্বিতীয় মান পাওঁতেই চাৰে কাৰাকুছি প্ৰাইমাৰী স্কুললৈ বদলি হৈ গ'ল ; আৰু আমি তেখেতক ঘনিষ্ঠ ভাৱে লগ নোপোৱা হলো । কেতিয়াবা নাম-প্ৰসঙ্গ, মেল-মিটিং বা ৰাজহুৱা কাম-কাজতহে দেখিছিলোঁ। তাৰ পিছত ইং ১৯৪২-৪৩ চনত যেতিয়া



তেখেতে অশেষ কষ্ট স্বীকাৰ কৰি আমাৰ গাঁৱত সমবায়ৰ দোকান খুলিলে, তেতিয়া অৱশ্যে সদায় লগ পোৱা হলোঁ। কিয়নো দোকানখন আমাৰ ঘৰৰ সন্মুখৰ তিনি আলিৰ কেঁকুৰিতে স্থাপন কৰিছিল। শ্ৰীযুত গঙ্গা নাথ ভূঞাক সহকাৰী হিচাবে লৈ তেখেতে মেনেজাৰ ৰূপে সেই দোকানখন বহুদিনলৈ সুকলমে চলাইছিল। দ্বিতীয় মহাযুদ্ধৰ পিছত বস্তু-বেহানিৰ জুই-চাই দাম হৈছিল। চাৰে গাওঁবাসীৰ সুবিধাৰ্থে সেই দোকানখন পাতি কম উপকাৰ কৰা নাছিল। সেই সময়ছোৱাতে মোৰ মাতৃ বিয়োগ হোৱা বাবে স্কুল এৰি পিতৃ পুৰুষৰ বৃত্তি অৱলম্বন কৰিবলৈ বাধ্য হৈ কাঁহ কোবাবলৈ অৰ্থাৎ কাঁহৰ বাচন গঢ়োৱা কৰ্মত প্ৰবৃত্ত হৈছিলোঁ আৰু পিতৃৰ অসুস্থতাৰ বাবে ঘৰতে থাকিবলৈ বাধ্য হৈছিলোঁ। গতিকে মোৰ তেতিয়া তেখেতক অতি ঘনিষ্ঠ ভাৱে লগ পোৱাৰ সৌভাগ্য ঘটিছিল। তেখেতে মোক স্কুলত পঢ়োৱা দিনৰ পৰাই বৰ মৰম কৰিছিল, সেয়েহে সদায় গধূলি পৰত দোকানলৈ মাতি নি কাষত বহুৱাই লৈ বৰগীত শিকাইছিল, সাৰুৱা উপদেশ মূলক সাধুকথা কৈছিল আৰু গাঁৱৰ স্বাৰ্থত কাম কৰিবলৈ অনুপ্ৰাণিত কৰাইছিল।

গাওঁখনৰ সৰ্বাঙ্গীন উন্নতি কল্পে ভূঞা ডাঙৰীয়াই আগবঢ়োৱা আটাইতকৈ উল্লেখনীয় আৰু চিৰস্মৰণীয় অৱদানটো হ'ল—"নামশালা গাওঁ কৰ্মসাধিনী সভা"—যি কৰ্মসাধিনী সভাখন আজিও "গাওঁ পৰিচালনা সমিতি" হিচাবে কাৰ্য নিৰ্বাহ কৰি আছে। তেখেতে বৰপেটাৰ পৰা বদলি হৈ আহি নিজ গাঁৱত স্থায়ীভাৱে থাকিবলৈ লোৱাৰ পৰাই গাঁৱৰ মুখীয়াল সকলক লগ লগাই ১৯৩৩ চনত "নামশালা গাওঁ কৰ্মসাধিনী সভা" গঠন কৰি সেই সময়ৰ শিক্ষিত কৃষক ৺হৰমোহন ভূঞা (সাদাগৰ)ক সম্পাদকৰ দায়িত্ব দিয়ে। নিজে মুখ্য পৃষ্ঠপোষক বা উপদেষ্টা হিচাবে থাকি গাওঁখনৰ ৰাস্তা-ঘাটৰ

মেৰামতি, উন্নয়ন আৰু নামঘৰ, স্কুলঘৰ আদি নিৰ্মাণ কৰিবলৈ লয়। গাওঁখনৰ যিকোনো সমস্যাকে এই সভাৰ জৰিয়তে সম্পূৰ্ণ পঞ্চায়তী পদ্ধতিৰে গণতান্ত্ৰিক ভাৱে মীমাংসা কৰিছিল। এই সকলোবোৰ কথা সমিতিৰ কাৰ্য্যবিৱৰণী বহীত সুন্দৰভাৱে লিখি থোৱা আছে।

মই গাওঁ পৰিচালনা সমিতিৰ সভাপতি ৰূপে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছত সেই বহীটো সমিতিৰ নিয়ম-নীতি বুজি লোৱাৰ বাবে ৺কালিপদ ভঞাদেৱে মোক দিছিল। কাৰণ ৺হৰমোহন ভূঞাৰ পিছত তেখেতে সভাৰ সম্পাদকৰ দায়িত্বভাৰ বহন কৰিছিল। সেই বহীটো মই অধ্যক্ষ শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ ভূঞাৰ হাতত অৰ্পণ কৰিছো। কাৰ্যবিৱৰণী বহীখনত সেই সময়ৰ বৰপেটা মহকুমাৰ উচ্চ পৰ্য্যায়ৰ প্ৰশাসনিক বিষয়াই গাওঁ পৰিচালনা সমিতিৰ বাৰ্ষিক অধিবেশনলৈ আহোঁতে দুটা মূল্যৱান মন্তব্য লিখি থোৱাৰ লগতে প্ৰতিস্থাপক ৺ৰূপৰাম ভূঞাদেৱক প্ৰশংসা কৰি ধন্যবাদ দি গৈছিল। সেই বিষয়া দুজন আছিল—৺দুৰ্গেশ্বৰ শৰ্মাদেৱ আৰু ৺কামেশ্বৰ দাসদেৱ। কৰ্মসাধিনী সভাৰ তৎপৰতাত সেই সময়ত গাঁৱৰ ৰাস্তা-ঘাট আৰু ৰাজহুৱা অনুষ্ঠানৰ বৰ উন্নতি হৈছিল।

স্বৰ্গীয় ভূঞা ডাঙৰীয়া এজন অতি উচ্চ পৰ্যায়ৰ পাঠকো আছিল। ঘোষা-নাম, দিহা-নাম আৰু থিয়-নাম দিয়াত, নাও-খেলৰ গীত আৰু বৰগীত গোৱাত তেখেত পাৰ্গত আছিল। তেখেত যেতিয়া নামৰ মাজত থিয় হৈ হাতৰ মুদ্ৰা প্ৰদৰ্শন কৰি পদ দিছিল, তেতিয়া দৰ্শক শ্ৰোতাই বিমোহিত নহৈ নোৱাৰিছিল। মহাদেৱৰ ভাও মনা থুলন্তৰ দেহৰ অধিকাৰী সেইজনা পাঠকে যেতিয়া গলগলীয়া সুৰীয়া মাতেৰে হালি-জালি, অঙ্গী ভঙ্গী দেখুৱা—



"মৰিলোঁ মৰিলোঁ সমূলি মৰিলোঁ
জঁটিয়া ভাঙুৱাৰ তাপে, হে অ' মাই···
কিনো বিয়া দিলা বাপে, হে অ' মাই
কিনো বিয়া দিলা বাপে।
গাৱে ভস্ম-ধূলা, গলে সৰ্প মালা····
···· ···· ···· ···· ····

এই নামটি গাইছিল তেতিয়া সমজুৱাৰ চকুৰ আগত গীতত বৰ্ণিত কথা যেন বাস্তৱায়িত হৈছিল। সেই দৃশ্য আজিও স্থানীয় ৰাইজৰ মানস পটত সজীৱ হৈ আছে। তেখেতৰ লগৰ আন দুজন সুদক্ষ পাঠক হ'ল—গাঁৱৰে ৺নোমল চন্দ্ৰ কাকতি আৰু বৰ্তমানো এই অঞ্চলৰ নামি পাঠক শ্ৰীহলধৰ কাকতি। ৮৪ বছৰীয়া শ্ৰীযুত কাকতি ৺ভূঞাদেৱৰ প্ৰিয় শিষ্য আছিল।

৺ভূঞাদেৱে স্বাধীনতা আন্দোলনত স্থানীয় ৰাইজৰ নেতৃত্ব বহন কৰিছিল। সংগঠনৰ কামত অহা নেতাসকলে তেখেতৰ ঘৰতে বাহৰ পাতিছিল। বৰপেটা মহকুমাৰ প্ৰমুখ শীৰ্ষস্থানীয় নেতাৰ লগত তেখেতে সম্পৰ্ক ৰাখি চলিছিল।

ভূঞা চাৰ আছিল মাক-দেউতাকৰ একমাত্ৰ সন্তান। তেখেতৰ এজন ভায়েক থকা বুলি শুনিছিলোঁ। কিশোৰ অৱস্থাতে হেনো ঢুকাইছে। গতিকে চাৰ বৃদ্ধ মাক-বাপেকৰ আশা ভৰসাৰ স্থল আৰু অতি আদৰৰ আলাসৰ লাড়ু আছিল। সেয়েহে কম বয়সতে বিয়া কৰাই দিছিল; কিন্তু তেওঁলোকৰ নাতি-পুতিৰ মুখ চোৱাৰ হেঁপাহ পূৰণ নহ'ল। কিয়নো চাৰৰ প্ৰথম গৰাকী পত্নীৰ সতি-সন্ততি নাছিল। শেষত পৰিয়াল-পৰিজন, আত্মীয়-কুটুম আৰু বন্ধু-বান্ধৱৰ অনুৰোধ এৰাব নোৱাৰি তেখেতে দ্বিতীয় বিবাহ কৰায়। এনেবোৰ কাৰণতে হয়তো তেখেতে সামাজিক কামত একানপতীয়াকৈ আত্মনিৰেশ কৰিছিল। গাঁৱৰ ল'ৰা-ছোৱালীবোৰক

পুত্ৰবৎ স্নেহ কৰিছিল। চাৰে ওচৰ-চুবুৰীয়া আৰু গাঁৱৰ দুখীয়া, নিচলা পৰিয়ালৰ কেবাগৰাকী কন্যা খৰছ-পাতি কৰি নিজ হাতে সম্প্ৰদান কৰিছিল। এইবোৰ কামৰ মাজেৰে হয়তো তেখেতে নিজৰ অন্তৰৰ অব্যক্ত বেদনা প্ৰসমিত কৰিছিল। তেখেতে যে আনৰ ঘৰে ঘৰেহে নাম-কীৰ্তন গাই ফুৰিছিল এনে নহয়, নিজৰ ঘৰতো ঘনাই ধৰ্মীয় অনুষ্ঠান পাতি ৰাইজৰ পদধূলি লৈছিল। তাৰে ফলশ্ৰুতিতে হয়তো ভগৱানৰ কৃপাত দ্বিতীয় গৰাকী পত্নীৰ ঔৰষত পুত্ৰ সন্তানৰ মুখ দেখিবলৈ পাইছিল। কিন্তু ভাগ্যৰ কি পৰিহাস দ্বিতীয় সন্তানৰ জন্মৰ দুমাহ মান আগতে ১৮৬৮ শকৰ কাতি বিহুৰ দিনা গাওঁবাসীক কন্দুৱাই তেৰাই ইহলীলা সম্বৰণ কৰিলে। গুঁঞাই তুলসী তলত চাকি-বন্তি জ্বলাই নামশালা গাঁৱৰ পৰম হিতৈশী পুৰুষজনাৰ আত্মাৰ সদ্‌গতিৰ বাবে পৰম পিতা পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়। আজি পুনৰ ভূঞা চাৰৰ স্বৰ্গাগত আত্মাৰ চিৰশান্তি কামনা কৰি মই মোৰ লিখনি ইমানতে সামৰিলোঁ আৰু লগতে অজানিত ভুল-ভ্ৰান্তিৰ বাবে সদাশয় পঢ়ুৱৈ সমাজৰ ওচৰত ক্ষমা ভিক্ষা মাগিলোঁ।

— o —

ভুল নকৰা মানুহেই যে বিজ্ঞ সেইটো নহয়। এই ধৰণৰ মানুহ নাই আৰু থাকিবও নোৱাৰে। যি খুব গুৰুতৰ ভুল নকৰে আৰু কৰিলেও সহজে আৰু সোনকালে শুধৰাব পাৰে, তেৱেঁই বিজ্ঞ"—

—লেনিন

# নামশালা গাঁৱৰ প্ৰবাদ পুৰুষ ঃঃ ৺ৰূপৰাম ভূঞা [ভূঞা পণ্ডিত]ৰ স্মৃতিচাৰণ

শ্ৰীজিতেন্দ্ৰ নাথ ভূঞা
সঞ্চালক, বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ

পঞ্চাশ দশকৰ কথা। ৰিণিকি ৰিণিকি মোৰ মনত পৰে মুখত এমোকোৰা হাঁহিৰে পৰিপাটিকৈ খদ্দৰৰ শুধ বগা ধুতি পাঞ্জাবী পৰিধান কৰা, গহীন গম্ভীৰ খোজ কাটলৰ, দেখিলেই ভক্তি ভাব উপজা থুলন্তৰ বপুৰে সভা শুৱনি সিংহ পুৰুষ এজনৰ কথা। সেইজনেই হ'ল—নামশালা গাঁৱৰ প্ৰবাদ পুৰুষ ৺ৰূপৰাম ভূঞা, সেই অঞ্চলত "ভূঞা পণ্ডিত" নামেৰে সৰ্বজন বিদিত এজন সংস্কৃতিবান কৃতী শিক্ষক, সমাজ সেৱক আৰু স্বাধীনতা সংগ্ৰামৰ সক্ৰিয় সেনানী।

আমি যেতিয়া পাঁচ / ছয় বছৰীয়া শিশু, তেতিয়া তেখেতে আমাৰ পদূলি মুখেৰে সদায় স্কুললৈ অহা যোৱা কৰে। ঘৰৰ বয়সস্থ লোকসকলে তেখেতলৈ আঙুলিয়াই আমাৰ আগত তেখেতৰ গুণ বখানে। তেওঁলোকৰ কথাৰ পৰা মোৰ এনেহেন লাগিছিল যেন গাওঁবাসীয়ে তেখেতক লৈ গৌৰৱ অনুভৱ কৰে। সকলোৱে যেন নিজৰ ল'ৰা-ছোৱালী ভূঞা পণ্ডিতৰ দৰে গুণৱান হোৱাটোকে বিচাৰে। তেতিয়া মই গাওঁবাসীৰ সেই মনোভাৱৰ তাৎপৰ্য্য উপলব্ধি কৰিব পৰা নাছিলোঁ কিন্তু পিছত যেতিয়া ডাঙৰ হলোঁ তেতিয়াহে বাৰুকৈ বুজিলোঁ যে সঁচাকৈয়ে সেইজনা বহুমুখী প্ৰতিভা সম্পন্ন ব্যক্তিক লৈ গাওঁবাসীয়ে গৌৰৱ নকৰাকৈ থাকিব নোৱাৰে। কিয়নো গাওঁখনৰ সকলো প্ৰগতিমূলক কামতে তেখেতে

নেতৃত্ব দিছিল আৰু দেহেকেহে খাতিছিল। নাম-প্ৰসঙ্গ আৰু নাও খেলৰ জৰিয়তেহে যে গাওঁখনলৈ সন্মান কাঢ়িয়াই আনিছিল তেনে নহয়, স্বাধীনতা সংগ্ৰামতো দেশৰ আগশাৰীৰ নেতৃবৃন্দৰ লগত সম্পূৰ্ণ সহযোগিতা ৰক্ষা কৰি স্থানীয় ভাৱে সংগঠনৰ কামত উল্লেখনীয় অৰিহণা আগবঢ়াই গাওঁখনৰ গুৰুত্ব বঢ়াইছিল।

সেই সময়ত শিক্ষকজনেই আছিল সমাজৰ শিক্ষা সংস্কৃতি আৰু আদৰ্শৰ প্ৰতীক। এই আটাইকেইটা গুণৰে অধিকাৰী হোৱা বাবেই ৺ৰূপৰাম ভূঞাদেৱ সেই অঞ্চলৰ ৰাইজৰ মাজত আদৰ্শ পুৰুষ হিচাবে পৰিগণিত হৈছিল। তেখেতে স্কুলতে পাঠদান কৰিয়ে নিজ কৰ্ত্তব্য আৰু দায়িত্ব শেষ হোৱা বুলি ক্ষান্ত নাছিল। পুৱা-গধূলি ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে গৈ আলেঙে আলেঙে কোনে কি কৰিছে পৰ্য্যবেক্ষণ কৰি ফুৰিছিল আৰু সেই মৰ্মে পিচদিনা স্কুলত যাৰ য'ত দোষ-ত্ৰুটি পালে, সেইবোৰ শুধৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। আৱশ্যক বোধে অভিভাৱকক সেই বিষয়ে অবগত কৰাইছিল। কিন্তু কোনো দিনে ছাত্ৰ-ছাত্ৰীক কঠোৰ শাস্তি নিদিছিল আৰু নজনাৰ বাবে নিৰুৎসাহিত নকৰিছিল। ফলত গাওঁখনত এটি পঢ়া-শুনাৰ পৰিবেশ গঢ়ি উঠিছিল। এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা ভাল হ'ব যে সেই সময়ত নামশালা গাওঁতেই নহয় সমগ্ৰ সৰুক্ষেত্ৰী অঞ্চলতে আঙুলিৰ মূৰত গণিব পৰা শিক্ষিত আৰু চৰকাৰী চাকৰিয়াল লোক আছিল। কিন্তু তেখেতসকলৰ পৰা গাঁৱৰ সৰ্বসাধাৰণ ৰাইজে শিক্ষা-দিক্ষাৰ ক্ষেত্ৰত উৎসাহ-উদ্দীপনা পোৱা নাছিল। শিক্ষা-দিক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰ সেই অঞ্চলৰ যি দুই / এজন ছাত্ৰ ছাত্ৰীয়ে পঢ়া শুনাত আগ্ৰহী আছিল—তেওঁলোকেও আশানুৰূপ অনুপ্ৰেৰণা পোৱা নাছিল। এই দিশত ভূঞা পণ্ডিত সেই অঞ্চলৰ অগ্ৰণী ব্যক্তি বুলি ক'লে দিৰুক্তি কৰা নহয়। কিয়নো বৰপেটা চহৰত থাকি পঢ়া-শুনা



কৰিও শিক্ষকতাকে নিজৰ জীৱনৰ ব্ৰত হিচাপে লৈ নিজ গাঁৱলৈ উভতি আহি নিজ অঞ্চলৰ শৈক্ষিক আৰু সামাজিক উন্নতিৰ হকে আহোপুৰুষাৰ্থ কৰিছিল। তেখেতে শিক্ষাৰ ক্ষেত্ৰত নতুন প্ৰজন্মক আগবাঢ়ি যাবলৈ উৎসাহ আৰু উদ্‌গনি দিছিল। অভিভাৱকসকলক বুজাই বঢ়াই ল'ৰা ছোৱালীক স্কুললৈ পঠিয়াবলৈ সন্মত কৰাইছিল আৰু ছাত্ৰ ছাত্ৰীক স্কুললৈ অহাৰ কাৰণে আগ্ৰহান্বিত কৰিবলৈ বিদ্যালয়ৰ কক্ষ মনোগ্ৰাহীকৈ সজাই-পৰাই তুলিছিল। শিশুমনৰ খোৰাক যোগাবলৈ সাঁথৰ আৰু সাধুকথা কৈছিল। যাতে সাধু শুনাৰ আশাতে হলেও ল'ৰা-ছোৱালীয়ে স্কুললৈ আহে। তেখেতে পঢ়া-শুনাৰ লগতে খেলা-ধূলা, গান-বাজনা আৰু কছৰৎ শিকাইছিল, ফুলৰ বাগিছা পাতি শিশুৰ মন আকৰ্ষণ কৰাবলৈ স্কুল চৌহদ সুন্দৰকৈ সজাই তুলিছিল। শুনামতে ৺ভূঞা পণ্ডিতক হেনো সেই অঞ্চলৰ স্কুলবোৰৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ বাবেহে একাদিক্ৰমে বৰপেটা দলাহাটী এল্ পি স্কুলৰ পৰা সৰ্থেবাৰী এম্ ভি স্কুললৈ, তাৰ পিছত নামশালা প্ৰাইমাৰী স্কুললৈ, তাৰ পিছত কাৰাকুছি প্ৰাইমাৰী স্কুললৈ আৰু শেষত সৰ্থেবাৰী বালিকা এম্ ভি স্কুললৈ প্ৰধান শিক্ষক হিচাপে বদলি কৰিছিল। তেখেতে যে কেৱল সেই অঞ্চলৰ ছাত্ৰ ছাত্ৰীৰ পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ জন্মাইছিল তেনে নহয়, পাকা-সৰুক্ষেত্ৰী মৌজাৰ প্ৰাইমাৰী এম্ ই, এম্ ভি আৰু হাইস্কুলৰ শিক্ষক শিক্ষয়িত্ৰী সকলক বৃত্তিগত অৰ্হতা বৃদ্ধি কৰাৰ কাৰণে জনাৰ্দ্দন সমিতিৰ জৰিয়তে একত্ৰিত কৰি শিক্ষা আৰু সংস্কৃতিমূলক সভা-সমিতি আৰু আলোচনা চক্ৰ পতাত অগ্ৰণী ভূমিকা লৈছিল।

এইটো কথা সত্য যে নামশালা গাঁৱত ৺ৰূপৰাম ভূঞা-দেৱৰ দিহা পৰামৰ্শ আৰু শ্ৰীযুত অৰুণ চন্দ্ৰ ভূঞাৰ আদৰ্শই নতুন প্ৰজন্মক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল। আজি যি কেইজন

ব্যক্তিয়ে উচ্চ শিক্ষা লাভ কৰি অসমৰ শিক্ষা, সংস্কৃতি আৰু অন্যান্য বিভাগত চৰকাৰী গুৰুভাৰ (পদবী) লৈ গাঁৱৰ নাম উজ্বলাইছে তাৰ মূলতে ৺ৰূপৰাম ভূঞাদেৱৰ নিস্বাৰ্থ ত্যাগ আৰু অক্লান্ত পৰিশ্ৰম নিহিত হৈ আছে।

নিজৰ ব্যক্তিগত স্বাৰ্থতকৈ সামাজিক আৰু সামূহিক স্বাৰ্থক প্ৰাধান্য দিয়া সেইজনা গুণমণি ব্যক্তিৰ স্মৃতিচাৰণ কৰিবলৈ সুযোগ দিয়া বাবে "ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতিলৈ" মোৰ কৃতজ্ঞতা যাচি অইন প্ৰবন্ধাকাৰৰ লিখনিৰ পুনৰাবৃত্তি হোৱাৰ আশংকাত জনা বহু কথা বাদ দি সংক্ষেপতে মোৰ লিখনি সামৰিলোঁ।

৺ৰূপৰাম ভূঞাদেৱৰ স্বৰ্গাগত আত্মাই চিৰশান্তি লাভ কৰক।

—০—

এজন মানুহৰ দহোটা আঙুলিয়েই প্ৰকৃত বন্ধু।

—ৰবাৰ্ট কালিস্মাৰ

প্ৰকৃত সাধুতা হৈছে লগৰ মানুহক ভাল পোৱাটো আৰু প্ৰকৃত জ্ঞান হৈছে পৃথিৱীৰ মানুহক জনাটো।

—কনফুচিয়াচ

# ভূঞা পণ্ডিত

॥ স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য ॥

## —দ্বিতীয় অধ্যায়—

## সহকৰ্মী আৰু প্ৰাক্তন ছাত্ৰৰ দৃষ্টিত

## নিবেদক

**৺হৰিচৰণ তালুকদাৰ (হেড্ পণ্ডিত)**

ভূতপূৰ্ব প্ৰধান শিক্ষক, সৰ্থেবাৰী চেণ্টেল বয়জ এম্ ভি স্কুল

**৺শ্ৰীৰামচন্দ্ৰ দাস (সাহিত্যিক পেন্সনাৰ)**

সুন্দৰীদিয়া, বৰপেটা

**শ্ৰীনগেন্দ্ৰ নাথ চৌধুৰী**

অৱসৰপ্ৰাপ্ত শিক্ষক, কটন কলেজিয়েট উচ্চতৰ মাঃ বিঃ গুৱাহাটী

**শ্ৰীতৰুণ চন্দ্ৰ গোস্বামী**

অৱসৰপ্ৰাপ্ত মূখ্যৱন সংৰক্ষক, শান্তিপুৰ, গুৱাহাটী

**শ্ৰীঅচ্যুতানন্দ চৌধুৰী**

অধ্যক্ষ, সৰ্থদেৱী মোডেল স্কুল, সৰ্থেবাৰী

**শ্ৰীৰতিকান্ত ৰয়**

শিক্ষক, আমখোৱা

**শ্ৰীগঙ্গা নাথ ভূঞা**

ব্যৱসায়ী, নামশালা।

(প্ৰাক্তন কৰ্মী নামশালা সমবায় দোকান)

## ॥ ৺ৰূপৰাম ভূঞা (ভূঞা পণ্ডিত)ৰ সোঁৱৰণত ॥

৺হৰিচৰণ তালুকদাৰ
( হেড্ পণ্ডিত )

৺ৰূপৰাম ভূঞা মোৰ সমনীয়া বন্ধু আছিল। মোতকৈ তিনি মাহ মানৰ ডাঙৰ। মোৰ ওপৰ শ্ৰেণীত পঢ়িছিল। ১৯১৯ চনত এম্ ভি পাছ কৰিছিল। সৰুৰে পৰা আটিল দেহ, সুস্থ সৱল পঢ়াত চোকা। খেল-ধেমালিত উদ্যমী। গীত-পদত ৰাপ থকা লোকপ্ৰিয় আৰু যেয়ে যিমান মন মাৰি নাথাকক কিয় তাৰ আগত পৰিলে কথা-বতৰা, অঙ্গী-ভঙ্গীত নেহাঁহি প্ৰফুল্ল নহৈ থাকিব নোৱাৰে। খুহুতীয়া কথাত ওস্তাদ। বুঢ়া-বুঢ়ীৰ শেহতীয়া কালৰ একমাত্ৰ সন্তান সি। ঘৰুৱা কামত পাৰ্গত আছিল যদিও ধীৰ লেহেম আছিল। এম্ ভি ১ম বিভাগত পাছ কৰাৰ পিছত পিতাকে বৰপেটাৰ বন্ধু ধনী মহাজন যতন দাসৰ ঘৰত থৈ হাইস্কুলত পঢ়ুৱাইছিল। পিতাক অচল হোৱা বাবে দুবছৰৰ পিছত বৰপেটা মিউনিচিপালিটিৰ দলাহাটী প্ৰাইমাৰী স্কুলত শিক্ষক পদত মকৰল হয়। শিক্ষকতা কৰি আৰু বৰপেটাৰ পৰিবেশত বিশেষকৈ বৰ-গীতত, খঞ্জৰী, বাঁহী, ৱাদ্য শিকি এজন সুন্দৰ গায়কৰূপে খ্যাত হয়। তাল-মানেৰে নাও-খেল আদিৰ গীত দি বাইচাক উত্তেজিত কৰিব পাৰিছিল। ৰূপৰাম এজন সুদক্ষ পাঠক হিচাবেও বিখ্যাত আছিল। শিক্ষকতা কামত উপবিস্থ কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, অভি-ভাৱক সকলক সন্তোষ দিব পাৰিছিল। ১৯২৬ চনত গুৰু ট্ৰেইনিং পাছ কৰি অহাৰ পিছত তেওঁৰ যোগ্যতাৰ বিষয়ে শুনি ১৯২৮ চনত

সৰ্থেবাৰী এম্. ভি, লৈ বদলি কৰি অনা হ'ল। তেওঁৰ সহযোগী আৰু ছাত্ৰসকলে তেওঁৰ গুণাৱলী আজন্মকাল সুঁৱৰি আছে। এনে উদ্যমী, সুন্দৰ হাতৰ আখৰ, শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ অমনোযোগিতা দূৰ কৰি শিক্ষনীয় পাঠলৈ মন আকৰ্ষণ কৰাব পৰা যোগ্যতাসম্পন্ন সহযোগী শিক্ষক মোৰ জীৱনত পোৱা নাই। যি সমাজতে নাথাকক, সেই সমাজক সন্তোষ দিয়া তেওঁৰ স্বভাৱজাত বৈশিষ্ট্য। মোৰ স্কুলত কাম কৰা দিনত নিজে হাল ধৰি খেতিৰ কাম কৰিও সকলো শিক্ষকতকৈ আগতে স্কুলত আহি উপস্থিত হোৱা, নিয়মানুৱৰ্ত্তী শিক্ষকজনক সুঁৱৰিবলৈ পাই নিজকে ধন্য মানিছোঁ। মই মোৰ জীৱনত স্কুলত যিমান বিলাক সভা-সমিতি পাতিছিলো আৰু তেওঁ জীয়াই থকাৰ আগলৈ সৰ্থেবাৰী অঞ্চলত সভা-সমিতি হৈছিল, সকলোতে তেওঁ গীত গাব লাগিছিল আৰু শ্ৰোতা মুগ্ধ হৈছিল। কথা-শিল্পী, অভিনয়ত পাৰ্গত—মহাদেৱ, ভীমৰ ভাও মনাইছিল। "সই দেখোৱে সুন্দৰ কানু, খেলাই কদম্ব তলে"—আদি বৰগীত যি অংগী-ভংগীৰে সুৰ তালে গাব, যেন শ্ৰীকৃষ্ণ দৰ্শকৰ মানস চকুত পৰিদৃশ্যমান হৈ পৰে। এনে গুণী-কৃতী, ঋষি সুলভ শিক্ষকজনৰ বিষয়ে সুঁৱৰি এই বুঢ়া বয়সত যেন চেঙেৰালৈহে পিছুৱাইছোঁ! কিমাননো ক'ম, ওৰ নপৰে। কলম নচলে। হাত কঁপে আৰু বিষায়। তেওঁৰ অমৰ আত্মাৰ আশীষ বিচাৰি সামৰিলোঁ।

—০—

সংসাৰত ভাল-বেয়া দুয়োটাই আছে। বেয়াটো এৰি ভালটো গ্ৰহণ কৰিলেহে শিক্ষাৰ পথ সুগম হ'ব।

—ভল্টেয়াৰ

# ॥ হাঁহিৰ আকৰ ৰূপৰাম ভূঞা ॥

৺শ্ৰীৰাম চন্দ্ৰ দাস
সুন্দৰীদিয়া, দক্ষিণহাটী, (বৰপেটা)

সুশিক্ষক সকল একোগচি বন্তি স্বৰূপ! একোজন সুশিক্ষকে নিজৰ বিদ্যা-বুদ্ধি, স্বভাৱ-চৰিত্ৰ আৰু প্ৰতিভাৰ গুণত সমাজক শিক্ষা-দিক্ষাত বহুখিনি আগবঢ়াই নিব পাৰে। মোৰ এই ক্ষুদ্ৰ জীৱনত বহুজন সুশিক্ষকক লগ পোৱাৰ সৌভাগ্য হৈছে। আজি তেখেত সকলৰ নাম উচ্চাৰণ কৰিলেও পুণ্য হোৱা যেন লাগে। আমাৰ দেশৰ মৃত-জীৱিত তেনে গুণী শিক্ষকসকলৰ এখন জীৱনী লিখি প্ৰকাশ কৰিব পাৰিলে বৰ ভাল হয়—তাকে কৰিলে সমাজত শিক্ষাৰ এটি মধুৰ পৰিৱেশ সৃষ্টি হব।

মোৰ শ্ৰদ্ধেয় বন্ধু ৺ৰূপৰাম ভূঞাদেৱ এগৰাকী সু-শিক্ষক আছিল। তেখেতৰ এখনি জীৱন আলেখ্য প্ৰকাশ কৰাৰ বাতৰি পাই মই পৰম আনন্দ পাইছোঁ। গ্ৰন্থখনি প্ৰকাশ পালে সেইজনা মহান শিক্ষকৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা নিবেদন কৰা হ'ব।

১৯২৫, ২৬, ২৭ চন—এই তিনিবছৰ মই নৰ্মাল স্কুলৰ ছাত্ৰ। সম্ভৱ ১৯২৬ চনত ৰূপৰাম ভূঞাদেৱ নৰ্মালৰ গুৰু বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ আছিল। আমাৰ দিনত নৰ্মাল আৰু গুৰু বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰসকলৰ ভিতৰত খুব মিলা-প্ৰীতি আছিল। গুৰুসকলক আমি "গুৰুৰ" দৰেই মান-সম্ভ্ৰম কৰিছিলোঁ। তেতিয়া ছাত্ৰসকলে ৰন্ধা-বঢ়া, খৰি ফলা আৰু বজাৰ কৰা আদি সকলো কামকেই নিজে কৰিব লাগিছিল। ছাত্ৰাবাসৰ চৌহদত ধোবা-নাপিতৰ প্ৰৱেশ নাছিল। সেয়ে আছিল স্বাৱলম্বন শিক্ষা। পিছত আজি জানোঁ নৰ্মাল স্কুলত সেই আদৰ্শ আছে?

যি হাঁহিব নাজানে তেওঁৰ অন্তৰখন মৰুভূমি সদৃশ শুকান। আচলতে হাঁহিও অন্তৰৰ এটি ভাষাহে। খোলা মনৰ মানুহেহে খোলা মনেৰে হাঁহিব পাৰে। মই জনাত ৰূপৰাম ভূঞাদেৱ আছিল খোলা মনৰ হাঁহিৰ আকৰ। তেখেতে কথাই কথাই ৰসাল কথা কৈ আমাক হহুৱাইছিল– অথচ নিজে হলে নাহাঁহিছিল। ভূঞাই যেন পৃথিবীলৈ আনক হহুৱাই আনন্দ দিবলৈকেই আহিছিল।

তেখেতৰ নলেগলে লগা বন্ধু আছিল ভালুকীৰ হাঁহিৰাম পাঠক। তেখেতসকলে গুৰু বাৰ্ষিক শ্ৰেণীৰ শেষ পৰীক্ষা দি ঘৰলৈ আহিবৰ হ'ল। সভা-সমিতি পাতি আমি তেখেতসকলক বিদায় দিলোঁ। সেইদিনা সন্ধিয়া আমি কোঠাই কোঠাই চাকি জ্বলাই পঢ়াত ব্যস্ত হৈছোঁ। এনেতে দুজন ভুটীয়া আহি আমাৰ কোঠাই কোঠাই সোমাই অবুজ ভুটীয়া ভাষাত আমাক সেৱা জনাই বিদায় মাগিবলৈ ধৰিলে। ভুটীয়ানে হুবহু ভুটীয়া। সাজ-পাৰ, চলন-ফুৰণ আৰু ভাষাত কলিপত ভুটীয়া। হঠাৎ এই দৃশ্য দেখি আমি অবাক। পিছতহে ধৰা পৰিল, সেই দুজন হ'ল ৰূপৰাম ভূঞা আৰু হাঁহিৰাম পাঠক। তেতিয়া আমাৰ মাজত হাঁহিৰ ৰোল উঠিল।

ভূঞা আৰু পাঠক আজি আমাৰ মাজত সোঁ-শৰীৰে নাই; কিন্তু তেখেতসকলে হাঁহি-ধেমালিৰে আমাক যি আনন্দ দি গৈছে, তাক আজিও পাহৰিব পৰা নাই।

আমাৰ সমাজত সুন্দৰ যোজনা এটি আছে—

"ফটা হ'ক, ছিটা হ'ক, পাটৰ টঙালি।
কণা হ'ক, কুঁজা হ'ক, ভূঞাৰ পোৱালি।"

——

পাৰিলে সত্য কথা আলোচনা কৰিবা, নহ'লে মনে মনে থাকিবা।

—বেঞ্জামিন

# স্বৰ্গীয় শিক্ষাগুৰু শ্ৰীৰূপৰাম ভূঞাদেৱৰ সোঁৱৰণত—

শ্ৰীনগেন্দ্ৰ নাথ চৌধুৰী
অৱসৰপ্ৰাপ্ত শিক্ষক

আমাৰ জীৱনৰ এছোৱা অন্ততঃ ১৫/১৬ বছৰ বয়সলৈ নিজ পৰিয়াল পৰিজন, পিতা-মাতা, ভাই-ভনী আৰু আদি শিক্ষা গুৰু সকলৰ স্নেহ-প্ৰীতি, আদৰ-সম্ভাষণ, নিস্বাৰ্থ ত্যাগ আৰু শিক্ষা-দানৰ লগত জড়িত হৈ আছে আৰু তাৰ স্মৃতি অন্ততঃ মৃত্যুৰ দিনলৈকে থাকিব। এই বিষয়ে মোৰ আদি জীৱনৰ সোণালী দিনবোৰ বিশেষকৈ সৰ্থেবাৰী মজলীয়া স্কুলৰ মহানুভৱ শিক্ষা গুৰুসকলৰ পৱিত্ৰ স্মৃতি ৰাশিৰে আগুৰা। আজি সেই সকল মহাপুৰুষৰ ছবি স্মৃতিৰ আকাশত উদয় হৈছে। তেখেত সকল হ'ল– ন্যায়াধীশ ৺হলিৰাম ডেকাৰ পিতৃ জয়ৰাম ডেকা (বুঢ়া পণ্ডিত), অভাজনৰ পিতৃ স্বৰ্গীয় কণ্ঠিৰাম চৌধুৰী (ডেকা পণ্ডিত), সৰ্থেবাৰী মজলীয়া স্কুলৰ চিৰ উদ্যমী আৰু চিৰ নবীন প্ৰধান শিক্ষক স্বৰ্গীয় হৰিচৰণ তালুকদাৰ, সাধুকথাৰ ভঁড়াল স্বৰ্গীয় ভবানন্দ তালুকদাৰ, স্কুলৰ দ্বিতীয় শিক্ষক ধীৰ-স্থিৰ স্বৰ্গীয় পৰীক্ষিত মেধী, তৃতীয় শিক্ষক দেখনিয়াৰ আৰু উৎসাহী স্বৰ্গীয় কৰুণাকান্ত ডেকা, স্কুলত নপঢ়া দিনৰে পৰা কঠোৰ শাসক বুলি নাম শুনা নামশালাৰ স্বৰ্গীয় পীতাম্বৰ ভূঞা (ই. এ. চি. অৰুণ ভূঞাৰ পিতৃ) ছাত্ৰসকলৰ বন্ধু স্বৰ্গীয় ৰূপৰাম ভূঞা (নতুন ফটাশিল টাউন হাইস্কুলৰ প্ৰধান শিক্ষক গৌৰীকান্ত ভূঞাৰ পিতৃ), ইত্যাদি।

ওপৰোক্ত আটাইকেইজন শিক্ষা গুৰুৰ বিষয়ে কবলৈ আৰু লিখিবলৈ অনেক কথা থাকিলেও যিহেতুকে আমি (বিশেষকৈ মই) এলেহুৱা আৰু অসাথন, সেই বাবে তেখেত সকলৰ আদৰ্শণীয়

আৰু অমূল্য কথাবোৰ ( বিবেকৰ উচটনি স্বত্ত্বেও ) লিখিব পৰা নাই। যি হওক তাগিদাত পৰি হলেও আজি পূজ্যপদ স্বৰ্গীয় ৰূপৰাম ভূঞাদেৱৰ বিষয়ে দুটিমান কথা লিখিবলৈ ওলালোঁ।

মই ২য় মানত থাকোঁতে মোৰ পিতাৰ ঠাইত গুৰুদেৱ ভূঞা চাৰ বৰপেটাৰ পৰা সৰ্থেবাৰী মজলীয়া স্কুললৈ বদলি হৈ আহে। পিতাৰ বিদায়ৰ দিনা বিদায় সভাত মই বৰকৈ কান্দিছিলোঁ, কাৰণ পিতাৰ বাবে এই দিনটোৱেই শিক্ষকতা জীৱনৰ শেষ দিন আছিল। যি হওক পাচতহে লাহে লাহে ভূঞাদেৱৰ লগত মোৰ চিনাকী হয়— গুৰু-শিষ্য ৰূপে। তেখেত আটিল বান্ধৰ শকত-আৱত, গহীন-গম্ভীৰ আৰু মৰমিয়াল মানুহ আছিল আৰু মৰমৰ ব্যৱহাৰেৰে ছাত্ৰসকলৰ পৰা শ্ৰদ্ধা আকৰ্ষণ কৰি লব পাৰিছিল। পাচত জানিব পাৰিলোঁ আমাৰ গাওঁ সৰ্থেবাৰীৰ পূৱফালে থকা নামশালা গাওঁতেই তেখেতৰো ঘৰ। স্কুলৰ হেড্ পণ্ডিত ৺হৰিচৰণ তালুক-দাৰদেৱে তেখেতক ৩য় মানত আমাক ছবি অঁকা আৰু পাচত হাতৰ আখৰ শিকাবলৈ দিছিল। তেখেতে বৰ যত্ন সহকাৰে আমাক এই দুই বিষয় শিক্ষা দিছিল। প্ৰথম প্ৰথম তেখেতৰ এটা প্ৰধান বৈশিষ্ট্য মোৰ চকুত পৰিল। সেই সময়ত প্ৰায় সকলো শিক্ষকেই খাটাত চহী কৰোঁতে ইংৰাজীতে চুটিকৈ চহী কৰিছিল আৰু বহুতে বহীত নম্বৰো নিদিছিল। আনকি কোনোবা শিক্ষকৰ ঠাইত অস্থায়ী ভাবে অহা নতুন শিক্ষকেও ইংৰাজীতে চহী কৰিছিল। দেখি বৰ ভাল লাগিল আৰু আচৰিত হলোঁ যে তেখেতে চিৰচৰিত ৰীতি বাদ দি ৰঙা চিয়াহীৰে বৰ ধুনীয়াকৈ সৰু আখৰেৰে অসমীয়াতে "শ্ৰীৰূপৰাম ভূঞা" বুলি চহী কৰি তলত তাৰিখ দিছিল আৰু চহীৰ ওপৰত দহৰ ভিতৰত পাঁচ বা ছয় ( যেয়ে যিমানৰ উপযুক্ত ) কাৰ্পণ্য নকৰি নম্বৰ দিছিল। এনে কৰাত আন সন্তুষ্ট হৈছিল নে নাই কব নোৱাৰোঁ, ( বোধ হয় হৈছিল )



মই হ'লে বৰ সন্তুষ্ট হৈছিলোঁ আৰু সেই চহীটোৰ সৈতে পোৱা নম্বৰখিনিৰ কথা ভাবিলেই তেখেতৰ মৰম লগা গম্ভীৰ মুখখনিৰ কথা মনত পৰি শ্ৰদ্ধাত অভিভূত হৈ গৈছিলোঁ আৰু "তেখেতে মোক ভাল পায়" এই কথা ভাবি বৰ গৌৰৱ অনুভৱ কৰিছিলোঁ। তেখেতৰ অলপো অহংকাৰ নাছিল আৰু শ্ৰেণীত ছাত্ৰৰ সৈতে এক হৈ শিক্ষাদান কৰিছিল। আন-কাল বাটে-পথে কৰবাত তেখেতক দেখিলেও বৰ ভাল লাগিছিল। তেখেতেও ক'ৰবাত দেখিলে নাম কাঢ়ি ল'ৰাজনক মাত এষাৰ নলগোৱাকৈ নগৈছিল ; এই কথাষাৰে সৰু ল'ৰাটোক কিমান আনন্দ দিছিল তাক অনুমান কৰিব পাৰি।

আমাৰ পিতাৰ মোমায়েকৰ ঘৰ নামশালা গাঁৱত। তালৈ মই মাজে-সময়ে যাওঁ। এবাৰ মই তালৈ ফুৰিবলৈ যাওঁতে চাৰো সেইখিনি পালেগৈ। তেখেতৰ ঘৰ হেনো আমাৰ মিতিৰ ঘৰৰ ওচৰতে। তেতিয়াও তেখেতে বৰপেটাৰ পৰা বদলি হৈ অহা বেছি দিন হোৱা নাই। নতুনকৈ আমাক ছবি আৰু হাতৰ আখৰ শিকাবলৈ পাইছে মাথোন। তেখেতৰ হাতত তেখেতে আগতে কাম কৰা বৰপেটা দলাহাটী এল, পি, স্কুলৰ তৃতীয় শ্ৰেণীৰ— মিশ্ৰ ( নামটো পাহৰিলোঁ )ৰ এখন ছবিৰ বহী আৰু হাতৰ আখৰৰ বহী। তেখেতে সাধাৰণ দুটা এটা কথা সুধি মোক সেই বহী দুখন দেখুৱালে, "চোৱাচোন এই ছবিবোৰ আৰু আখৰবোৰ কেনে পোৱা ?" মই বহী দুখনৰ চাফ-চিকুণতা আৰু পাৰিপাট্য দেখি মুগ্ধ হলোঁ। বিশেষকৈ ৰংচঙীয়া পাতল মিহি ট্ৰেচিং পেপাৰেৰে বহীৰ মলাট ঢকা ; ভিতৰতো য'ত ছবি অঁকা হৈছে আৰু আখৰ লিখা হৈছে সেই পাতবোৰ পাতল ট্ৰেচিং পেপাৰেৰে ঢকা। ট্ৰেচিং পেপাৰৰ মাজেৰে অঁকা ছবিবোৰ আৰু আখৰৰ শাৰীবোৰ স্পষ্ট দেখা যায়। একোটা বাক্যকে তিনি শাৰীকৈ

লিখা হৈছে, প্ৰথম শাৰীৰ আখৰৰ ওপৰত চাৰৰ ধুনীয়া গঢ়েৰে দুটা এটা আছে। বহী দুটা দেখি মই মুগ্ধ হলোঁ যদিও আখৰবোৰ দেখি মই ভাবিলোঁ, আখৰবোৰ ইয়াতকৈয়ো ভাল কৰিবৰ ঠাই আছিল। চাৰে তৎক্ষণাত কৈ উঠিল, "তুমি চেষ্টা কৰিলে ইয়াতকৈয়ো ভাল আখৰ লিখিব পাৰিবা।" আমাৰ মিতিৰ ঘৰৰ গৃহস্থজন কাষতে আছিল; তেওঁলৈ চাই চাৰে কৈ উঠিল, "এইবাৰ চেষ্টা কৰিলে ৩য় মানত এওঁ নিশ্চয় বৃত্তি আনিব পাৰিব।" মই লাজতে মুছকচু গলোঁ আৰু চাৰে মোৰ প্ৰতি ইমান উচ্চ ধাৰণা পোষণ কৰিছে বুলি ভাবি মনে মনে বৰ আনন্দও পালোঁ। মই আজিও ভাবি পোৱা নাই, চাৰে দলাহাটী স্কুলৰ ভাল ল'ৰাজনৰ সেই আদৰ্শ বহী দুখন কিয় লগত লৈ আমাৰ মিতিৰ ঘৰত সোমাইছিল। পাছত যেতিয়া বৃত্তি পৰীক্ষা দিবৰ কাৰণে বৰপেটালৈ গলোঁ, তাত দলাহাটী এল পি. স্কুলখন দেখি মনে মনে ভাবিলোঁ; এইখনেই আমাৰ ভূঞা চাৰে কাম কৰা দলাহাটী এল পি. স্কুল আৰু সেই ল'ৰাজনে এই স্কুলতে পঢ়ি হয়তো প্ৰাইমাৰীত বৃত্তি পাইছিল। আমিনো বৃত্তি পামনে?

ভূঞা চাৰ সঁচাকৈয়ে এজন আদৰ্শ শিক্ষক আছিল আৰু হাতে কামে সকলো কাম কৰি দেখুৱাইছিল আৰু নিজেও চলিছিল। এবাৰ মই নামশালালৈ যাওঁতে গাঁৱৰ মুখতে সৰ্থেবাৰীৰ ফালৰ পৰা যোৱা বাটৰ সোঁকাষৰ পথাৰত দেখোঁ যে তেখেতে হাল বাই আছে। তেখেতৰ অপেক্ষাকৃত চাপৰ আৰু বহল কলেৰৰ যেন হালৰ গৰু হালতকৈ বেছি বলৱান। তেখেতৰ পৰিপুষ্টি বদন মণ্ডল পথাৰৰ মাজত জ্বলি আছে। দেখি পিতাৰ মুখত শুনা ৰামায়ণৰ জনক ৰজালৈ মনত পৰি মোৰ ভাব হ'ল যে জনকে ৰজা হৈয়ো যজ্ঞৰ মাটি চহাবলৈ নিজে হাল বাইছিল। চাৰেও শিক্ষকতা কৰিও হাল বাই পেটৰ ভাত মুঠি উলিয়াই



হয়তো আমাকে আদৰ্শ দেখুৱাইছে। কিন্তু নিষ্কৰ্মা আমি সেই আদৰ্শ লৈছো ক'ত? সেই দৃশ্যৰ মাজতে মোক দেখি চাৰে কিঞ্চিৎ থমকি 'নগেন, কলৈ যোৱা' বুলি মাতষাৰ নলগোৱাকৈ নাথাকিল। আন এদিন দেখিলোঁ চাৰৰ পথাৰ নদন-বদন ধানেৰে উপচি পৰিছে, সোণালী বৰণৰ পকা ধানৰ দীঘল দীঘল শিহবোৰ শাৰী শাৰী হৈ ওপৰা-উপৰিকৈ ইটোৰ ওপৰত সিটো ঢলি পৰিছে আৰু চাৰে কাচি হাতত লৈ আনন্দ মনেৰে ধানবোৰ এফালৰ পৰা কাটি গৈছে। তেখেতৰ তুলনাত কটা ধানৰ মুঠিবোৰ বৰ সৰু যেন দেখা গ'ল।

চাৰ সংস্কৃতিৰো সেৱক আছিল। তেখেতে আমাৰ মজলীয়া স্কুলৰ ছাত্ৰ হিতসাধিনী সভাত "সই দেখো দেখো সুন্দৰ কানু, খেলায় কদম্ব তলে", বৰগীতটি গাবলৈ শিকাইছিল আৰু নিজেও গাইছিল। তেখেতৰ কণ্ঠস্বৰ গলগলীয়া আছিল আৰু এই গীতটো তেখেতৰ বৰ প্ৰিয় আছিল। পল্লা গাঁৱত বহা ক্ষেত্ৰী ছাত্ৰ সন্মিলনৰ অধিবেশনত চাৰে খঞ্জৰী যোগে এই গীতটি অকলশৰে পৰিৱেশন কৰিছিল; সমস্ত সমাজ নিমাত নিস্তব্ধ। চাৰে যেন গীতৰ স্বৰে সকলোকে আঙুলিয়াই দেখুৱাই দিছে, "সুন্দৰ শ্ৰীকৃষ্ণই গোপবালক সকলৰ লগত কদম গছৰ তলত কি ৰকম দিব্য খেলা খেলিছে, চাওঁক চাওঁক।" এবাৰ এই গীতটি পৰিৱেশন কৰি তেখেতে নগদ দহ টকা পুৰস্কাৰো পাইছিল। তেতিয়াৰ দহ টকা আজি কালিৰ তুলনাত বহুত। এই একেজন মানুহেই নাওৰ খেলত ৮কাঁঠি সদাগৰৰ খেল নাওৰ বুকুত থিয় হৈ কীৰ্ত্তনৰ গীত যোগে খেলুৱৈ নাৱৰীয়াসকলক গা নচুৱাই তুলিছিল। মাজে সময়ে তেখেতক নাও বোৱা আৰু খৰী কটাও দেখিছোঁ। বাৰিষা কেতিয়াবা ল'ৰাই বোৱা নাওৰ মাজত বহি স্কুললৈ যায়; কেতিয়াবা সৰু নাও এখনত বহি নিজে বাই যায়, কেতিয়াবা সেই নাওত আমাকো তুলি নিয়ে।

আচৰিত কথা এনেহেন সৰ্বগুণী বয়সস্থ চাৰ গৰাকীক বিয়াত দৰা সজাও দেখিবলৈ পাইছিলোঁ। আমাৰ সম্বন্ধীয় পেহীক বিয়া কৰাইছিল। অৱশ্যে সতি-সন্ততিহীন চাৰে বংশ ৰক্ষাৰ কাৰণে এই বিয়া দ্বিতীয়বাৰ কৰাইছিল আৰু "পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্য্যা" শাস্ত্ৰৰ এই বাণী সাৰ্থক কৰিছিল। পেহী গৰাকীৰ গৰ্ভত তেখেতৰ দুজনা গুণী পুত্ৰ জন্মিছিল।

বৰ দুঃখৰ বিষয় চাৰে সম্পূৰ্ণ বয়স নৌ পাওঁতেই দুৰাৰোগ্য ব্যাধিৰ আক্ৰমণত স্বৰ্গী হয়। কালৰ গৰ্ভত আন সকলৰ দৰেই তেখেতৰ মানৱী দেহা নাইকিয়া হ'ল যদিও তেখেতৰ ছাত্ৰ আৰু গুণগ্ৰাহী লোকসকলৰ মানস পটত তেখেত আজিও জিলিকি আছে।

— —

যি মানুহে নানা সৎ কাৰ্য কৰি যশস্বী হয়, তেওঁ মৰি গলেও মানুহে তেওৰ নাম লৈ থাকে॥

যেনেকে শত্ৰুৱে হানি কৰে, সেইদৰে এলাহৰ পৰাও বহুত হানি হয়। এতেকে কোনো কাম কৰিবলৈ এলাহ নকৰিবা॥

লোকক ভাল কৰিব খোজা মানুহে নিজৰ কোৱা কথাবিলাক কাৰ্য্যৰ দ্বাৰা কৰি দেখুৱাব লাগে। তেহে তেওঁৰ কথা সকলোৱে মানি তেওঁ চলা দৰে চলিব॥

## ॥ মোৰ প্ৰেৰণাৰ উৎস স্বৰ্গীয় ভূঞা চাৰৰ পবিত্ৰ স্মৃতিত ॥

শ্ৰীতৰুণ চন্দ্ৰ গোস্বামী
অৱসৰপ্ৰাপ্ত মুখ্য বনসংৰক্ষক

১৯৩২ চনৰ কথা, মই তেতিয়া ১নং নামশালা প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ। তেতিয়া আমাৰ স্কুলখনৰ জহি-যোৱা জৰাজীৰ্ণ অৱস্থা। বেৰ-কুৰ নোহোৱা স্কুল ঘৰটো আছিল ৰাজহুৱা গোহালী স্বৰূপ। সেয়েহে প্ৰতিদিনে স্কুল বহাৰ আগে আগে গৈ গোবৰ-জাৰৰ পেলাই স্কুল ঘৰটো পৰিষ্কাৰ কৰি লব লাগে। বহিবলৈ ঘৰৰ পৰা ঢাৰি-কঠ নিব লাগে। স্কুলখনত শৈক্ষিক পৰিৱেশ নাছিল। নিয়ম কানুনৰ অভাৱ। এদিন হঠাতে স্কুল পৰিদৰ্শন কৰিবলৈ এজন এচ. আই. আহি ওলাল। স্কুলৰ এই দুৰৱস্থাৰ বাবে প্ৰধান শিক্ষক গৌৰী বৰ্মন (পল্লাৰ) আৰু সহ শিক্ষক সনামল দাসক (আমুখ্যোৰা) জগৰীয়া কৰি দৰমহা কৰ্ত্তন কৰাৰ লগতে আমাৰ স্কুলৰ পৰা বদলি কৰে। তেতিয়া পৰমপূজ্য ৰূপৰাম ভূঞা চাৰক আমাৰ স্কুললৈ বদলি কৰি আনে। সেইজনা আদৰ্শৱান কৃতী শিক্ষকৰ শ্ৰীহাতৰ পৰশত স্কুলৰ ৰূপ সলনি হ'ল। ৰাইজৰ সহযোগত বাঁহ-খেৰ খুজি-মাগি উৰলি যোৱা স্কুল ঘৰটো পুনঃ নিৰ্মাণ কৰিলে। চৌপাশৰ হাবি-জংঘল কাটি স্কুল চৌহদত বেৰ দিলে। ছাত্ৰ-ছাত্ৰীৰ সহযোগত ফুলনি পাতিলে। নিজহাতে স্কুলৰ নামফলক লিখি ওলমাই দিলে। স্কুলৰ সন্মুখৰ আহল বহল ঠাইখিনি খেলা-ধুলাৰ উপযোগী কৰি তুলিলে। ভূঞা চাৰৰ সকলো কামতে আমি সহয়োগ কৰিছিলোঁ।

তেখেতৰ আশাসুধীয়া যত্ন আৰু অক্লান্ত পৰিশ্ৰমৰ বিনিময়ত ১নং নামশালা প্ৰাথমিক বিদ্যালয় সেই অঞ্চলৰ ভিতৰতে এখন চালে চকু ৰোৱা আদৰ্শ বিদ্যালয় ৰূপে পৰিগণিত হ'ল। স্কুলৰ নীতি-নিয়ম, আইন-শৃঙ্খলা কটকটীয়া হ'ল। শিক্ষাৰ মানদণ্ড উন্নত হ'ল। চাৰে নিজহাতে তৈয়াৰ কৰা শিক্ষন সামগ্ৰীৰে শ্ৰেণীকোঠা সজাই তুলিলে। বেৰত ওলোমাই থলে ডাঙৰ ডাঙৰকৈ আঁকি ৰং দিয়া ভূগোলৰ মানচিত্ৰ, চাৰ্ট, মোডেল আদি। সেইবোৰে ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষিত কৰিলে। স্কুলত অনুপস্থিতিৰ হাৰ কমিল। তেখেতৰ পিতৃসুলভ ব্যৱহাৰে স্কুললৈ অহা ছাত্ৰ ছাত্ৰীৰ সংখ্যা বঢ়ালে। তেখেতে স্কুলৰ বাহিৰেও পুৰা গধূলি আৰু বিশেষকৈ বন্ধৰ দিনত ছাত্ৰ ছাত্ৰীৰ ঘৰলৈ গৈ পঢ়া-শুনাৰ তাগিদা কৰা বাবে অভিভাৱক আশ্বস্ত হ'ল। তেখেতে পৰীক্ষাৰ বহীত নিজে আদৰ্শ প্ৰশ্নোত্তৰ কৰি দেখুৱাইছিল। অইন শিক্ষকে কোনো কালে গুৰুত্ব নিদিয়া বিষয় সমূহত ভূঞা চাৰে অধিক গুৰুত্ব দিছিল। ভূঞা চাৰে জোৰ দিছিল—হাতৰ আখৰত, ছবি অকাঁত আৰু চাফ-চিকুণতাত, পৰীক্ষাৰ বহীত প্ৰশ্নোত্তৰ কৰোঁতে লবলগীয়া সাৱধানাত। ছাত্ৰ-ছাত্ৰীয়ে কৰা ভুল-ভ্ৰান্তিবোৰ ৰঙা চিয়াহীৰে শুধৰাই দিছিল। ভুলবোৰ শুধৰাই দিয়াৰ উপৰিও তেখেতে সেইবোৰ একাধিকবাৰ অনুশীলন কৰাই আয়ত্ব কৰাইছিল যাৰ বাবে তেখেতৰ ছাত্ৰ ছাত্ৰীয়ে প্ৰতি বছৰে বৃত্তি পাবলৈ সক্ষম হৈছিল।

ভূঞা চাৰে আমাৰ স্কুললৈ অহাৰ ৮ মাহ মান পিছত পুনৰ স্কুল পৰিদৰ্শন কৰিবলৈ এচ. আই আহিল। স্কুলৰ উন্নতি দেখি তেখেত সন্তুষ্ট হ'ল আৰু তাৰ বাবে ভূঞা চাৰক ভূয়সী প্ৰশংসা কৰি গ'ল। তেখেতৰ যত্নতেই আমাৰ বিদ্যালয়ৰ পৰা পোন প্ৰথমবাৰৰ বাবে মই বৃত্তি লাভ কৰিছিলোঁ। চাৰে আমাৰ স্কুললৈ আহি অকল ঘৰ দুৱাৰ আৰু নিয়ম নীতিৰেই



পৰিবৰ্ত্তন কৰা নাছিল, পৰিবৰ্ত্তন কৰিছিল দৈনন্দিন কাৰ্য্যক্ৰম-নিকাৰো। তাৰে ভিতৰত স্কুল বহাৰ আগে আগে প্ৰাৰ্থনা কৰা, মাজে মাজে সভা সমিতি পাতি আবৃত্তি কৰা, নাচ-গান আৰু বক্তৃতা দিয়াৰ ব্যৱস্থা কৰাটো অন্যতম। তেখেতে হাতৰ কামৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল।

মোৰ ভালকৈ মনত আছে চাৰে আমাক বৃত্তি পৰীক্ষা দিয়াবলৈ বৰপেটালৈ নিয়াৰ কথা। তেতিয়া বৰপেটালৈ যোৱাৰ বাবে ভাল বাট-পথ নাছিল, গাড়ী-মটৰ নচলিছিল। হয় খোজ কাঢ়ি যাব লাগিছিল, নহয় নাৱেঁৰে যাব লাগিছিল। গতিকে আমাৰ দৰে সৰু ল'ৰাছোৱালীৰ বাবে নাৱেঁৰে যোৱাৰ বাহিৰে গত্যান্তৰ নাছিল। চাৰে আমাক নাওঁত তুলি বৰপেটালৈ নিছিল আৰু ওৰেটো বাটত গোটেই বছৰ জুৰি স্কুলত যিবিলাক পাঠ পঢ়াইছিল সেইবোৰৰ পুনৰ আলোচনাৰ দ্বাৰাই তেখেতে আমাক পৰীক্ষাৰ বাবে প্ৰস্তুত কৰাইছিল। বেছি সময় পাঠ আলোচনা কৰি আমাৰ আমনি লাগে বুলিয়েই মাজে মাজে বৰগীত, ভাটিয়ালী আৰু নাওঁ খেলৰ গীত গাই আমাক আমোদ দিছিল।

চাৰৰ হেনো শিক্ষক জীৱন আৰম্ভ হৈছিল বৰপেটাৰ দলা-হাটী এল. পি. ত। সেই সময়ত তেখেতে বিলোট্টাৰী হাটীৰ জতলগা মহাজনৰ ঘৰত আছিল। তেখেতে আমাকো নি সেই মহাজনৰ ঘৰতে ৰাখিছিল।

৺ভূঞা চাৰৰ কথা মনত পৰিলে তেখেতৰ প্ৰতি ভক্তিত শিৰ নত হৈ যায়। বন্ধৰ দিনত চাৰে আমাৰ ঘৰলৈ আহি মোক শিকাইছিল আৰু পুত্ৰবোধ স্নেহ কৰিছিল। শ্ৰদ্ধেয় ভূঞা চাৰক শিক্ষক হিচাবে নোপোৱা হ'লে হয়তো বৃত্তি পোৱাটো মোৰ বাবে সম্ভৱ নহ'লহেঁতেন।

ভূঞা চাৰৰ পৰা প্ৰাথমমিক বিদ্যালয়ত পঢ়ি থাকোতে হাতৰ

আখৰ, ছবি অঁকা আৰু ভালকৈ মেপ আঁকিব শিকা বাবেহে প্ৰৱেশিকা পৰীক্ষাত ভূগোল বিষয়ত লেটাৰ পাবলৈ সক্ষম হৈছিলোঁ।

মই যেতিয়া কলিকতাত পঢ়ি আছিলোঁ সেই সময়ত চাৰে চিকিৎসাৰ বাবে তালৈ গৈছিল। কিন্তু সেই সময়ত তাত হিন্দু মুছলমানৰ কাজিয়া হৈ থকা বাবে তেখেতৰ লগত যোৱা পশুপতি ভূঞাই ঘূৰি আহিব বিচৰাত চাৰে আধা চিকিৎসা কৰি ঘৰলৈ ঘূৰি আহিবলগীয়াত পৰিল। পিছত জানিলো যে ঘৰলৈ ঘূৰি অহাৰ কেইমাহমান পিছতে শ্ৰদ্ধেয় ভূঞা চাৰৰ অকাল মৃত্যু হয়।

তেখেতৰ মৃত্যুত আমি এজন গুণী, জ্ঞানী, দৰদী আদৰ্শৱান কৃতী শিক্ষকক হেৰুৱালো। মোৰ চাকৰিৰ পৰা অৱসৰ লোৱাৰ প্ৰায় দহ বছৰ হ'ল কিন্তু আজিও চাৰৰ স্মৃতি মোৰ মনত সজীৱ হৈ আছে। এইজনা নমস্য শিক্ষাগুৰুৰ পবিত্ৰ সোঁৱৰণত দু-আষাৰ লিখিবলৈ পাই নিজকে ধন্য মানিছো আৰু হিয়া ভৰা শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

—০—

মানুহৰ বুদ্ধি বা প্ৰতিভা থাকে, তাৰ শতকৰা নিৰানব্বৈ ভাগ নিজৰ পৰিশ্ৰমৰ ফল এভাগহে জন্মগত।

—টমাচ আলভা এডিচন

বিদ্যাই মানুহৰ শ্ৰেষ্ঠ অলংকাৰ, ই মানুহৰ সুৰক্ষিত ধন। বিদ্যাই মানুহক ভোগ, যশ আৰু সুখ দিয়ে।

—ভক্তিহৰি

# দগৰ বাদক বনাম সুৰ সাধক ৺ৰূপৰাম ভূঞা

শ্ৰীঅচ্যুতানন্দ চৌধুৰী
অধ্যক্ষ, সৰ্থাদেৱী ম'ডেল স্কুল

বৰপেটা জিলাৰ অন্তৰ্গত সৰুক্ষেত্ৰী মৌজাৰ নিবাসী মিঠা বৰণীয়া, কটীয়াকৈ মানুহজন। গা-গাবিয়ে নিপোটল আৰু সুশ্ৰী সেইজন। সদায় ধকধকীয়া বগা পিৰণ আৰু এখন চুৰীয়াৰে সৈতে, খনীয়া-কাপোৰ পৰিধান কৰা, তেৱেঁই হ'ল ৺ৰূপৰাম ভূঞা— মাতে ভূঞা পণ্ডিত বুলি। সঁচাকৈয়ে পণ্ডিত তেওঁ। সৰ্বসাধাৰণ পণ্ডিত সকল যি সজ গুণৰ অধিকাৰী নহয়; তেৱেঁই আছিল সেই সকলোবোৰৰ অধিকাৰী। যিজনাৰ সজ গুণৰ কথা কৈ অতাব নোৱাৰিব; অসমান্য।

ভূঞাদেৱৰ কৰ্মময় জীৱন আৰম্ভ হয় বৰপেটাৰ দলাহাটী নিম্ন প্ৰাইমাৰী স্কুলত—প্ৰতিষ্ঠাপক শিক্ষক হিচাবে। এবাৰ সেই পঢ়াশালীৰেই বছৰেকীয়া অধিবেশন এখনত দগৰ বজাই সুৰীয়া শ্ৰুতিমধুৰ এটি বৰগীতেৰে শ্ৰোতাসকলৰ মন অতিকৈ আকৰ্ষণ কৰে। সমিতিখনত বৰপেটা নগৰৰ অনেক বিজ্ঞলোক আছিল। ভূঞাদেৱৰ বৰগীত শুনি বৰপেটীয়া ভাইসকলে তেওঁক বুপৰ আঁকৰ বুলিহে আখ্যা দিছিল।

তাহানি কালতে যোৰহাটত গুৰু ট্ৰেইনিং পঢ়ি থকা কাল-ডোখৰতেই তেওঁ এদিন সন্ধিয়া ছাত্ৰাবাসত প্ৰশিক্ষণ শিকাৰুসকলৰ প্ৰাৰ্থনাৰ শেষত এটি দগৰৰ সহায়ত দেহবিচাৰৰ গীত গাই দিয়াত প্ৰশিক্ষাৰ্থী সকলৰ মাজত সাইলাখ কাঁহ পৰি জিন যোৱাৰ নিচিনা অৱস্থা হৈছিল। লগে লগেই হেনো ভূঞাদেৱৰ সহপাঠী বনগাওঁ নিবাসী ৺হৰেন্দ্ৰ নাথ মেধিৰ নিকটত উজনিৰ অনেক শিক্ষাৰ্থীয়ে ভূঞাদেৱৰ ওপৰত যশস্যা আৰোপ কৰি এই শলাগনি কথাযাৰেৰে

সমিধান দিছিল—"ভাই মেধি! কামৰূপীয়াৰ মাজতো সঙ্গীতজ্ঞ আছে।"

পৰৱৰ্ত্তী কালছোৱাত ভূঞাদেৱে সৰ্থেবাৰী মজলীয়া স্কুলত কিছু বছৰৰ কাৰণে শিক্ষকতা কৰি তাৰ পিছত নামশালা, কাৰাকুছি প্ৰাইমাৰী স্কুলত সুখ্যাতিৰে সেৱা আগবঢ়াই সদৌশেষত সৰ্থেবাৰী ছোৱালী এম্ ভি স্কুলত প্ৰধান শিক্ষক হিচাবে কাৰ্য্যনিৰ্বাহ কৰে। ছোৱালী এম্ ভি স্কুলত কাম কৰি থকা অৱস্থাত ভূঞাদেৱৰ বিশেষকৈ গঠনমূলক কাৰ্যপ্ৰতিভাৰ নিদৰ্শন স্কুলীয়া ছাত্ৰীসকলৰ মাজত পৰিলক্ষিত হয়। পণ্ডিত ভূঞাদেৱ কেৱল যে দগৰ বাদক, গীতিকাৰ, আদৰ্শ শিক্ষকহে আছিল, এনে নহয়; বয়ন কাৰ্য, গোঁথা আৰু চিলাই কৰা কাৰ্য আনকি ফুল তোলা আদি কামতো একোজনী পাকৈত শিপিনীকো চেৰ পেলাইছিল। সেয়েহে তেওঁ উক্ত স্কুলখনৰ পৰা "শিল্পী পণ্ডিত ভূঞা চাৰ" বুলি আখ্যা পাইছিল।

সৰ্থেবাৰী মজলীয়া স্কুলত শিক্ষকৰ কাম কৰি থকা অৱস্থাত পণ্ডিত ভূঞাদেৱৰ বিষয়ে এতিয়া এষাৰ কও শুনক। তেতিয়াৰ ডি, আই, পদ্ম বৰুৱাৰ সভাপতিত্বত বহা এখন সেই স্কুলৰে ছাত্ৰ সভা। ঘটনাক্ৰমে যান্ত্ৰিক অসুবিধাৰ বিজুতি ঘটে বাবে সভাপতিদেৱৰ অহাত পলম হ'ল। ইফালে ছাত্ৰ-ছাত্ৰীসকলে বহি আমনি পাইছে। ঠিক সেই সময়তে ভূঞাদেৱে আকস্মিক কথা এষাৰেৰে এটি প্ৰশ্ন কৰিলে। ভূঞাদেৱৰ ছাত্ৰসকললৈ বুলি কৰা প্ৰশ্নটি আছিল এই—"মৰমৰ ছাত্ৰ বৃন্দ! কি পনীয়া বস্তু এটি ঘাটৰ পানীত উটাই দিলে সেই পানীভাগৰে আন এটি ঘাটত ধৰিব পাৰি?" উত্তৰ দিবলৈ চিন্তা কৰি থাকোতে বহু সময় অতিবাহিত হয়। ইতিমধ্যে উক্ত সভাৰ সভাপতি আহি উপস্থিত হ'ল। উত্তৰটো আছিল "ঘন এৰাঁ গাখীৰ।" ভূঞাদেৱৰ আকস্মিক বুদ্ধিক কেৱে নশলাগি নোৱাৰে। সভাৰ অন্তত কৃপা চৌধুৰী



ৰচিত দেহ বিচাৰৰ গীত এটি গাই শ্ৰোতা বৰ্গক শুনাই ছাত্ৰ সভা নিস্তব্ধ কৰিছিল। গীতটোৰ প্ৰথমকলি এনে ধৰণৰ—

"অ, প্ৰাণ পাগলা, ক'ত আহি কিনো কৰিলি।
ঘৰৰ ভেটি মাটি বোগ —এন্দুৰে কাটি অথলে দিলে চৰাই।"

ইয়াৰ উপৰিও হাতৰ আঙুলিৰ গাঁথিৰ সহায়ত ইংৰাজী মাহবোৰৰ দিনবোৰ গণনা কৰা ৰীতি ভূঞাদেৱে উলিয়ায়। ভূঞাদেৱৰ সাহিত্য চৰ্চ্চা বোলতে আমি উল্লেখ কৰিব পাৰো যে—তেখেতৰ ৰচিত কেইবাখনো নাটক আৰু কিছুমান দেহ বিচাৰৰ গীত হাতে লিখা অৱস্থাতে ৰৈ গ'ল। কিছুমানে তাৰে পাণ্ডুলিপি নি হেৰুৱালে। তেখেতে কবিতাও লিখিছিল আৰু সেইবোৰ সভা সমিতিত আবৃত্তি কৰি শুনাইছিল।

ভূঞাদেৱ আন প্ৰকাৰে পটু কৃষিজীৱীও আছিল। ৰাতিপুৱা ৫ বজাতে ঢাৰি-পাটী এৰি কোৰখন হাতত লৈ কাম কৰা অভ্যাসটো তেখেতৰ শেষলৈকে আছিল। ভূঞাদেৱ মিঠামুখীয়া আৰু খুহুটীয়া কথা কোৱাত পাকৈত আছিল। কেতিয়াবা ধেমালীৰ চলেৰে খুহুটীয়া কথা কৈ লোকক হহুৱাই নিজে আনন্দ লভিছিল। সৰুক্ষেত্ৰী অঞ্চলত সাঙুৰি দি ধান কটা প্ৰথা তেখেতেই প্ৰৱৰ্ত্তন কৰিছিল। এইদৰে ধান কটা কাৰ্য নিজে কৰি আনকো কৰিবলৈ কৈ ভূঞাদেৱে মানুহৰ মাজত সহায়-সহযোগিতাৰ মনোভাৱ গঢ়ি তুলিছিল।

কিন্তু বিধিৰ বিধান কেৱে উলঙ্ঘন কৰিব নোৱাৰে। তেওঁৰ কৰ্মময় জীৱনৰ কালছোৱাৰ অন্ত নৌ পাওতেই ১৯৪৬ চনৰ ১৭ অক্টোবৰ তাৰিখে মাত্ৰ কেইমাহ মান আগতে কৰ্কট ৰোগত আক্ৰান্ত হৈ অসময়তে ভূঞাদেৱে জীৱনৰ শেষ নিশ্বাস পেলায়। দগৰ বাদক ভূঞাদেৱ আমাৰ মাজৰ পৰা নাইকীয়া হ'ল সঁচা; কিন্তু ভূঞা পণ্ডিতৰ সাংগঠনিক, সাংস্কৃতিক আদৰ্শ আমাৰ মাজত চিৰদিনলৈ ৰৈ গ'ল। ০০

# জনাৰ্দন সমিতিৰ জনক ঃঃ স্বৰ্গীয় ৰূপৰাম ভূঞা

**শ্ৰীৰতিকান্ত ৰয়**
শিক্ষক, আমখোৱা

মানৱ জীৱনৰ অগ্ৰগতিত বংশ আৰু পৰিৱেশে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। কিন্তু কেতিয়াবা দুয়োটাকে নেওঁচি দুই এজন ক্ষণজন্মা পুৰুষে নিজ প্ৰতিভা, অধ্যৱসায় আৰু একাণপতীয়া প্ৰচেষ্টাৰ বলত সমাজত স্বকীয় ব্যক্তিত্ব ৰাখি থৈ যায়। স্বৰ্গীয় ৰূপৰাম ভূঞাদেৱো এজন ঠিক তেনে বৈশিষ্টপূৰ্ণ ব্যক্তিত্বসম্পন্ন লোক আছিল। সেই সময়ত তেখেতৰ জন্মস্থানৰ পাৰিপাৰ্শ্বিকতা নাইবা বংশানুক্ৰমে তেখেতৰ ব্যক্তিত্ব বিকাশৰ অনুকূল নাছিল। তথাপি তেখেতে নিজস্ব চেষ্টাৰ দ্বাৰা আমাৰ সৰুক্ষেত্ৰী অঞ্চলৰ জন-মানসত এখন সুকীয়া আসন ৰাখি থৈ গৈছে। মই ৺ভূঞা দেৱক মহামানৱৰ আসনত প্ৰতিষ্ঠা কৰিব খোজা নাই। কিন্তু এইটো স্বীকাৰ্য্য যে তেখেত নিঃসন্দেহে এজন আদৰ্শৱান কৃতী শিক্ষক, সমাজ সংগঠক, সাহিত্যিক, সু অভিনেতা আৰু সৰৱবহী লোক আছিল।

জীৱিকাত তেখেত এজন শিক্ষক আছিল। শিক্ষক হিচাবে তেখেত আছিল চিন্তাশীল, অধ্যৱসায়ী আৰু খেলাৰ মাজেৰে শিক্ষা দিয়াৰ পক্ষপাতি। তেখেতৰ ছাত্ৰসকলৰ মাজৰ দুই এজনৰ পৰা জনা গৈছে যে তেখেতে কণকণ শিশুক হাঁহি-ধেমালি, খেলা-ধূলা, গীত-মাত আৰু গল্পৰ মাজেৰে মনোগ্ৰাহীকৈ শিক্ষা দিছিল। সকলো বিষয়তে অগাধ ব্যুৎপত্তি থকা সেইজনা অসাধাৰণ ব্যক্তিত্ব সম্পন্ন শিক্ষকে বিজ্ঞানসন্মত ভাৱে পাঠবোৰ সহজে আয়ত্ব কৰিব



পৰাকৈ শ্ৰেণীত উপস্থাপন কৰিছিল। পিতৃ সুলভ গুণেৰে তেখেতে বিদ্যাৰ্থীৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল আৰু মৰম চেনেহেৰে তেওঁলোকক শিক্ষণীয় বিষয়ৰ প্ৰতি আকৃষ্ট কৰিছিল। এই মহৎ গুণৰ বাবেই সেইজনা নমস্য শিক্ষাগুৰুৰ কথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে আজিও শ্ৰদ্ধাৰে স্মৰণ কৰে।

ভূঞাদেৱ যে কেৱল এজন আদৰ্শৱান শিক্ষকেই আছিল এনে নহয়—তেখেত আছিল এজন সুদক্ষ অভিনেতা আৰু জনপ্ৰিয় সঙ্গীতজ্ঞ। অসম সাহিত্য সভাৰ আগন্তুক ৬১ তম সৰ্থেবাৰী অধিবেশনৰ সভাপতি শ্ৰীযুত হিতেশ ডেকাদেৱৰ লগতো তেখেতে "চন্দ্ৰগুপ্ত" নাটকত অভিনয় কৰি দৰ্শকৰ ভূয়সী প্ৰশংসা লাভ কৰিছিল। তদুপৰি নামশালা নাট্য দলৰ লগত তেখেত ওতঃপ্ৰোতভাৱে জৰিত আছিল। তেখেতে নিজে গীত-পদ ৰচনা কৰি সভাই-সমিতিয়ে গাই ফুৰিছিল। বিশেষকৈ তেখেতে ৰচনা কৰা কিছুমান কবিতা সভা-সমিতিত আবৃত্তি কৰাৰ বাবে জনপ্ৰিয় হৈ পৰিছিল। তেনে এটি কবিতা উল্লেখ কৰা হ'ল—

নাই মান, ধন-বিত,
কৰ্ম স্থানৰ থানথিত,
তথাপিতো হলোঁ মই প্ৰাইমাৰীৰ পণ্ডিত।
ভগা চকীত বহি থকা ওপৰৱালাৰ দণ্ডিত॥
দৰমহাৰ হাৰ বাৰ টকা,
দেখোঁ মাথো চকা মকা,
জেপত ভৰাই দোকান পাওঁতে তেনেই হয় শেষ।
ঘৰৰ অভাৱ পুৰাব নোৱাৰা শুকান-উৱাল লেশ॥
কাকো লাগে চোলা-পেণ্ট,
মেখেলা চাদৰ, গোন্ধ-তেল,

উপাই নাপাই সিহঁতক পিন্ধাওঁ ফটাকানি।
কিমান দিন শুনাম আৰু সান্ত্বনাৰ বাণী॥
পণ্ডিতে খায় কলাই মাহ,
নাই ৰুটি নাই চাহ,
অৰ্থাভাৱত ঘৰ-দুৱাৰ সকলো গ'ল ভাগি।
উৰুখা ঘৰত বৰষুণত ৰাতি থাকোঁ জাগি॥

এই কবিতাটোৰ জৰিয়তে ভূঞাদেৱে নিম্নবৃত্ত শিক্ষক শ্ৰেণী-টোৰ আৰ্থিক সমস্যাৰ এটি সুন্দৰ ছবি ফুটাই তুলিছে। বাৰ টকা দৰমহা পোৱা শিক্ষক এজনে নিশ্চয় পেট ভৰাই ভাত-মাছ খাব নোৱাৰে। নোৱাৰে ল'ৰা-তিৰোতাক এখন ভাল কাপোৰ পিন্ধাবলৈ; কিন্তু কৰ্ত্তব্য অৱহেলা কৰিব নোৱাৰে। উৰুষা পঁজাত অনা-হাৰী, উজাগৰী নিশা কটাই নিজ কৰ্ত্তব্য নিষ্ঠাৰে পালন কৰে।

১৯৩৪ চনত বৰ্তমান নগাওঁ, সৰুক্ষেত্ৰী আৰু পাকা মৌজাক সামৰি লোৱা অবিভক্ত—সৰুক্ষেত্ৰী মৌজাৰ হাইস্কুল, এম্, ই, এম্ ভি, এল্ পি স্কুলৰ শিক্ষক সকলৰ মাজত "জনাৰ্দ্দন সমিতি" নামেৰে এটি শিক্ষক সন্মিলনিৰ জন্ম লাভ কৰিছিল। প্ৰয়াত মাননীয় ৺হৰিচৰণ তালুকদাৰ, ৺হংসৰাম গোস্বামী, ৺গম্ভীৰ চন্দ্ৰ ৰয়ৰ লগতে ৺ভূঞাদেৱ আছিল এই মহৎ অনুষ্ঠানটিৰ অন্যতম জন্মদাতা। বৰ্তমান উক্ত জনাৰ্দ্দন সমিতি "সৰুক্ষেত্ৰী পাকা-প্ৰাথমিক শিক্ষক সন্মিলন" নামেৰে বাঁচি আছে। বছৰেকত জনাৰ্দ্দন সমিতি এবাৰ বহিছিল। তালৈ শিক্ষা বিভাগৰ উৰ্দ্ধতম বিষয়া আৰু অন্যান্য শিক্ষাবিদ সকলক নিমন্ত্ৰণ কৰা হৈছিল। নিশা ভাগতহে জনাৰ্দ্দন সমিতি বহিছিল। ছয় মান বজাৰ পৰা পিছ-দিনা ৰাতিপুৱালৈ। শিক্ষামূলক আলোচনাৰ লগতে ৰখা হৈছিল সৰুক্ষেত্ৰীৰ দিহা-নাম, নাও-খেলৰ গীত, লোকগীত, বৰগীত, ওজা-পালি, আবৃত্তি আদি সাংস্কৃতিক কাৰ্যসূচী। সাংস্কৃতিক কাৰ্যসূচীৰ



প্ৰধান গুৰি ধৰোতা আছিল স্বৰ্গীয় ভূঞাদেৱ। তেখেতে স্বৰচিত গীত গাইছিল আৰু স্বৰচিত কবিতা আবৃত্তি কৰিছিল। আন শিক্ষকে তেখেতৰ গীত গাইছিল আৰু কবিতা আবৃত্তি কৰিছিল। তেখেতৰ ৰচিত কবিতা ৺ভীষ্মৰাম তালুকদাৰ আৰু শ্ৰীপীতেশ্বৰ ডেকাই আবৃত্তি কৰি প্ৰশংসা লাভ কৰিছিল।

উক্ত জনাৰ্দ্দন সমিতিলৈ ৺ভূঞাদেৱৰ আছিল গভীৰ শ্ৰদ্ধা আৰু আন্তৰিকতা। এই শ্ৰদ্ধা আৰু আন্তৰিকতাৰ দুটা উদাহৰণ তেখেতৰ জীৱনৰ পৰা মই আগবঢ়ালো। বৰ্তমানৰ সৰুক্ষেত্ৰী-পাকা মৌজা শিক্ষক সন্মিলনত মোৰ কেইবাবছৰো সম্পাদক আৰু সভাপতি ৰূপে এই অনুষ্ঠানটোক সেৱা কৰাৰ সৌভাগ্য হৈছিল। এইখিনি সময়তে পুৰণাচাম মাননীয় শিক্ষকসকলৰ পৰা মই ৺ভূঞাদেৱৰ আৰু এই অনুষ্ঠানটিৰ জন্ম লগ্নৰ পৰা থকা তেখেতৰ অৱদান তথা নিবিড় সম্বন্ধৰ কথা জানিব পাৰিছিলো। আগবঢ়াব খোজা উদাহৰণ দুটি মাননীয় পুৰণাচাম শিক্ষকৰ পৰা শুনা। ৺ভূঞাদেৱৰ বিবাহিত জীৱনৰ বহু বছৰলৈকে সন্তান লাভ হোৱা নাছিল। সৰ্থেবাৰী হাইস্কুলত বহা জনাৰ্দ্দন সমিতিত তেখেতে পুত্ৰ কামনাৰে গোটেই গুৰু মণ্ডলীৰ ওচৰত সাষ্ঠাংগে প্ৰণিপাত জনাইছিল। তেখেতৰ অকপট ভক্তি আৰু গুৰু মণ্ডলীৰ পুট আশীৰ্বাদত কিছুদিনৰ পিছতে পুত্ৰ মুখ দৰ্শন কৰি তেখেত ধন্য হৈছিল। ই আছিল অতি আনন্দৰ কথা। আন এটি যি আছিল তেনেই বিষাদ আৰু অশ্ৰু সিক্ত। ৺ভূঞাদেৱ ৰোগ শয্যাত সৰুক্ষেত্ৰী হাইস্কুলত (বনিয়াকুছিত) জনাৰ্দ্দন সমিতি বহিছে। অনুষ্ঠানৰ একান্ত সেৱক আৰু প্ৰিয়তম শিক্ষকজনৰ সমিতিলৈ নিজে আহিব পৰা ক্ষমতা নাই। গোটেই শিক্ষক মণ্ডলীৰ মনত দুখ। শেষত সিদ্ধান্ত হ'ল—ডোলাৰে (সেই সময়ত গাড়ী মটৰ, ৰিক্সা আদি নাছিল) জনাৰ্দ্দন সমিতিলৈ তেখেতক আনিব লাগে।

জনাৰ্দ্দন সমিতিত সমূহ শিক্ষক বৃন্দৰ শেষ দৰ্শনৰ বাবে ৺ভূঞা-দেৱ উদ্গ্ৰীৱ হৈয়ে আছে। সিদ্ধান্ত মৰ্মে তেখেতক ডোলাৰে সভালৈ অনা হ'ল। সমিতিৰ একনিষ্ঠ সেৱকজনে বন্ধুৰ সহায়ত ডোলাৰ পৰা নামি ভূমিত পৰি প্ৰণিপাত জনালে। সকলোৰে পৰা শেষ বিদায় মাগিলে থোকাথুকি মাতেৰে। দুগালেৰে বৈ গ'ল দুধাৰী চকুলোঁ। ... ... ... ... আৰু সমাৱেত শিক্ষা মণ্ডলীৰ প্ৰতিজনৰ হৃদয় বিগলিত কৰি নামি আহিল অশ্ৰুবন্যা।

—০০—

**মহাত্মা গান্ধীয়ে কৈছিল—**

যিমানবোৰ ধৰ্ম আছে সকলোবোৰ শ্ৰেষ্ঠ। ধৰ্মৰ দোষ নাই, দোষ থাকে মানুহৰেহে।

পৃথিৱীত সকলোতকৈ শক্তিমান হৈছে জনমত আৰু সেই শক্তি সত্য আৰু অহিংসাৰ পৰাহে জন্মিব পাৰে।

স্বাধীনতা দিৱস তেতিয়াহে আনন্দৰ দিন হবগৈ যেতিয়া আমি শুদ্ধ অন্তৰেৰে পৰস্পৰৰ বন্ধু হ'ব পাৰিম।

## পৰম পূজনীয় শিক্ষাগুৰু ৺ৰূপৰাম ভূঞাদেৱৰ সোঁৱৰণত—

**শ্ৰীগঙ্গা নাথ ভূঞা**
ব্যৱসায়ী, নামশালা

পূজনীয় ভূঞাদেৱ ১৯৩৩ চনত ১ নং নামশালা প্ৰাইমাৰী স্কুললৈ হেড্ পণ্ডিত হিচাবে বদলি হৈ আহে। স্কুলৰ কাৰ্যভাৰ লৈ বৰ মনোযোগেৰে ল'ৰাক শিক্ষাদান কৰিবলৈ লয়। তেখেতৰ যত্নতে আমাৰ স্কুলৰ পৰা প্ৰথম বাৰৰ বাবে পল্লা গাঁৱৰ শ্ৰীতৰুণ চন্দ্ৰ গোস্বামী নামৰ ল'ৰা এজনে গৱৰ্ণমেণ্টৰ বৃত্তি লাভ কৰে।

তেতিয়া মই প্ৰথম মানত পঢ়িছিলোঁ যদিও তেখেতৰ ব্যক্তিত্ব আৰু কৰ্ম নৈপুণ্যতাত বৰ মোহিত হৈছিলোঁ। ভূঞাদেৱ দেখাত বৰ শুৱনি, হৃষ্ট-পুষ্ট, থুলন্তৰ মানুহ আছিল। তেখেতে বৰপেটাত শিক্ষা জীৱন শেষ কৰি তাতে শিক্ষকতা জীৱনৰ পাতনি মেলে। আমাৰ স্কুললৈ আহি স্কুলখনৰ লগতে গাওঁখনৰো বিশৃংখলা দেখি বৰ দুখ পাইছিল। গাওঁখনৰ একতা ভাঙি ধৰ্মীয় পৰ্ব-বিলাক ছেদেলি-ভেদেলি হৈছিল। সেই সময়ত তেখেতে অশেষ কষ্ট কৰি গাঁৱৰ মানুহ গোট খুৱাই গাওঁখনৰ চাৰিও চুপাৰ পৰা পোন্ধৰ/ষোল্লজন মেম্বাৰ আৰু সভাপতি, চেক্ৰেটাৰী পাতি লৈ "নামশালা কৰ্ম-সাধিনী সভা" নাম দি এখন গাওঁ পৰিচালনা সমিতি গঠন কৰিছিল। তেখেতে নিজে সেই সভাত কোনো বাব লোৱা নাছিল ; কিন্তু সকলো কামত উপদেষ্টা হিচাবে থাকি পৰিচালনা কৰিছিল। এই সভাখনৰ দ্বাৰাই গাঁৱৰ আলি-পদূলি বন্ধাত লাগিছিল। গাঁৱৰ ভিতৰৰ প্ৰধান ৰাস্তাটো প্ৰত্যেক ঘৰ মানুহক ১ টাৰ (১২ ফুট) কৈ ভগাই দি ৰাস্তা বন্ধাইছিল।

গাঁৱৰ উন্নয়নৰ কামত তেখেত বৰ আগ্ৰহী আছিল আৰু কষ্টও সহিব পাৰিছিল। ১৯৪৩ চনত গভৰ্ণমেণ্টে কো-অ'পাৰেটিভ চোচাইটি খুলি গাওঁবাসীক সস্তীয়া দামৰ খাদ্য-সামগ্ৰী যোগান ধৰিছিল। তেতিয়া নামশালাতো শ্ৰদ্ধেয় ভূঞা চাৰৰ যত্নত এখন কো-অ'পাৰেটিভ চোচাইটি খোলা হৈছিল। কেতিয়াবা চোচাইটিৰ কোনো কামত বৰপেটালৈ যাওঁতে তেখেতে নিজে চাৰি ধৰি নাওৰ গুৰিত, মই আৰু কৃপাল ভূঞাই নাওৰ আগত চাৰি-বঠা ধৰি নাও বাইছিলো। সেই চোচাইটিৰ শিক্ষাগুৰু ভূঞাদেৱ মেনেজাৰ আৰু মই চেলচ্‌মেন হিচাবে কাম কৰিছিলোঁ।

মই চেলচ্‌মেন হিচাবে কাম কৰিছিলোঁ যদিও হিচাব-পত্ৰৰ খাটাৰ কাম মইহে কৰিব লাগিছিল। কিয়নো তাৰ আগতে সৰ্থেবাৰীৰ দি আসাম কো-অ'পাৰেটিভ চোচাইটিত কেইমাহ মান কাম কৰি খাটা পত্ৰৰ কাম শিকিছিলোঁ। সেইদৰে ষ্টোৰখনৰ মাল-বস্তু বেচা-কিনাত মইয়ে খাতিছিলো। কেতিয়াবা মই বৰপেটালৈ মাল আনিবলৈ গলেহে দুই / এদিন তেখেতে দোকানত সম্পূৰ্ণকৈ লাগিছিল। তেখেতে স্কুলৰ কাম, গাঁৱৰ কাম, খেতি পথাৰৰ কাম কৰোতে সময়ো নাপাইছিল। কিন্তু গধূলি হলে সদায় দোকানলৈ আহিছিল। সন্ধিয়া দোকানৰ গ্ৰাহক নোহোৱা হলে মই খাটা-পত্ৰৰ কাম কৰিব ধৰো আৰু তেখেতে চাৰি/পাঁচ জন ডেকা ল'ৰাৰ লগত নিজে খঞ্জৰী লৈ বৰগীত গাবলৈ আৰম্ভ কৰিছিল। কাম কৰা সময়ত তেনেকৈ গীত গাই থাকিলে মই আমনি পাও বুলি পিঠিত হাত বুলাই সান্ত্বনা দিছিল। পিছলৈ শুনি শুনি অভ্যাস হোৱা বাবে নিৰ্ভুলকৈ খাটাৰ কাম কৰিব পৰা হৈছিলোঁ।

আমাৰ গাঁৱৰ মূল ধৰ্মীয় অনুষ্ঠান চাৰিটা হ'ল—দৌলোৎসৱ পূৰ্বৰ পৰা চলি অহা পাল নাম, দামোদৰদেৱৰ তিথি আৰু বৰ-নাম। এই পৰ্ব কেইটা গাঁৱৰ তিনিটা নাম ঘৰত পালন কৰা হৈছিল। দৌল উৎসৱ আৰু মৌজাৰ বৰনাম পশ্চিমৰ কীৰ্তন ঘৰত, মাজৰ কীৰ্তন ঘৰত তিনিদিনীয়া পালনাম আৰু পূবৰ কীৰ্তন ঘৰত গুৰুজনাৰ তিথি মহা সমাৰোহেৰে পালন কৰা হৈছিল। কিন্তু সেই সময়ত এই উৎসৱ পালনৰ উৎসাহ-উদ্দীপনা কিছু কমিছিল। ভূঞাদেৱে কৰ্ম সাধিনী সভাৰ জৰিয়তে গাওঁবাসীক একতাৰ দোলেৰে বান্ধি এই উৎসৱ চাৰিটা পুনৰ উলহমালহেৰে পালন কৰাৰ দিহা কৰিলে। তেখেতৰ তৎপৰতাত গাওঁখনে প্ৰগতিৰ পথত আগ বাঢ়িল।



সকলো কামতে ভূঞাদেৱ বৰ উৎসাহী আছিল। গীত-মাতত তেখেতৰ বৰ ধাপ আছিল। নিজে ঢোল, খোল, খঞ্জৰী আদি বজাই মহাপুৰুষ মাধৱদেৱৰ ৰচিত বৰগীত গাই মানুহৰ মন মোহিত কৰিব পাৰিছিল। সময়ত নিজে ৰচনা কৰা গীত দুই এটি সুৰ সঞ্চাৰ কৰি গাইছিল। নিজে ৰচনা গীত এটি সৰ্থেবাৰী এম্ ভি স্কুলত মহকুমা ভিত্তিত পতা শিক্ষক সন্মিলত (অ' ভাই পণ্ডিত, বিষয়াৰ দণ্ডিত, ধাতু উঁৰি যায় তোৰ……) নিজে খঞ্জৰী বজাই গাওঁতে বৰ প্ৰশংসা লাভ কৰিছিল। গীতটোৰ এই ফাকিটোহে মনত আছে, বাকী অংশ পাহৰি গৈছোঁ।

ইয়াৰোপৰি তেখেতে নিজে ১৮ পোৱাৰ বৰতাল (এবিধ কাঁহৰ বাদ্য) ধৰি নামত পদ দিছিল। এনে সুন্দৰ থুলন্তৰ দেহাটোৰে নানা অংগি-ভংগি আৰু হাতৰ মোচনেৰে নাম দিছিল যে চাই থকা আন বহুতৰ দৰে ময়ো মুগ্ধ হৈছিলোঁ।

ভূঞাদেৱ বৰ বলীও আছিল। মানুহৰ মুখত শুনা তেখেতৰ বিক্ৰমৰ কথা এটিৰ সত্যাসত্য বুজাৰ কাৰণে এদিন চাৰক সুধিছিলোঁ—"চাৰ আপুনি হেনো এদিন আমুখোৱা গাঁৱৰ পৰা তিনি মোন ধান ভাৰ কৰি আনিছিল ?" উত্তৰত চাৰে হয় বুলি

স্বীকাৰ কৰিছিল। তেখেতে সিদিনা মোক তেখেতৰ আন এটি ঘটনা কৈছিল—"এদিনাখন মই জৈলা নাও (বাৰিষা কালত গঞাই ব্যৱহাৰ কৰা নাও) এখন এফালে দত্তৰাম ভূঞা, হৰপাতি ভূঞা আৰু দাসীৰাম ভূঞাই দাঙিছিল আৰু আনফালে মই অকলে দাঙিছিলোঁ। ভূঞা চাৰে এনেকুৱা বল বিক্ৰম দেখুৱা বহু কাম কৰিছে—যিবোৰ শুনিলে বিশ্বাস কৰিবলৈ টান লাগে।

ভূঞাদেৱ ইমান উৎসাহী পুৰুষ আছিল যে ইমানবোৰ ৰাজ-হুৱা কামত জৰিত থাকিলেও তেখেতে কোনো দিনে স্কুল খতি নকৰিছিল। তেখেতে স্কুলত ল'ৰা-ছোৱালীক বৰ মনপুতি শিকাইছিল আৰু ল'ৰা-ছোৱালীবোৰেও ভক্তিভাৱে শিক্ষা গ্ৰহণ কৰিছিল। ইয়াৰোপৰি তেখেতে ৰাতিপুৱা নিজে হাল-কোৰ বাই খেতিও কৰিছিল।

পঞ্চাছৰ দেওনা পাৰ নোহওতেই কোনো কু-গ্ৰহৰ প্ৰভাৱত সেইজনা সুস্বাস্থ্যৰ অধিকাৰী শক্তিমন্ত পুৰুষৰ সুন্দৰ দেহত কাল ব্যাধিয়ে আক্ৰমণ কৰিলে। চিকিৎসাৰ বাবে কলিকতালৈও গ'ল; কিন্তু বিধিৰ বিপাকত পৰি সাম্প্ৰদায়িক সংঘৰ্ষৰ বাবে চিকিৎসা আধৰুৱাকৈ উভতি আহিবলগীয়াত পৰিল। তাৰ পৰা ঘুৰি অহাৰ কেইমাহ মান পিছতে সকলোকে কন্দুৱাই ১৯৪৬ চনত ইহলীলা সম্বৰণ কৰে।

সেই উৎসাহী ঋষিতুল্য শ্ৰদ্ধেয় ভূঞা চাৰ আজি আৰু আমাৰ মাজত নাই সঁচা; কিন্তু তেখেতৰ আদৰ্শ আৰু কৰ্ম ৰাজিয়ে আমাক প্ৰেৰণা যোগাই থাকিব।

—

# ভূঞা পণ্ডিত

॥ স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য ॥

## —তৃতীয় অধ্যায়—

## আত্মীয়ৰ দৃষ্টিত ৺ৰূপৰাম ভূঞা

## নিবেদক

**শ্ৰীপীতাম্বৰ চৌধুৰী**
প্ৰধান শিক্ষক, সৰ্থেবাৰী চেণ্টেল বয়জ এম্ ভি স্কুল

**শ্ৰীধৰণীধৰ ডেকা**
কাঁহ-শিল্পী / সাহিত্যিক
অৱসৰপ্ৰাপ্ত শিল্প-নিৰ্দেৰ্শক, লক্ষীমপুৰ

**শ্ৰীমতী কণকলতা তালুকদাৰ (মাইকণ)**
তিনিচুকীয়া

**শ্ৰীপ্ৰভাত চন্দ্ৰ চৌধুৰী**
অৱসৰপ্ৰাপ্ত চাকৰিয়াল
কলীয়াহাটী—সুন্দৰীদিয়া ঃঃ বৰপেটা

**শ্ৰীসৰ্বানন্দ দাস**
ব্যৱসায়ী,
বিলৰতাৰিহাটী, বৰপেটা

# "ভূঞা পণ্ডিত" নামে খ্যাত এগৰাকী অসামান্য শিক্ষকৰ সামন্য পৰিচিতি

শ্ৰীপীতাম্বৰ চৌধুৰী
প্ৰধান শিক্ষক,
সৰ্থেবাৰী চেণ্ট্ৰেল বয়জ এম্ ভি স্কুল

**চমু পৰিচয় ঃ**

অসমৰ কাঁহ-শিল্পৰ বাবে প্ৰসিদ্ধ সৰ্থেবাৰী নগৰৰ গাতে লাগি থকা নামশালা গাঁৱত ১৮২৪ শকৰ আহিন মাহৰ কোনো এটি পৱিত্ৰ দিনৰ শুভক্ষণত ৺পীতৰাম ভূঞাৰ ঔৰষত ৺ভাগ্যেশ্বৰী ভূঞাৰ গৰ্ভত এটি সন্তানৰ জন্ম হৈছিল। সন্তানটিৰ নাম ৰাখিছিল "ৰূপৰাম"—ৰূপে গুণে ৰজিতা খোৱা এটি সুন্দৰ নাম। দুখীয়াৰ ভঙা পঁজাত ওপজা সেই শিশুটোৱে সময়ত নিজ প্ৰতিভা বিকশাই "ভূঞা পণ্ডিত" নামেৰে খ্যাত হৈ "A teacher is born, not made." কথাষাৰ সাৰ্থক কৰি দেখুৱাইছিল। সৰুক্ষেত্ৰী অঞ্চলত তেখেতৰ সেই খ্যাতি আজিও ৰৈ বৈ আছে।

**শিক্ষা আৰু কৰ্মজীৱন ঃ**

যি সময়ত ৰূপৰাম ভূঞাৰ জন্ম হৈছিল, সেই সময়ত গাওঁ অঞ্চলৰ ল'ৰাবোৰে কিছু ডাঙৰ হোৱাৰে পৰা মাছ মৰা, গৰু চৰা, নল-খাগৰি-ইকৰা আদি কটা কামতে ব্যস্ত হৈ পৰিছিল। পঢ়া-শুনাৰ প্ৰতি আগ্ৰহী নাছিল। মাক-পিতাকেও সন্তানৰ পঢ়া-শুনাৰ প্ৰতি বিশেষ মনোযোগ নিদিছিল। (গাওঁ অঞ্চলত পঢ়াশালি নিচেই কম আছিল। কেবা মাইলো অন্তৰে অন্তৰে একোখন প্ৰাইমাৰী স্কুল আছিল আৰু বিশেষ বিশেষ বিখ্যাত ঠাইতহে দুই এখন উচচ শিক্ষাৰ স্কুল আছিল।) কেৱল ঘৰুৱা কৰ্মতে সন্তান সকলক

পাকৈত কৰিবলৈ মাক-পিতাক সকলে যত্ন কৰিছিল। তাৰে ভিতৰত দুই এজন ব্যতিক্ৰমো আছিল। ৰূপৰাম ভূঞাও সেই ব্যতিক্ৰমৰে এজন আছিল। সৰুৰে পৰা লিখা-পঢ়াত একাগ্ৰতীয়া স্বভাৱৰ ভূঞাই সুখ্যাতিৰে ছাত্ৰ বৃত্তি (এম্ ভি) স্কুলৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ শিক্ষকতা কৰিছিল।

বৰপেটাৰ দলহাটীৰ প্ৰাইমাৰী স্কুলত শিক্ষকতা জীৱনৰ পাতনি মেলি সৰ্থেবাৰী, কাবাকুছি, নামশালা আদি বিভিন্ন ঠাইত মজলীয়া আৰু প্ৰাইমাৰী স্কুলত শিক্ষকতা কৰিছিল। যি ঠাইতে চাকৰি কৰিছিল সেই ঠাইতে সমাদৰ লাভ কৰিছিল। স্কুলৰ সহযোগী শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আনকি অভিভাৱকৰ লগতো মধুৰ সম্পৰ্ক গঢ়াত ৰূপৰাম ভূঞা সিদ্ধহস্ত আছিল। নিজৰ সৰল, অমায়িক, কৰ্ত্তব্যনিষ্ঠা আৰু সুআচৰণ গুণ সমূহেৰে আনক মোহিত কৰিছিল। স্কুলত সভা-সমিতি পাতি ছাত্ৰ-ছাত্ৰীক ঐক্য-বদ্ধ কৰাত আৰু চৰিত্ৰ গঠন কৰাত আগৰণুৱা আছিল। হাতৰ আখৰ আৰু ছবি অঁকা বিষয়ত শিক্ষাদানত বিশেষ পাৰদৰ্শিতা দেখুওৱা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা অগাধ মৰম প্ৰীতিৰ কথা সেই সময়ৰ ( ভূঞাৰ প্ৰাক্তন ) ছাত্ৰ-ছাত্ৰীৰ মুখে মুখে আজিও শুনা যায়। অনুপস্থিত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতিৰ কাৰণ বিচাৰ-খোঁচৰ কৰাত আৰু অসুখ-বিসুখ বুলি শুনিলে সাতবন কাটি কৰি থৈ খবৰ লবলৈ যোৱাটো ভূঞাৰ জীৱনৰ এক বিশেষ বৈশিষ্ট্যতা আছিল। ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা পিতৃসুলভ স্নেহৰ বাবেও ছাত্ৰ-ছাত্ৰীসকলে ভক্তি আৰু শ্ৰদ্ধাতে সদায় মূৰ দোঁৱাইছিল।

ৰূপৰাম ভূঞা এজন স্বাৱলম্বী আৰু কৰ্মযোগী পুৰুষ আছিল। স্কুললৈ যোৱাৰ পূৰ্বে ৰাতিপুৱাই ( খেতিৰ বতৰত ) কান্ধত হাল-কোৰ লৈ পথাৰলৈ গৈছিল। ইয়াৰ পিছত গা-পা ধুই খাই-বৈ নিৰ্দিষ্ট সময়ৰ কিছু পূৰ্বেই স্কুলত উপস্থিত হৈছিলগৈ।



খেতি পথাৰত কাম কৰোতে এটা বৰ লক্ষণীয় কাম কৰিছিল। তেওঁ শকত-আৱত সুঠাম দেহৰ আছিল। নিজৰ গাৰ ভৰ বেছি বুলি জানি ( গৰু হালে টান পাব বুলি ভাবি গৰু হালৰ মৰমতে ) মৈত নুঠিছিল। ভীম আঠীয়া কল গছ এডাল কাটি সেই কলডালকে মৈত তুলি দি মাটি মৈয়াইছিল। সেয়েহে পথাৰৰ এচুকত এজোপা ভীমকলো ৰুই থৈছিল। ধান কটা, মৰণা মৰা, খৰি কটা, ঘাঁহ কটা, মাছ ধৰা আদি কামো কৰিছিল। সেয়েহে ভূঞাক এজন স্বাৱলম্বী আৰু কৰ্মযোগী পুৰুষ বুলি কব পাৰি।

**সামাজিক জীৱন :**

ৰূপৰাম ভূঞা সমাজৰ এজন ভাল মেলুৱৈও আছিল। গাঁৱৰ ইজন-সিজন বা ইঘৰ-সিঘৰৰ মাজত হোৱা দ্বন্দ্ব-খৰিয়াল ভাঙি তেওঁলোকক মিলা-প্ৰীতি কৰাই দিছিল। মেলত তেওঁৰ ৰায়ক ৰাইজৰ লোকে সাদৰে সমৰ্থন জনাইছিল। ভূঞা এগৰাকী সদা-লাপী, উদ্যোগী সমাজ কৰ্মীও আছিল। সমাজক সচেতন কৰি যাতায়তৰ বাবে ৰাস্তা-ঘাট বন্ধা, খোৱা পানীৰ ব্যৱস্থা কৰা, সমবায় সংঘৰ জৰিয়তে দোকান খুলি খাদ্য বস্তু যোগান ধৰা আদি উন্নয়নমূলক কামত ভূঞা আছিল অন্যতম আগৰণুৱা। আপদে-বিপদে আনক সহায় কৰা তেওঁৰ জীৱনৰ এক বিশেষ গুণ আছিল বাবে তেওঁ নিজেও আনৰ পৰা সহায় সহযোগ আৰু সমাদৰ পাইছিল।

শিক্ষকৰ সভা-সমিতি গঠনতো ৰূপৰাম ভূঞাই আগভাগ লৈছিল। প্ৰমাণ স্বৰূপে পাকা-সৰুক্ষেত্ৰী শিক্ষকৰ দ্বাৰা গঠিত "সৰুক্ষেত্ৰী জনাৰ্দ্দন সমিতি" গঠনত ভূঞাৰ স্থান আজিও অন-স্বীকাৰ্য্য হৈ ৰৈ আছে। প্ৰতি বছৰে উদ্‌যাপিত এই জনাৰ্দ্দন সমিতিত তেওঁৰ সংগঠনৰ পটুতাৰ কথা শতমুখে স্বীকাৰ কৰে।

**নাম-কীৰ্ত্তনত :**

ৰূপৰাম ভূঞা এজন আগশাৰীৰ পাঠকো আছিল। তেওঁ ভোৰ তাল বজাই নাচি-বাগি নাম দি গাৱোতা আৰু শ্ৰোতা দৰ্শকক উৎসাহ আৰু আনন্দ দিব পাৰিছিল। খঞ্জৰী বজোৱাতো পাকৈত আছিল। নিজে ৰচনা কৰা আৰু নিজে সুৰ দিয়া খুহুতীয়া গীত—"ও ভাই পণ্ডিত—কাম কৰা বিষয়াৰ দণ্ডিত...." বোলা গীতটি খঞ্জৰী বজাই পৰিবেশন কৰি কেবাখনো সভাত ভূৰি ভূৰি প্ৰশংসা লাভ কৰিছিল আৰু নগদ ধনৰ পুৰস্কাৰো পাইছিল। তেওঁ খঞ্জৰী বজাই গোৱা ভক্তিমূলক গীতবোৰ শুনি সকলোৱে ভাল পাইছিল। সৰ্থেবাৰীৰ স্বনামধন্য আমাৰ চিৰ-নমস্য কৃতী শিক্ষক হৰিচৰণ তালুকদাৰদেৱৰ স্বৰচিত—"হেৰোৱা দিনৰ সোঁৱৰণ" নামৰ পুথিত (৩০ পৃষ্ঠাত) ৰূপৰাম ভূঞাক খ্যাতিমান গায়ক বুলি উল্লেখ কৰি থৈছে। খুহুতীয়া কথা কোৱাত আৰু সাধুকথা কোৱাত তেওঁ আৰু এখোপ চৰা আছিল। খোজে-কাটলে, কথাই-বতৰাই ইমান গহীন-গম্ভীৰ লোকজনেই যে ইমান খুহুতীয়া কথা কব পাৰিছিল ভাবিলে প্ৰথমতে আচৰিতেই হ'ব লাগিছিল। তেওঁৰ খুহুতীয়া কথা আৰু গান শুনি থকা কেৱল ল'ৰা-ছোৱালীয়েই নহয়, ডাঙৰ সকলেও হাঁহিত ৰব নোৱাৰি বাগৰি পৰিছিল। যিকোনো সাধাৰণ ঘটনাকে লৈ তাত ৰহন সানি এনেদৰে ৰসিক কৰি কব পাৰিছিল যে তেওঁৰ মুখত এদিন সাধুকথা শুনা ল'ৰা-ছোৱালীবোৰে দ্বিতীয়দিনা আকৌ তেওঁৰ ওচৰলৈ আহি সাধুকথা কবলৈ খাটনি ধৰিছিল।

**নাও-খেলত :**

নাও-খেল এসময়ত সৰ্থেবাৰী অঞ্চলৰ বাৰিষা কালৰ এক আনন্দমুখৰ উৎসৱ আছিল। ইয়াৰ আল্পা নদীত এই উৎসৱ সঘনাই অনুষ্ঠিত হৈছিল। বাৰিষা পানীৰে উপচি পৰা আল্পানদীৰ



বুকুত নানা ৰঙেৰে ৰঞ্জিত কৰি অনা খেল-নাওবোৰৰ নাওখেল চাবলৈ ল'ৰা-ছোৱালী, ডেকা-বুঢ়া আনকি জীয়ৰী-বোৱাৰীহঁতেৰে নৈৰ ঘাট ভৰি পৰিছিল। নাও বোৱাত পাৰ্গত সকলে নাও খেলিবলৈ গৈছিল। খেলুৱৈ সকলৰ বিশেষ স্থান আছিল। যেনে—আগুৱাল, গুৰিয়াল, বাইচা (বাৱোতা) আৰু পাঠক। নাও আৰু নলগাকৈ পোনাই নিয়াটো গুৰিয়ালজনৰ বিশেষ কৃতিত্বৰ কথা ভূঞা আছিল খেল নাওৰ গুৰি বঠা ধৰোঁতা অৰ্থাৎ গুৰিয়াল। গুৰিয়াল হিচাপে বিশেষ নামো আছিল। মানুহজন দেখাতো গুৰিয়ালৰ স্থান পূৰণ কৰা বিধৰ আছিল। শকত-আৱত ধুনীয়া চেহেৰাৰ ভূঞা বেছি ওখও নাছিল চাপৰো নাছিল। সকলো ফালে খাপখোৱা বিধৰ আছিল।

**সাংসাৰিক জীৱন আৰু অৱসান :**

ৰূপৰাম ভূঞাৰ সাংসাৰিক জীৱনৰ আদিছোৱা সুখকৰ নাছিল। প্ৰথমা ভাৰ্য্যাৰ গৰ্ভত ১২ বছৰ কাল কোনো সতি-সন্তানৰ জন্ম হোৱা নাছিল। সেয়েহে ১২ বছৰ কাল অতীত হোৱাৰ পিচত দ্বিতীয় বিবাহ কৰাইছিল। দ্বিতীয় পত্নী শ্ৰীদময়ন্তী ভূঞাৰ গৰ্ভত তিনিটি সন্তানৰ জন্ম হয়। প্ৰথম সন্তানটি জন্ম হোৱাৰ পিচত ১২ বছৰ কাল বিষণ্ণ বদনে থকা ভূঞাক পুনৰ হাস্য মুখৰ দেখা গৈছিল। কিন্তু নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস। তেওঁৰ অতি আদৰৰ বহু আশাৰ ধন পুত্ৰটিৰ গণনাৰ দিন-বাৰ ঠিক কৰি গণনা কাৰ্য্য আৰম্ভ কৰাৰ লগে লগেই পিতৃ-মাতৃৰ বুকু শুদা কৰি অকালতে নিষ্ঠুৰ নিয়তিয়ে পুত্ৰটিক কাঢ়ি নিলে। ভূঞাৰ জীৱন আকাশ পুনৰ শোকাছন্ন হৈ পৰিল। ইয়াৰ পিছত দ্বিতীয় পুত্ৰ বীৰেণৰ জন্ম হয়। ভূঞাৰ মনলৈ আকৌ আনন্দ আহিল। কিন্তু বিধিৰ বিধান অখণ্ডনীয়। এইবাৰ আহিল আকৌ পৰিয়ালৰ জীৱনলৈ এক স্পৰ্শকাতৰ বেদনা। তৃতীয় পুত্ৰ

শ্ৰীমান গৌৰীৰ জন্মৰ দুই মাহ পূৰ্বেই কৰ্কট ৰোগত আক্ৰান্ত হৈ ১৩৫৩ শকৰ ( ইং ১৯৪৬ চনৰ ) কঙালী বিহুৰ দিনা আমাৰ পৰম শ্ৰদ্ধাৰ ৰূপৰাম ভূঞাদেৱে পত্নী, পুত্ৰ, ওচৰ-চুবুৰীয়া, আত্মীয়-কুটুম সকলোকে কন্দুৱাই থৈ ইহসংসাৰৰ পৰা অকালতে চিৰবিদায় ললে। তেওঁৰ পৰলোকৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে অকল নামশালা গাঁৱতে নহয়, গোটেই বৃহৎ অঞ্চলটোতে শোকৰ ছাঁ পৰিছিল। সংসাৰত দুয়োগৰাকী পত্নী, দ্বিতীয় পুত্ৰ আৰু দ্বিতীয় পত্নীৰ গৰ্ভস্থ দুৰ্ভগীয়া তৃতীয় সন্তানটিক এৰি থৈ গৈছে। অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰিবলৈ গাওঁবাসীৰ বাহিৰেও ভূঞাৰ ঘৰলৈ দূৰ-দূৰণিৰ পৰা আত্মীয়-স্বজন, অনুগামী, সহযোগী আৰু ছাত্ৰ-ছাত্ৰীৰ লানি নিছিগা সোঁত বৈছিল। লোকে লোকাৰণ্য পৰিবেশত অন্ত্যেষ্টি ক্ৰিয়া সমাপন কৰা হৈছিল। তেতিয়া দ্বিতীয় পুত্ৰ বীৰেণৰ বয়স দুবছৰৰো দুমাহ ঘাটি। সেয়েহে তেওঁক আন লোকে কোলাত তুলি নি তেওঁৰ দ্বাৰা পিতৃৰ অন্ত্যেষ্টিক্ৰিয়া সমাপনৰ চিতাত অগ্নি সংযোগ কৰাইছিল। ইও এক মৰ্মভেদী যোৱা কৰুণ কাহিনী আছিল।

ৰূপৰাম ভূঞাদেৱক অকল নিজ গাওঁ নামশালাতে নহয়, গোটেই অঞ্চলতে 'ভূঞা পণ্ডিত' বুলি মাতিছিল। সেই সময়ত প্ৰাইমাৰী স্কুলৰ শিক্ষকক পণ্ডিত বুলিয়েই মাতিছিল। ভূঞাদেৱেও প্ৰাইমাৰী স্কুলৰ শিক্ষক আছিল বাবে তেওঁক নিজৰ উপাধি ভূঞাৰ লগত পণ্ডিত শব্দটো লগাই দি "ভূঞা পণ্ডিত" বুলি মাতিছিল। শেষত তেওঁৰ নিজৰ নাম ৰূপৰাম ভূঞা তলপৰি "ভূঞা পণ্ডিত" বুলিহে জনাজাত হৈ পৰিছিল।

---

# সংস্কৃতিৰ পূজাৰী ৺ৰূপৰাম খুৰাৰ সোঁৱৰণত

শ্ৰীধৰণীধৰ ডেকা

বৰমুৰীয়া তিনিআলি, লক্ষীমপুৰ

সিদিনা আছিল কাতিবিহু। ১৯৪৬ চনৰ ১৭ অক্টোবৰ। আমাৰ কাৰণে আছিল সেই দিনটো অতি শোকাবহ আৰু বেদনাদায়ক। সিদিনাই আমাৰ এজন অতি আপোন তথা সেই অঞ্চলটোৰে এগৰাকী সৰ্বগুণাকৰ সৰ্ববৰহীলোকৰ অকাল বিয়োগ ঘটিছিল। সেইজন হ'ল—নামশালা গাঁৱৰ স্বনামধন্য শিক্ষক ৰূপৰাম ভূঞা। আমাৰ শ্ৰদ্ধেয়া পেহীদেউৰ একমাত্ৰ সন্তান। ৰূপৰাম খুৰা, অকল আমাৰেই বা তেওঁৰ জন্মস্থান নামশালা গাঁৱৰে নহয়, সমগ্ৰ সৰুক্ষেত্ৰী অঞ্চলৰে আছিল অতি আপোন আৰু পৰম হিতৈশী। সাহিত্য আৰু কলা সংস্কৃতিৰ একান্ত পূজাৰী হিচাবে আছিল সকলোৰে নমস্য ব্যক্তি। মৃত্যুৰ বাতৰি শুনাৰ লগে লগে গুণমুগ্ধ ৰাইজেৰে তেখেতৰ বাসভৱন ভৰি পৰিছিল। সকলোৱে সেইজন গুণী পুৰুষৰ অকাল বিয়োগৰ বাবে চকুপানী টুকিছিল। অশ্ৰু-সিক্ত অগণন ৰাইজৰ সম্মুখত খুৰীহঁতে বুকু ভুকুৱাই কন্দা আৰু দেৰ বছৰীয়া শ্ৰীমান বীৰেণে আমাৰ কোলাত উঠি মৃতকৰ শেষ কৃত্য সমাপণ কৰা দৃশ্য আছিল অতি মৰ্মান্তিক আৰু হৃদয়-বিদাৰক। সেই শোকাকুল দৃশ্যৰ কথা মনত পৰিলে আজিও চকুপানী ওলায়।

ভূঞা খুৰাৰ এই অকাল বিয়োগৰ শোকৰ ছাঁ সিদিনা অকল নামশালা গাওঁতেই নহয়, গোটেই সৰুক্ষেত্ৰী মৌজাতে পৰিছিল। কাৰণ স্বৰ্গীয় ভূঞা আছিল সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ। "জন্মিলেই

মৃত্যু, ই একেবাৰে চিৰসত্য কথা।" কিন্তু কিছুমান মানুহ এনে আছে যিসকলৰ মৃত্যুত সমাজ আৰু দেশৰ অশেষ ক্ষতি হয়। স্বৰ্গীয় ভূঞাও আছিল এজন তেনেধৰণৰ ব্যক্তি।

স্বৰ্গীয় ভূঞাৰ মৃত্যুত নামশালা ৰাইজৰ এনে লাগিছিল যেন, নামশালাৰ আকাশৰ পৰা এটি উজ্জ্বল নক্ষত্ৰ সৰি পৰিছিল। কাৰণ তেওঁ আছিল ৰাইজৰ প্ৰেৰণাদায়ক অকুণ্ঠ ভক্ত আৰু এজন নিষ্ঠাৱান সেৱক। তেওঁ একেধাৰে এজন একনিষ্ঠ শিক্ষক আদৰ্শ-ৱান কৃষক আৰু এজন প্ৰতিভাৱান কলাকাৰো আছিল।

আমি যাক বুনিয়াদী শিক্ষা বুলি কওঁ, সেই শিক্ষা হ'ল— "হাতে কামে শিকা", অৰ্থাৎ বিদ্যা-শিক্ষাৰ লগতে এজন ল'ৰাক খেল-ধেমালি, ছবি অঁকা, নাচ-গান, খেতি-বাতি, নিজৰ লাগতিয়াল বয়-বস্তু আদি নিজে সাজি ল'ব পৰা শিক্ষা। স্বৰ্গীয় ভূঞা আছিল মহাত্মা গান্ধীয়ে প্ৰৱৰ্ত্তন কৰা বুনিয়াদী শিক্ষাৰ প্ৰৱৰ্ত্তক। তেওঁ নিজৰ ছাত্ৰসকলক সেই পদ্ধতিৰেই শিক্ষাদান কৰিছিল। তেওঁ অকল ল'ৰাক শিকোৱাই নহয়, নিজেও সেই কাম কৰিছিল। স্বৰ্গীয় ভূঞা নাচ-গান আদিতো পাৰ্গত আছিল। তেওঁ নিজৰ চাকৰিৰ লগতে ঘৰৰ খেতি-বাতি, গো-পালন আদি যাৱতীয় কামবোৰ কৰিছিল। ইমানবোৰ কামৰ মাজতো তেওঁ সমাজৰ উন্নতিমূলক কামত আগভাগ লৈছিল। তেওঁৰ এই কৰ্মশক্তি দেখি গাওঁৰ অন্য ৰাইজে তবধ মানিছিল। তদুপৰি নাম-কীৰ্ত্তন, যাত্ৰা-অভিনয়, বৰগীত, সংকীৰ্ত্তন আদিতো আগভাগ লৈছিল। তেওঁ এইবোৰ নিজে ৰচনা তথা পৰিচালনা কৰিছিল। ভূঞাদেৱে ৰাইজৰ সভা-সমিতিত হাতত খঞ্জৰী লৈ এনে শুৱলাকৈ বৰগীত গাইছিল যে সভাত উপস্থিত থকা মানুহে সেই গান মুগ্ধ হৈ শুনিছিল, হৰ্ষধ্বনি দিছিল। বহুত মেল-মিটিঙত তেওঁ পুৰস্কাৰো পাইছিল।



স্বৰ্গীয় ৰূপৰাম ভূঞা আমাৰ জীয়ৰী বংশৰ লোকৰ লোক। খুড়াক মই নিজৰ দেউতাৰ সৰু ভায়েক বুলিহে জানিছিলোঁ। কিন্তু তেওঁ আমাৰ ককাদেউতাৰ একমাত্ৰ ভনীয়েকৰ একমাত্ৰ সন্তান আছিল। ককাৰ একমাত্ৰ ভাগিনীয়েক বুলি খুড়াই সৰু কাল ডোখৰ আমাৰ ঘৰতে মৰম-চেনেহৰ মাজেৰে ডাঙৰ-দীঘল হৈছিল।

তেওঁৰ প্ৰথম পত্নীৰ বাৰ বছৰৰো অধিক কাল কোনো সতি-সন্ততি নোহোৱাত তেওঁ দ্বিতীয়বাৰৰ বাবে বিবাহ বন্ধনত আৱদ্ধ হয়। দ্বিতীয় গৰাকী পত্নীৰ ফালৰ পৰা দুটি সন্তান লাভ কৰে। খুড়াৰ দুয়োজন সন্তানেই তেওঁৰ দৰে ধীৰ স্থিৰ স্বভাৱৰ। দুয়ো-জনেই সদালাপী, সদাচাৰী আৰু অমায়িক। জন্মসূত্ৰে তেওঁ-লোকৰ গাতো পিতৃগুণ বিদ্যমান।

স্বৰ্গীয় খুড়াই মোক অত্যন্ত মৰম কৰিছিল আৰু ময়ো তেওঁৰ লগত আবদাৰ কৰিছিলো। সেয়েহে আজি ৪৮ বছৰ পিছতো তেওঁৰ জীৱনৰ বিষয়ে লিখিবলৈ গৈ চকুপানী টুকিছো। এজন মানুহ মৰি যাব পাৰে; কিন্তু তেওঁৰ সৎগুণ, সৎস্বভাৱ আৰু সমাজলৈ আগবঢ়োৱা সেৱাখিনিৰ কেতিয়াও মৃত্যু হ'ব নোৱাৰে। সেয়েহে ৰূপৰাম খুড়া অমৰ হৈ আছে, জীৱিত কালত নিস্বাৰ্থ ভাৱে আগবঢ়োৱা সমাজ সেৱা আৰু ছাত্ৰ-ছাত্ৰীক দি যোৱা সং শিক্ষাৰ মাজেৰে।

—o—

# ॥ গুৰুজনৰ গৰিমা সুঁৱৰি ॥

শ্ৰীমতী কণকলতা তালুকদাৰ
তিনিচুকীয়া

"গুৰুৰ্ব্ৰহ্মা গুৰুৰ্বিষ্ণুঃ গুৰুৰ্দেৱো মহেশ্বৰঃ।
গুৰুৰ্সাক্ষাৎ পৰম ব্ৰহ্মাঃ তস্মৈঃ শ্ৰীগুৰুৱেঃ নমঃ ॥"

জয়জয়তে পৰম পূজনীয় শিক্ষাগুৰু ৺ৰূপৰাম ভূঞাদেৱলৈ মোৰ হিয়াভৰা শ্ৰদ্ধাঞ্জলি নিবেদন কৰি তেখেতৰ বিষয়ে শৈশৱৰ স্মৃতি সুঁৱৰি বাৰ্দ্ধক্যৰ সীমিত শক্তি-সামৰ্থৰে দুষাৰ লিখিবলৈ মানস কৰিলোঁ। ৺ভূঞাদেৱ মোৰ কেৱল স্কুলত শিকোৱা শিক্ষাগুৰুৱেই নাছিল ; তেখেত আছিল মোৰ পৰম হিতাকাংখী, পথ-প্ৰদৰ্শক, পৰিচালক আৰু পিতৃকুলৰ অতি আত্মীয় চুবুৰীয়া ব্যক্তি।

ভূঞাদেৱৰ জন্ম হৈছিল ১৯০২ চনত। তেখেতৰ পিতৃ ৺পীতাম্বৰ ভূঞা আছিল এজন শান্ত প্ৰকৃতিৰ সৎ স্বভাৱৰ আদৰ্শ কৃষক আৰু মাক ৺ভাগ্যেশ্বৰী ভূঞা আছিল এগৰাকী নৈষ্ঠিক ধৰ্মপ্ৰাণা সুগৃহিনী। ভূঞাদেৱ আছিল মাক-দেউতাকৰ চকুৰ মণি, আঁচলৰ ধন, আগলৈ-পিচলৈ নথকা আপোন জন। শুনিছিলোঁ তেখেতৰ এজন ককায়েক আছিল ; কিন্তু অকালতে কণা যমৰ আলহী হ'ল। আমাৰ মা-দেউতাৰ মুখত শুনামতে ভূঞাদেৱ সৰুৰে পৰা কাম-বনত পাৰ্গত, পঢ়া-শুনাত আগ্ৰহী আৰু সঙ্গীতত ৰাপ থকা অসাধাৰণ ব্যক্তিত্বসম্পন্ন আছিল। কথাতে কয় বোলে যি মূলা বাঢ়িব তাৰ দুপতীয়াতে চিন। সেয়ে ভূঞাদেৱে অক্লান্ত পৰিশ্ৰম আৰু অধ্যৱসায়ৰ বলত পৰিয়াল আৰু পৰিবেশৰ প্ৰতিকুল অৱস্থা অতিক্ৰম কৰি সাধনাত সিদ্ধি লাভ কৰিবলৈ সক্ষম



হৈছিল। তেখেত আছিল গাওঁখনৰ বাবে জ্বলন্ত উদাহৰণ, প্ৰেৰণা আৰু আদৰ্শৰ প্ৰতীক।

মই জনা মতে গাঁৱৰ বাইজে স্কুল পৰিদৰ্শক মহোদয়ক খাটনি ধৰি উনৈশ বত্ৰিশ কি তেত্ৰিশ চনত ভূঞাদেৱক নিজ গাঁৱৰ ১নং নামশালা প্ৰাইমাৰী স্কুললৈ বদলি কৰাই আনে। তেখেতে ছাত্ৰ-ছাত্ৰীক বৰ মৰমেৰে শিকাইছিল। যি কোনো পাঠ ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ আয়ত্ব নকৰা পৰ্যন্ত নেৰিছিল। দৰ্কাৰ হলে স্কুলৰ নিৰ্দ্ধাৰিত সময়তকৈও অধিক সময় শিকাইছিল। তেখেতৰ দিনত আমাৰ স্কুলৰ পৰা কাচিৎহে কোনো বছৰত বৃত্তি নেপাইছিল।

১৯৩৬ চনত স্কুল পৰিদৰ্শকে আমাৰ বিদ্যালয় চাবলৈ আহোতে ভূঞা চাৰে তেখেতক দুখেৰে কৈছিল—"চাৰ, এইবাৰ আমাৰ স্কুলত বৃত্তিলৈ পঠিয়াব পৰা ভাল ছাত্ৰ-ছাত্ৰীয়ে নাই।" চাৰৰ কথা শুনি পৰিদৰ্শক মহোদয়ে মোলৈ আঙুলিয়াই কৈ উঠিল—"এইজনী ছোৱালী আছে নহয় ; অলপ যত্ন ললে এওঁ বৃত্তি পাব।" সেইদিনাৰ পৰা চাৰে মোৰ প্ৰতি বিশেষ ভাবে যত্ন লবলৈ ধৰিলে। পৰীক্ষাৰ তিনি/চাৰি মাহমান আগৰে পৰা সন্ধিয়া চাৰে মোক তেখেতৰ ঘৰতে পঢ়ুৱাবলৈ ধৰিলে। অকলশৰীয়া মানুহ, ঘৰৰ সকলো কাম নিজে কৰিব লাগে। তথাপি চাৰে দহোবন কাটি কৰি থৈ হলেও মোক পঢ়ুৱাইছিল। নিশা কেতিয়াবা তেখেতে চোতালত মৰণা মাৰি থাকে আৰু মোক পিৰালীত বহুৱাই লৈ বৃত্তি পৰীক্ষাৰ প্ৰশ্ন কাকতৰ উত্তৰ কৰিবলৈ দিয়ে। এনেদৰে কেবাবছৰৰো প্ৰশ্নকাকত উৱাই-ঘূৱাই অনুশীলন কৰোৱাই তেখেতে মোক বৃত্তি পৰীক্ষা দিয়াবলৈ প্ৰস্তুত কৰাইছিল। আনকি তেখেতে মোক পৰীক্ষা দিয়াবলৈও নিজে বৰপেটালৈও লৈ গৈছিল। এনেদৰে নিজৰ কাম-বন খতি কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে দেহে-কেহে খাটা শিক্ষকৰ উদাহৰণ পাবলৈ বিৰল।

আজিও মোৰ মনত আছে বৰপেটাৰ পৰা পৰীক্ষা দি খোজ

কাঢ়ি কাঢ়ি ঘৰলৈ ঘূৰি আহোতে চাৰে বাটত লগপোৱা শিক্ষক সকলক আত্মবিশ্বাসেৰে কোৱা "মই হলে আশা এৰা নাই" বোলা কথাষাৰ। কিয়নো সেইবাৰ বৃত্তি পৰীক্ষাৰ প্ৰশ্নকাকত অইন বছৰৰ তুলনাত অলপ টান হৈছিল। সেয়েহে অইন স্কুলৰ শিক্ষকসকলে তেখেতসকলৰ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি নেপাব বুলি প্ৰায় খাটাং হৈছিল; কিন্তু চাৰে মই বৃত্তি পাম বুলি আশা নেৰা বুলি কোৱা শুনি তেখেতসকলে কৈছিল— "সময়ত দেখিলেহে লেখিম।"

১৯৩৭ চনৰ মাৰ্চ মাহৰ ২ তাৰিখৰ কথা। বৃত্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰিবলৈ মহকুমাৰ সদৰৰ পৰা স্কুল পৰিদৰ্শক আহি সৰ্থেবাৰী ডাক-বঙলাত উপস্থিত হৈছে। ফলাফল শুনাৰ বাবে সমবেত শিক্ষকসকল উদ্‌গ্ৰীৱ। সকলোৰে উৎকণ্ঠা সাম কটাবলৈ বিদ্যালয় পৰিদৰ্শক মহোদয়ে ভূঞা চাৰলৈ দৃষ্টি নিক্ষেপ কৰি কলে—"এইবাৰ সৰুক্ষেত্ৰী মৌজাৰ ভিতৰত মাত্ৰ ভূঞা পণ্ডিতৰ এগৰাকী ছাত্ৰীয়েহে বৃত্তি পাইছে আৰু মহকুমাৰ ভিতৰত তেওঁ পঞ্চম স্থান অধিকাৰ কৰিছে। চাৰে কথাষাৰ শুনাৰ লগে লগে আল্পাজান পাৰ হৈ বোকাত লুতুৰি-পুতুৰি ভৰিৰে পোনছাটে আহি আমাৰ ঘৰ পালে। সেই সময়ত চাৰে আনন্দত কেনে অধীৰ হৈছিল নেদেখাজনক সেই কথা ভাষাৰে বুজাব নোৱাৰি। কিন্তু সেই দৃশ্য আজিও মোৰ হৃদয়ত সমুজ্জ্বল। চাৰৰ কথা মনত পৰিলেই এহাতে যেনেকৈ হেৰুৱাৰ বেদনাত বুকু ফাটি যাব খোজে আনহাতে তেনেকুৱা সৰ্বগুণী শিক্ষকৰ ছাত্ৰী হোৱাৰ গৌৰৱত হিয়া ওফন্দিও উঠে।

ভূঞা চাৰ আছিল এজন কৰ্মযোগী ধৰ্মপ্ৰাণ পুৰুষ। আমি দেখাত তেখেতে প্ৰতিদিনে প্ৰায় পোন্ধৰ/ষোল্ল ঘণ্টাকৈ কাম কৰিছিল। দোকমোকালিতে উঠি কোৰখন লৈ পথাৰলৈ গৈছিল। তাৰপৰা আহি গৰু-গাই খীৰাই স্কুললৈ গৈছিল। স্কুলৰ পৰা



আহি বাঁহ-বেতৰ কাম, খৰি-কটা, গৰু-বাছুৰ অনা, গধূলি মাছ মাৰি আহি ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে গৈ খা-খবৰ লোৱা, নাম-কীৰ্তন গোৱা, ৰাজহুৱা মেল-মিটিং কৰা আদি এশ একুৰি কামৰ মাজতে আকৌ কবিতা, গীত-পদ লেখিছিল আৰু স্কুলৰ বাবে শিক্ষণ সামগ্ৰী তৈয়াৰ কৰিছিল। তেখেতে তাঁত-শাল আৰু চিলাইৰ কামো জানিছিল। চাৰৰ চোতালৰ আগৰ ফুলনিখন চালে চকু-ৰোৱা আছিল। ফুল গছবোৰত গোবৰ-পানী দি সযতনে প্ৰতিপাল কৰিছিল।

ভূঞাদেৰ মানুহজন দেখাত যেনেকুৱা ধুনীয়া আছিল, মাত-বোল আৰু ব্যৱহাৰতো তেনেকুৱা আছিল। তেখেতৰ সজ ব্যৱহাৰত মানুহ বিমোহিত নহৈ নোৱাৰিছিল। কিন্তু দুখৰ বিষয় সেইজন সৰ্বগুণী মহাপুৰুষক নিষ্ঠুৰ নিয়তীয়ে ভৰ বয়সতে আমাৰ মাজৰ পৰা কাঢ়ি নিলে। সকলোকে কন্দুৱাই থৈ মহাকালত বিলীন হ'ল। আমালৈ মাথো এৰি থৈ গ'ল—তেখেতৰ মধুৰ স্মৃতি আৰু পত্নীৰ কোলাত দি থৈ গ'ল দুগছি কুলৰ বন্তি।

ভূঞা চাৰ আজি আমাৰ মাজত সশৰীৰে নাই সঁচা; কিন্তু তেখেতৰ আদৰ্শ আৰু প্ৰতিভাৰ ছিটিকনি এতিয়াও জীয়াই আছে— প্ৰাক্তন ছাত্ৰৰ মাজত, সহযোগী সহকৰ্মীৰ মাজত আৰু দুই সন্তান বীৰেণ-গৌৰীৰ মাজত। তেখেতৰ সন্তানকে ধৰি গাঁৱৰ নতুন পুৰুষে যেতিয়া তেখেতে দেখুৱাই যোৱা আদৰ্শত অনুপ্ৰাণিত হৈ সমাজৰ উন্নয়নমূলক কাম-কাজত আত্মনিয়োগ কৰিব আৰু নতুন শিক্ষকচামে যেতিয়া তেখেতৰ দৰে মানুহ গঢ়াৰ মন্ত্ৰেৰে দীক্ষিত হ'ব, তেতিয়াহে প্ৰকৃতপক্ষে আমি "ভূঞা পণ্ডিত"ক যথোচিত সন্মান যচা হ'ব।

——

# ॥ সংস্কৃতিৰ সাধক ৺ৰূপৰাম ভূঞা ॥

**শ্ৰীপ্ৰভাত চন্দ্ৰ চৌধুৰী**

কলয়াহাটী, সুন্দৰীদিয়া ( বৰপেটা )

আজিৰ পৰা অৰ্দ্ধ শতাব্দীৰো আগৰ কথা। আমি যেতিয়া প্ৰাইমাৰী স্কুলৰ মজিয়া গচকিছো, তেতিয়া ৰূপৰাম মামা দলাহাটী প্ৰাইমাৰী স্কুলৰ মাষ্টৰ। আমাক মৰম কৰে, সাধু কয়, গীত শিকায় আৰু পাঠ পঢ়ায়। সাধু শুনাৰ আশাত আমি সৰুবোৰে তেওঁৰ পিছ নেৰিছিলোঁ। মামাহঁতৰ ঘৰলৈ গ'লে শশী মামা আৰু অচ্যুত মামাতকৈ ৰূপৰাম মামাকহে আমি বেছি বিচাৰিছিলোঁ। অতি আচৰিত কথা— আমি সকলোৱে ভাল পোৱা সেইজন মামা হেনো আমাৰ নিজৰ মামা অৰ্থাৎ মাৰ ভায়েক নাছিল। তেওঁ বৰপেটাৰ পৰা বদলি হৈ সৰ্থেবাৰীলৈ যোৱাৰ আগলৈকে আমি জনা নাছিলো যে ৰূপৰাম মামা যতন (জতলগা মহাজনৰ) আতাৰ নিজৰ পুতেক নহয়। সেই কথা, মই কিয়, বৰপেটাৰ বহুতেই নাজানিছিল। কাৰণ অচ্যুত মামাহঁতৰ লগত তেওঁৰ শাৰীৰিক অবয়বৰ যথেষ্ট মিল আছিল আৰু কোনো ক্ষেত্ৰতে তেওঁক আলহী মিতিৰৰ ল'ৰা বুলি ভবাৰ থল নাছিল। বাস্তৱ ক্ষেত্ৰতো অচ্যুত মামাহঁতকৈ তেৱেঁহে ঘৰৰ বাহিৰ-ভিতৰৰ বিষয়ে বেছি জানিছিল। আতাইও তেওঁৰ ওপৰতহে বেছি নিৰ্ভৰ কৰি চলিছিল আৰু ঘৰৰ সম্পূৰ্ণ হিচাপ-পত্ৰ এঁৰি দিছিল। আমাৰ মায়ে কোনো দিনে তেওঁক নিজৰ ভায়েক নহয় বুলি আমাক কোৱা নাছিল।

সৰুতে আমি দেখিছিলোঁ—ভূঞা মামাই শশীভূষণ মামাৰ লগত চিকাৰলৈ যায়। হাঁহ-শৰালী মাৰি আনি আমাৰ ঘৰতো



দি যায়। মায়ে আথে-বেথেকৈ খুৱায়, ইটো-সিটো পাচে আৰু বিহুত বিহুৱান দিয়ে। তেওঁলোকৰ মৰম-চেনেহ আৰু মিলা-প্ৰীতি দেখিলে কোনোৱে ভাবিব নোৱাৰিব যে তেওঁলোক স্বগৰ্ভী বায়েক-ভায়েক নহয়।

সেয়া যিয়েই নহওক কিয়, আমি বা জতলগা মহাজনৰ পৰিয়ালে যেনেকৈ তেওঁৰ মৰম-চেনেহ পাহৰিব নোৱাৰো—ঠিক তেনেদৰে বিলৰতাৰিহাটীৰ মানুহেও পাহৰিব নোৱাৰে ৰূপৰাম মামাই আনি দি যোৱা সংস্কৃতিক পৰিবৰ্তনৰ কথা।

আমি দেখিছিলোঁ ভূঞা মামাই হাটীৰ ঘৰে ঘৰে গৈ ভাগৱত পঢ়া, বৈঠকীত লোক-গীত, বৰগীত গোৱা, ভোৰ তাল বজাই নাম ধৰা। আগতে বিলৰতাৰিহাটীত নাম গোৱা দল নাছিল। ভূঞা মামাই প্ৰথম ডেকাচামক লগ লগাই নাম গোৱা দল এটি গঠন কৰিছিল। তেওঁৰ কণ্ঠ আছিল গলগলীয়া—সুৰ আছিল সুললিত। সেয়েহে তেওঁ বৰপেটাৰ দুই এখন শিক্ষক সন্মিলনৰ সভাত বৰগীত পৰিবেশন কৰি বৰপেটাত এগৰাকী আগশাৰীৰ বৰগীত গায়ক হিচাবে প্ৰতিস্থিত হৈছিল। কীৰ্ত্তন ঘৰত গুৰু দুজনাৰ তিথিত, হলিত ( দৌল উৎসৱত ) আৰু নাও-খেলৰ পাঠক হিচাবে অংশ গ্ৰহণ কৰি ৰাইজৰ সমাদৰ লভিছিল।

তেওঁ আমাৰ মাতুল বংশৰ অঙহি-বঙহি সকলোৰে প্ৰিয়পাত্ৰ আছিল আৰু সুখে-দুখে সমভাগী হৈছিল। বৰপেটাৰ পৰা বদলি হৈ যোৱাৰ পিছতো তেওঁ সঘনাই আমাৰ তালৈ আহিছিল। অকল আমাৰ ঘৰলৈয়ে নহয়—অচ্যুত মহাজনৰ সকলো কেইজনী বায়েক-ভনীয়েকৰ লগত ঘনিষ্ট সম্পৰ্ক ৰক্ষা কৰিছিল।

আমাৰ মা ভূঞা মামাতকৈ দুই / তিনি বছৰে ডাঙৰ। এতিয়াও মাই কথা প্ৰসঙ্গত তেওঁৰ কথা উলিয়ায়। সিদিনা ভূঞা মামাৰ সৰু ল'ৰা শ্ৰীমান গৌৰীয়ে তাৰ ডাঙৰ ল'ৰাটোৰ লগত

আমাৰ ঘৰলৈ আহোতে মাই মামাৰ গুণ বৰ্ণাই বৰ্ণাই চকুপানী টুকিছিল আৰু সিহঁত দুটাক পাৰে মানে চুমা খাই খাই হিয়া উজাৰি আশীৰ্বাদ দিছিল ।

সিদিনা হয়তো ৯৬ বছৰীয়া মাৰ মনত ভূঞা মামাৰ স্মৃতিয়ে ঝুমুৰি দি ধৰিছিল নাইবা তেওঁৰ পুতেক আৰু নাতিয়েকক দেখি আনন্দত অধীৰ হৈ পৰিছিল। আজিও ভূঞা মামাৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ পৰিয়ালৰ খা-খবৰ লয়, বিলৰতাৰিহাটীৰ পুৰণিচামে উৎসৱ-পাৰ্বণত তেওঁৰ স্মৃতিচাৰণ কৰে আৰু বিশেষকৈ মামাহঁতৰ ঘৰত বিয়া-বাৰুত আত্মীয়-কুটুম লগ হলে ভূঞা মামাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰে ।

—০—

# আমাৰ পৰিয়ালৰ স্মৃতিত ৺ৰূপৰাম ভূঞা

শ্ৰীসৰ্বানন্দ দাস
ব্যৱসায়ী
বিলৰতাৰিহাট ঃঃ বৰপেটা

মোৰ ল'ৰাটোৱে এতিয়া যেনেদৰে পুৰণি ফটো এখন দেখিলে সোধে—"এইটো কাৰ ফটো, ক'ৰ মানুহ, কি কৰে, আমাৰ কি হয় ইত্যাদি" ; ঠিক তেনেদৰে মইও সৰু থাকোতে আমাৰ পুৰণি ঘৰত ওলমাই থোৱা প্ৰায়বোৰ ফটোতে থকা এজন সুশ্ৰী মুখৰ চফল ডেকাৰ ফটো দেখুৱাই বাবাক ( মোৰ দেউতা অচ্যুতানন্দ দাসক ) সোধতে কৈছিল—"সেইজন আমাৰ পৰিয়ালৰ পৰম আত্মীয় ৰূপৰাম দা, দেউতাৰ ( আমাৰ ককা জতলগা মহাজনৰ ) বন্ধু সৰ্থেবাৰীৰ ওচৰৰ নামশালা গাঁৱৰ ৺পীতৰাম ভূঞাৰ ল'ৰা। আমাৰ ঘৰতে থাকি পঢ়িছিল, দলাহাটী এল. পিত শিক্ষকতা কৰিছিল আৰু আমাৰ পৰিয়ালৰ এজন হৈ পৰিছিল। আমি নকলে কোনোৱে ধৰিব নোৱাৰিছিল যে—তেওঁ আমাৰ সহোদৰ ভাই নাছিল। তেওঁ আছিল দেউতাৰ পৰম বিশ্বাসী বৰপুত্ৰ।" গতিকে মই ভূঞা জেঠাক ফটোতহে লগ পাইছোঁ—বাস্তৱত নহয়। কিন্তু আমি আজিও তেখেতৰ উপস্থিতি অনুভৱ কৰো—আমাৰ ঘৰত ওলমাই থোৱা ফটোবোৰত, তেখেতৰ স্মৃতি বিজৰিত বয়-বস্তুত, আমাৰ বয়োজ্যেষ্ঠ সকলৰ কথা-বতৰাত- প্ৰাক্তন ছাত্ৰ আৰু সহযোগীসকলৰ আলাপ-আলোচনাত। সেই স্মৃতি আকৌ বেছি সজীৱ হৈ উঠে যেতিয়া জেঠী (ভূঞা জেঠাৰ পত্নী), বীৰেণ বা গৌৰী আমাৰ ঘৰলৈ আহে। গৌৰী মোৰ সম বয়সীয়া। সেয়েহে সৰুৰে পৰা আমি দুয়োৰে অতি ঘনিষ্ঠ সম্পৰ্ক। সি আমাৰ ঘৰত থাকিয়ে মেট্ৰিক পৰীক্ষা দিছিল। গৌৰী আমাৰ ঘৰলৈ আহিলে আৰু আমি দুয়োকে একেলগে ঘুৰা-ফুৰা দেখিলে দেউতা-

হ'তে কৈছিল—"ৰূপৰাম আৰু শশীভূষণেও এনেদৰে একেলগে ঘূৰিছিল, (শশীভূষণ দাস জতলগা মহাজন ডাঙৰ ল'ৰা) চিকাৰলৈ গৈছিল, চিগাৰেট বৰ্জন আন্দোলনত নেতৃত্ব দিছিল (চিকাৰলৈ যোৱা আৰু চিগাৰেট বৰ্জন আন্দোলনৰ নেতৃত্ব দিয়াৰ সাক্ষীৰূপে আজিও দুখন ডাঙৰ বন্ধোৱা ফটো আমাৰ ঘৰত ওলমি আছে।) শশীভূষণ জেঠাৰ অকাল বিয়োগৰ পিছত ভূঞা জেঠাই আতা-আবুৰ হৃদয়ত ববপুত্ৰৰ স্থান পুৰাইছিল।

শুনামতে ভূঞা জেঠা সৰ্ববিদ্যা বিশাৰদ আছিল। তেখেতৰ হাতৰ আখৰ বৰ ধুনীয়া আছিল। হিচাপ-পত্ৰ পৰিপাটিকৈ ৰাখি-ছিল আৰু শিক্ষক হিচাবেও সুনাম আছিল।

আমাৰ দেউতাতকৈ ভূঞা জেঠা ১০ বছৰ মানে ডাঙৰ আছিল (দেউতাৰ জন্ম ইং ১৯১৩ চন)। দেউতা দুবছৰ আগতে (ইং ১৯৯৩ চনত) ঢুকাল যদিও ভূঞা জেঠাৰ মৰম-চেনেহ পোৱা কেবাগৰাকী জেঠী-পেহী এতিয়াও জীয়াই আছে। গতিকে তেওঁলোকৰ মুখত এতিয়াও ভূঞা জেঠাৰ গুণ-গৰিমাৰ কথা শুনি থাকোঁ। তেখেত হেনো এজন ভাল গায়ক, বাদক আৰু পাঠক আছিল। বৰগীতৰ গায়ক হিচাবে সেই সময়ত হেনো বৰপেটাত অনুষ্ঠিত হোৱা সভা-সমিতি আৰু বৈঠকীলৈ নিমন্ত্ৰণ কৰিছিল। জেঠাই হেনো গল-গলীয়া সুৰেৰে ভাগৱত পাঠ কৰি শ্ৰোতাক মুগ্ধ কৰিছিল আৰু খেল-নাওৰ মাজত থিয় হৈ কীৰ্ত্তনৰ ঘোষা দি বাইচাক মতলীয়া কৰিছিল।

ভূঞা জেঠাৰ বিষয়ে বহু কথা শুনিছোঁ যদিও সকলোবোৰ লিখি অতোৱা মোৰ বাবে সম্ভৱ নহয়। সেয়েহে শেষত তেখেতৰ স্বৰ্গগত আত্মাৰ চিৰশান্তিৰ বাবে আমাৰ পৰিয়ালৰ তৰফৰ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে দুয়োটি পৰিয়ালৰ সম্ভাৱ-সম্প্ৰীতি চিৰযুগীয়া হৈ ৰোৱাৰ কামনা কৰি মোৰ লিখনি সংক্ষেপতে সামৰিলোঁ। oo

# ভূঞা পণ্ডিত

॥ স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য ॥

## —চতুৰ্থ অধ্যায়—

### ঃ লেখক পৰিচয় ঃ

১। শ্ৰীপশুৰাম পাটোৱাৰী
২। ,, নগেন্দ্ৰ নাথ চৌধুৰী
৩। ,, অৰুণ চন্দ্ৰ ভূঞা
৪। ,, ড০ প্ৰফুল্ল চন্দ্ৰ ভূঞা
৫। ,, অচ্যুতানন্দ চৌধুৰী
৬। ,, ভবেন্দ্ৰ নাথ ভূঞা
৭। ,, হেমকান্ত ভূঞা
৮। ,, ৰতিকান্ত ৰয়
৯। ,, জয়চন্দ্ৰ ভূঞা
১০। ,, জিতেন্দ্ৰ নাথ ভূঞা
১১। ,, পীতাম্বৰ চৌধুৰী
১২। ,, প্ৰতাপ চন্দ্ৰ চৌধুৰী

## ।। শ্ৰীপৰ্শুৰাম পাটোৱাৰী ।।



### চমু পৰিচয় ঃ

নিজৰু প্ৰকৃতিৰ সৰলমনা শান্তিপ্ৰিয় স্বভাৱৰ শিক্ষাবিদ শ্ৰীযুত পৰ্শুৰাম পাটোৱাৰীদেৱৰ জন্ম হয় ইংৰাজী ১৯০৯ চনৰ ফেব্ৰুৱাৰী মাহত, বৰপেটা জিলাৰ সৰুক্ষেত্ৰী মৌজাৰ নামশালা গাঁৱত। তেখেতৰ পিতৃৰ নাম ৺কণ্ঠিৰাম পাটোৱাৰী আৰু মাতৃৰ নাম ৺মধুমতী পাটোৱাৰী। তেখেতে নামশালা প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাইমাৰী স্কুল পাছ কৰি সৰ্থেবাৰী এম্ ভি স্কুলত নাম ভৰ্ত্তি কৰে আৰু সেই স্কুলৰ পৰাই প্ৰথম বিভাগত এম্ ভি পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত বজালীৰ চৌখুটি এম্ ই স্কুলত পঢ়েগৈ। তাৰ পৰা তেখেতে প্ৰথম বিভাগত পাছ কৰি বৃত্তিলাভ কৰে। এম্ ই পাছ কৰি পাটোৱাৰীদেৱে গুৱাহাটীৰ কটন কলেজিয়েট চৰকাৰী হাইস্কুলত পঢ়ে। সেই স্কুলৰ পৰা তেখেতে প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি কটন কলেজত নাম লগায়। উক্ত কলেজৰ পৰা দ্বিতীয় বিভাগত আই. এচ. চি. পাছ কৰে আৰু বি. এ. পঢ়ি থাকোতে ফাইনেল পৰীক্ষাৰ এমাহ পূৰ্বে তেখেতৰ পিতাকৰ মৃত্যু হয়। ফলত পঢ়া বন্ধ হয় আৰু সৰু-ক্ষেত্ৰী হাইস্কুলত সহকাৰী শিক্ষক হিচাবে চাকৰিত সোমায়। ছ-মাহ পিছত তাৰ পৰা গৈ তাৰাবাৰী মাইনৰ স্কুলত চাৰি বছৰ কাল প্ৰধান শিক্ষক হিচাবে কাম কৰে। যেতিয়া সৰ্থেবাৰী হাইস্কুল আৰম্ভ হ'ল, তেতিয়া তেখেতে তাৰ পৰা আহি স্থানীয় স্কুলখনত সহকাৰী শিক্ষক হিচাপে যোগদান কৰে। সেই সময়ত বি. এচ. চি. শিক্ষকৰ অভাৱ আছিল। গতিকে তেখেতে ওপৰৰ শ্ৰেণীত অংক, বিজ্ঞান

আৰু ভূগোলৰ পাঠদান কৰিছিল। ছয় বছৰমান কাম কৰাৰ পিছত তেখেতে ভূগোল প্ৰশিক্ষণত ( G. T. ) সুখ্যাতিৰে উত্তীৰ্ণ হয়; আৰু পিছৰ বছৰতে প্ৰাইভেটে বি. এ. পাছ কৰে। সেই বছৰতে তেখেতে মাখিবাহা হাইস্কুলত সহকাৰী প্ৰধান শিক্ষক হিচাপে নিযুক্তি লাভ কৰে। মাখিবাহা হাইস্কুলত তিনি বছৰ থকাৰ পিছত তেখেতে প্ৰধান শিক্ষকৰ চিলেক্চন লাভ কৰে আৰু শোলমাৰা হাইস্কুলত গৈ প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। স্কুলখনে চৰকাৰী মঞ্জুৰি নোপোৱাত সেই স্কুলৰ পৰা গৈ মছলপুৰ হাইস্কুলত যোগদান কৰে। তাৰ এবছৰ পিছত আমখোৱা হাইস্কুলত প্ৰধান শিক্ষকৰ পদ খালী হোৱাত তালৈ বদলি হৈ আহে। আমখোৱা হাইস্কুলত কৃতকাৰ্য্যতাৰে সুদীৰ্ঘ সাত বছৰ কাল প্ৰধান শিক্ষক হিচাবে কাৰ্য্যনিৰ্বাহ কৰি ১৯৭৪ চনৰ ১লা জুলাইৰ পৰা অৱসৰ গ্ৰহণ কৰে।

অৱসৰ গ্ৰহণৰ পিছতো এইজনা কৃতী শিক্ষকে কেবাখনো নৱ-প্ৰতিষ্ঠিত হাইস্কুলৰ প্ৰধান শিক্ষক হিচাবে সেৱা আগবঢ়ায়। তাৰ ভিতৰত গুৱাহাটীৰ নুনমাটি হাইস্কুল, নামশালা নৱজ্যোতি হাইস্কুল আৰু হেলচা হাইস্কুলেই প্ৰধান।

শ্ৰীযুত পাটোৱাৰীয়ে সৰ্থেবাৰী হাইস্কুলত কাম কৰি থকা সময়ত ৺ৰূপৰাম ভূঞাৰ লগত নামশালা গাঁৱৰ উন্নয়নমূলক কাম-কাজত আত্মনিয়োগ কৰে। ৺ভূঞাদেৱে প্ৰতিষ্ঠা কৰা নামশালা গাওঁ কৰ্ম সাধিনী সভা আৰু সমবায় দোকানৰ কাম-কাজত শ্ৰীযুত পাটোৱাৰীদেৱে সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰে।

বৰ্তমান গাওঁখনৰ বয়জ্যেষ্ঠ এইজনা গুণী জ্ঞানী লোকে বাৰ্দ্ধক্য জনিত অসুস্থতাৰ বাবে গাওঁখনৰ উন্নয়ন মূলক কামত শাৰীৰিক ভাৱে অংশ গ্ৰহণ কৰিব নোৱাৰিলেও সৎ উপদেশেৰে উল্লেখনীয় অৰিহণা যোগাই আছে। ০০

## শ্ৰীনগেন্দ্ৰ নাথ চৌধুৰী



**চমু পৰিচয় ঃ**

শ্ৰীযুত নগেন্দ্ৰ নাথ চৌধুৰীদেৱৰ অসমৰ কাঁহ শিল্পৰ পীঠ স্থান সৰ্থেবাৰীত ইংৰাজী ১৯১৮ চনৰ ২৫ চেপ্তেম্বৰত জন্ম হয়। এখেতৰ পিতৃ সৰ্থেবাৰীৰ পুৰণিচামৰ শিক্ষা প্ৰচাৰক তথা সৰ্থেবাৰী বালিকা স্কুলকে ধৰি সৰ্থেবাৰী আৰু বজালী অঞ্চলৰ বহু প্ৰাথমিক স্কুলৰ প্ৰতিস্থাপক স্বৰ্গীয় ৺কাণ্ঠিৰাম চৌধুৰী ডেকা পণ্ডিত। শ্ৰীচৌধুৰী সৰ্থেবাৰী মধ্য ছাত্ৰবৃত্তি স্কুলৰ পৰা প্ৰাথমিক আৰু মজলীয়া পৰীক্ষাত বৃত্তি লৈ যোৰহাটৰ নৰ্মাল স্কুলত পঢ়েগৈ। আৰু এজন প্ৰতিভাশালী ছাত্ৰ হিচাপে নৰ্মালৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাট, কাকজান, বৰনগৰ (চকচকা) আদি অসমৰ বিভিন্ন ঠাইত কৃতী শিক্ষক হিচাবে কাম কৰি শেষত গুৱাহাটীৰ কটন কলেজিয়েট উচ্চ মাধ্যমিক স্কুলত সুদীৰ্ঘ ২৫ বছৰৰো ওপৰ কাল শিক্ষকতা কৰে আৰু তাৰ পৰাই চৰকাৰী কামৰ পৰা অৱসৰ লয়। পাচতো এখেতে গুৱাহাটীৰ ফটাশিল টাউন উচ্চ মাধ্যমিক আৰু আমবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত কিছু কাল কাম কৰে। আমবাৰী বিদ্যালয়ৰ পৰাই এজন প্ৰতিস্থাপক শিক্ষক হিচাপে অৱসৰ লৈ সম্প্ৰতি গুৱাহাটীৰ কুমাৰপাৰাৰ নিজ ঘৰত অৱস্থান কৰিছে। শ্ৰীচৌধুৰী প্ৰায় গোটেই জীৱন ধৰি ছাত্ৰ-ছাত্ৰীসকল আৰু জনসাধাৰণৰ সৈতে শংকৰ-মাধৱৰ প্ৰাৰ্থনা গীত আৰু ভাগৱত-কীৰ্ত্তনাদিৰ মাধ্যমেৰে ওত-প্ৰোত ভাবেৰে জড়িত আছে। নামঘোষাৰ "তুমি চিত্ত-বৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ" প্ৰাৰ্থনা গীত আৰু ৺বেজবৰুৱাৰ "অ'

মোৰ আপোনাৰ দেশ" জাতীয় সঙ্গীত এখেতৰ অতিশয় প্ৰিয়। এখেতে কাৰ্যকালত থাকোঁতে এসময়ত প্ৰাথমিক বিদ্যালয় সমূহত বহুল প্ৰচলিত 'ভূগোল পৰিচয়' নামৰ ভূগোলৰ কিতাপ, 'অসমীয়া ভূচিত্ৰাৱলী' নামৰ প্ৰথম অসমীয়া ভূচিত্ৰাৱলী, "অসমীয়া ব্যাকৰণ" নামৰ সৰু ব্যাকৰণৰ পুথি আৰু 'সাহিত্য সখা' নামৰ ষষ্ঠ মানৰ সাহিত্যৰ অৰ্থ পুথি প্ৰণয়ন কৰে। তেখেতে শ্ৰীশংকৰদেৱৰ 'গুণ-মালা' আৰু শ্ৰীমাধৱদেৱৰ 'নাম-ঘোষা' সম্পাদনা কৰি ছপাই উলিয়ায়। তেখেতৰ আন দুই এখন সৰু-সুৰা পুথিও আছে।

—o—

## ।। শ্ৰীযুত অৰুণ চন্দ্ৰ ভূঞা ।।

**চমু পৰিচয় :**

যিজনৰ পৰিচয় সুধিলে মাত্ৰ "নামশালা গাওঁ" বুলি কয়, যিজনে নিজৰ ফটো বাৰ্তাৰি কাকত বা আলোচনীৰ পাতত প্ৰকাশ পোৱাটো নিবিচাৰে ; সেইজনা প্ৰচাৰবিমুখ প্ৰজ্ঞাৱান নীৰৱ সাধক শ্ৰীযুত অৰুণ চন্দ্ৰ ভূঞাৰ জন্ম হয় ১৯২০ চনৰ ১ লা অক্টোবৰত, নামশালা গাঁৱৰ এটি শিক্ষানুৰাগী পৰিয়ালত। তেখেতৰ ককাদেউতা ৺শুভোৰাম ভূঞাই ১৮৭০ চনতে নামশালা গাওঁত এখন প্ৰাইমাৰী স্কুল স্থাপন কৰিছিল। সেইখনেই বৰপেটা মহকুমাৰ প্ৰথম প্ৰাইমাৰী স্কুল আছিল। ডেকা পণ্ডিত নামে খ্যাত তেখেতৰ দেউতাক ৺পীতাম্বৰ ভূঞা এজন কৃতী শিক্ষক আছিল।

শ্ৰীযুত ভূঞাই শদিয়াৰ পৰা ধুবুৰীলৈকে অসমৰ ভিন ভিন জিলাত এজন দক্ষ প্ৰশাসনীয় বিষয়া হিচাপে কাৰ্য্যনিৰ্বাহ কৰি অৱসৰ পোৱাৰ পিছত বৰ্তমান গুৱাহাটীৰ পুৰ শৰণীয়াত স্থায়ী



ভাৱে বসবাস কৰি আছে। সুদীৰ্ঘ পঞ্চাশ বছৰৰো অধিক কাল গাঁৱৰ বাহিৰত অতিবাহিত কৰা এইজনা সবল প্ৰকৃতিৰ ব্যক্তিৰ কণ্ঠত আজিও জন্মস্থানৰ মাটিৰ গোন্ধ আৰু গভীৰ আত্মীয়তা প্ৰকাশ পায়।

শ্ৰীযুত ভূঞাই তেখেতৰ ককাদেউতাকে স্থাপন কৰা ১ নং নামশালা প্ৰাথমিক বিদ্যালয়তে শিক্ষাৰ পাতনি মেলে। সেই স্কুলতে পঢ়ি পিছত গৈ সৰ্থেবাৰী এম্ ভি স্কুলত নাম লগায় আৰু সেই স্কুলৰ পৰাই ১৯৩১ চনত বৰপেটা মহকুমাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি বৃত্তি লাভ কৰে। তাৰ পিছত ১৯৩৫ চনত প্ৰথম হৈ এম্ ই পাছ কৰে। শ্ৰীযুত ভূঞাই হাইস্কুলীয়া শিক্ষা লাভ কৰে টিহু হাইস্কুলত। সপ্তম মানৰ পৰা নৱম মানলৈ প্ৰতি বছৰে বাৰ্ষিক পৰীক্ষাত শ্ৰেণীৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয় যদিও নৱম মানৰ পৰা দশম মান পাওঁতেই তেখেত মেলেৰীয়া ৰোগত বেয়াকৈ আক্ৰান্ত হৈ পঢ়া বাদ দিব-লগীয়াত পৰে। শেষত দুবছৰ পিছত সৰুক্ষেত্ৰী হাইস্কুল স্থাপিত হোৱাত তাৰপৰা পৰীক্ষা দি ১৯৪১ চনত প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। শ্ৰীযুত ভূঞা সৰুক্ষেত্ৰী হাইস্কুলৰ প্ৰথম বছৰৰ একমাত্ৰ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ। তেখেতৰ কলেজীয়া শিক্ষা আৰম্ভ হয় বৰপেটা কলেজত। ১৯৪৩ চনত সেই কলেজৰ পৰাই প্ৰথম বিভাগত আই. এ. পাছ কৰে। তাৰ পিছত কটন কলেজৰ পৰা ১৯৪৫ চনত বুৰঞ্জী বিষয়ত সন্মান সহ স্নাতক ডিগ্ৰী লাভ কৰে আৰু ১৯৪৭ চনত কলিকতা বিশ্ব-বিদ্যালয়ৰ পৰা এম. এ. ডিগ্ৰী লাভ কৰে।

শ্ৰীযুত ভূঞাৰ চাকৰি জীৱন আৰম্ভ হয় চিলঙৰ লাবান ছোৱালী হাইস্কুলৰ সহকাৰী শিক্ষক হিচাপে। তাৰ পিছত অসম চৰকাৰৰ নিৰ্বাচনী বিষয়াৰূপে নিযুক্তি পায়। কেবা বছৰো

নিৰ্বাচনী বিষয়াৰূপে কাৰ্য্যনিৰ্বাহ কৰাৰ পিছত অসম প্ৰশাসনিক সেৱাৰ ২য় (ACS—II) শ্ৰেণী লাভ কৰে আৰু শদিয়াৰ প্ৰথম গৰাকী মহকুমাৰ মুৰব্বী বিষয়ত (SDO) হিচাপে নিযুক্তি পায়। শেষত অসম প্ৰশাসনিক সেৱাৰ ১ম শ্ৰেণী (ACS—I) লাভ কৰে আৰু কেবাখনো জিলাৰ অতিৰিক্ত উপায়ুক্ত হিচাপে কাৰ্য নিৰ্বাহ কৰে। মাজতে অসম চৰকাৰৰ স্বাস্থ্য পৰিয়াল কল্যাণ, বন আৰু পৰ্যটন বিভাগৰ উপ-সচিব হিচাপেও কাম কৰে। সদৌ শেষত ১৯৮০ চনৰ ৩০ নৱেম্বৰত কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত হিচাপে অৱসৰ গ্ৰহণ কৰে।

তেখেত ধুবুৰীত নিৰ্বাচনী বিষয়া আৰু গৌৰীপুৰ কলেজত অবৈতনিকভাবে অধ্যাপনা কৰি থকা সময়তে ১৯৫৩ চনৰ ৩০ জুনত বিবাহ পাশত আৱদ্ধ হয়।

ভূঞাদেৱে ছাত্ৰ জীৱনৰ পৰা স্কুল-কলেজৰ আলোচনীত আৰু আৱাহনতো প্ৰবন্ধপাতি লিখিছে। বৰ্তমানো লেখি আছে। তেখেত অসম সাহিত্য সভাৰ আজীৱন সভ্য। গুৱাহাটী আলোচনা চক্ৰ, সুৰভী সাহিত্য সমাজ আদিৰ সক্ৰীয় সদস্য। উৰিষ্যাৰ ভুৱনেশ্বৰত থকা শঙ্কৰদেৱৰ সাংস্কৃতিক সংঘৰ কোষাধ্যক্ষ।

শ্ৰীযুত ভূঞা ৺ৰূপৰাম ভূঞাৰ প্ৰিয় ছাত্ৰ, মৰমৰ নাতি-ল'ৰা আৰু শেষ সময়ৰ সহযোগী তথা একনিষ্ঠ সেৱক।

—০—

## ॥ ড০ প্ৰফুল্ল চন্দ্ৰ ভূঞা ॥



**চমু পৰিচয় :**

অসমৰ অন্যতম উদীয়মান শিক্ষা সেৱী বৰপেটা মহকুমাৰ অন্তৰ্গত সৰুক্ষেত্ৰী অঞ্চলৰ বাপুজী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ প্ৰফুল্ল চন্দ্ৰ ভূঞাৰ জন্ম হয় ১৯৩৬ চনৰ ১ চেপ্তেম্বৰ তাৰিখে নামশালা গাওঁত। এখেতৰ পিতৃ ৺মঞ্জুৰ চন্দ্ৰ ভূঞা নামশালাৰ এগৰাকী কাঁহৰ ব্যৱসায় কৰা লোক আছিল। এখেতৰ মাতৃৰ নাম ৺দ্ৰৌপদী ভূঞা।

ড০ ভূঞাই শিক্ষা জীৱনৰ পাতনি মেলে নামশালা প্ৰাইমাৰী বিদ্যালয়ত। প্ৰাথমিক শিক্ষা সাং কৰি এখেতে সৰ্থেবাৰী হাইস্কুলত নাম লগায়। উক্ত শিক্ষানুষ্ঠানখনৰ পৰাই এখেতে প্ৰৱেশিকা পৰীক্ষা দি ১৯৫৪ চনত প্ৰৱেশিকা পাচ কৰে। অৰ্থনৈতিক অভাৱৰ বাবে এখেতে শিলঙলৈ যায় আৰু বহু বাধা-বিঘিনিৰ সন্মুখীন হৈয়ো পঢ়াৰ ইচ্ছা ত্যাগ নকৰি জীৱিকা নিৰ্বাহৰ পথ বিচৰাৰ লগে লগে শিক্ষা জীৱনৰ পথ মুকলি কৰিবলৈও ধৈৰ্য্যেৰে চেষ্টা চলাই থাকে। ১৯৫৯ চনত এখেতে শিলঙৰ চেন্ট এন্‌হনি কলেজৰ পৰা ১ম বিভাগত আই, এ পাচ কৰে আৰু বি. এ পাচ কৰে ১৯৬১ চনত। বি. এ পাচ কৰি উঠাৰ পিছত এখেতে ১৯৬২ চনত সৰ্থেবাৰী হাইস্কুলত সহকাৰী শিক্ষকৰ পদত নিযুক্তি লৈ শিক্ষকতা জীৱনৰ শুভ পাতনি মেলে। ১৯৭০ চনলৈ এখেতে উক্ত শিক্ষানুষ্ঠানখনৰ শিক্ষাদান কাৰ্য্যত সেৱা আগবঢ়ায়। ইতিমধ্যে ১৯৬৮ চনত এখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত এম. এ. ডিগ্ৰীও লাভ কৰিবলৈ সক্ষম হয়। পিচত ১৯৭৬ চনত এখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই বুৰঞ্জী বিষয়তো এম. এ. ডিগ্ৰী লৈ

শিক্ষা জীৱনৰ সামৰণি মাৰে। ১৯৮৩ চনত এখেতে ৺লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত অসমীয়া ঐতিহ্যৰ প্ৰভাৱ সম্পৰ্কে গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে।

১৯৬৯ চনত পুনাৰ ওচৰৰ পুৰন্দৰত হোৱা সৰ্ব্বভাৰতীয় এন. চি. চি অফিচৰ প্ৰশিক্ষণত প্ৰশিক্ষান্ত পৰীক্ষাত এখেতে ভাৰতৰ ভিতৰত দশম স্থান আৰু অসম, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড আৰু নেফাৰ ভিতৰত প্ৰথম স্থান লাভ কৰে।

বহু বছৰৰ পৰা মহাবিদ্যালয় এখনৰ অভাৱ অনুভৱ কৰি অহা সৰুক্ষেত্ৰী অঞ্চলৰ ৰাইজে ১৯৭০ চনত মহাবিদ্যালয় এখন স্থাপন কৰে আৰু উক্ত শিক্ষানুষ্ঠানখনৰ নাম বাপুজী মহাবিদ্যালয় দি শিক্ষাদান কাৰ্য্যও আৰম্ভ কৰে। এই কাৰ্য্যত এখেতেও ১৯৭০ চনৰ পৰা ১৯৭১ চনলৈ অধ্যাপক হিচাবে সেৱা আগবঢ়ায়। ১৯৭২ চনৰ পৰা বৰ্তমানলৈকে এখেতে শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়খন সৰ্ব্বাংগ সুন্দৰ কৰি গঢ়ি তোলাত নিষ্ঠাৰে মনোনিবেশ কৰি আছে। এই শিক্ষানুষ্ঠানখন প্ৰতিষ্ঠা হোৱাৰ আগৰে পৰাই সক্ৰিয় অংশ লৈ সকলো কামতেই আগভাগ লৈ অহা শিক্ষাসেৱীসকলৰ এখেতো অন্যতম। এই গৰাকী শিক্ষাসেৱী অঞ্চলৰ সকলো সামাজিক কামৰ লগতো ওতঃপ্ৰোত ভাবে জড়িত।

১৯৬২ চনৰ জুন মাহত বজালী অঞ্চলৰ বনগাওঁ নিবাসী ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ মেধিৰ দ্বিতীয় কন্যা শ্ৰীমতী দ্বীপণ মেধিৰ পাণি গ্ৰহণ কৰি এখেতে দাম্পত্য জীৱনৰ পাতনি মেলে। এখেত দুজনী কন্যা আৰু দুজন পুত্ৰৰ পিতৃ।

এখেতে বৰ্ত্তমানলৈ তিনিখন পুথি লিখি প্ৰকাশ কৰি উলিয়াইছে। পুথিকেইখন হ'ল—"লক্ষ্মীনাথ বেজবৰুৱা আৰু অসমীয়া ঐতিহ্য", "অসমৰ বৈষ্ণৱ ধৰ্মৰ তত্ত্ব আৰু দৰ্শন' আৰু Lakshminath Bezbaruah : Influence of tradition on his writings. তদুপৰি বিভিন্ন আলোচনীত কিছুমান প্ৰৱন্ধপাতিও ইতিমধ্যে প্ৰকাশ পাইছে।

## শ্ৰীঅচ্যুতানন্দ চৌধুৰী

### চমু পৰিচয় :



"উচ্চ আকাংখা আৰু সবল জীৱন যাত্ৰা" এই আদৰ্শবাণীযাৰক সাৰোগত কৰি স্নাতক মহলাৰ শেষ পৰীক্ষাত উত্তীৰ্ণ নোহোৱালৈ এযোৰ শ্বেত বস্ত্ৰ পৰিধান কৰা ব্যতিৰেকে আন কোনো বিলাসিতাৰ সাজপাৰ নিপিন্ধো বুলি কৰা প্ৰতিজ্ঞা সফলতাৰে বাস্তৱায়িত কৰা জ্ঞান পিপাসু, অধ্যাৱসায়ী আজন্ম শিক্ষাব্ৰতী কৃতী শিক্ষক পূজ্যপাদ শ্ৰীযুত অচ্যুতানন্দ চৌধুৰীদেৱৰ জন্ম হয় সৰ্থেবাৰী গাঁৱৰ শালিয়াকাঠিয়াথেৰ চুপাত ১৯২৭ চনৰ অক্টোবৰ মাহৰ ২৪ তাৰিখ বুধবাৰে। ৰোহিনী নক্ষত্ৰত জন্ম গ্ৰহণ কৰা শ্ৰীযুত চৌধুৰীদেৱৰ স্কুলীয়া শিক্ষা আৰম্ভ হয় কাৰাকুছি নিম্ন প্ৰাথমিক স্কুলত।

কাৰাকুছি নিম্ন প্ৰাইমাৰী স্কুলৰ পৰা শেষ পৰীক্ষা পাছ কৰি সৰ্থেবাৰী মজলীয়া স্কুলত এবছৰ পঢ়ে। তাৰ এবছৰ পিচতহে ১৯৪০ চনত সৰ্থেবাৰী হাইস্কুল স্থাপিত হয়। মজলীয়া স্কুলত পঢ়ি থকা বছৰটোত ৺ৰুপৰাম ভূঞাদেৱ আছিল মোৰ আদৰ্শ আৰু অনুকৰণীয় শিক্ষাগুৰু। ইয়াৰ পিচত সৰ্থেবাৰী হাইস্কুলত দহ বছৰ পঢ়ি ১৯৪৮ চনত তেতিয়াৰ হাইস্কুলৰ শেহান্ত মেট্ৰিক পৰীক্ষা পাচ কৰি আৰ্থিক অনাটনৰ বাবে পঢ়া বিষয়ত মন নিদি উজনি অসমলৈ যায় আৰু তেতিয়াৰ ডিব্ৰুগড় জিলাৰ অন্তৰ্গত বৰডুবি হাইস্কুলত দুবছৰ শিক্ষকতা কৰি ১৯৫০ চনত নাহৰকটীয়া হাইস্কুলত সহকাৰী শিক্ষকৰ পদত নিযুক্তি পায়। উক্ত হাইস্কুলত দুবছৰ কাম কৰি তাৰপৰা হাউলী নৰ্মাল স্কুলত প্ৰশিক্ষণ লবলৈ আহে। ১৯৫৫ চনত হাউলীৰ পৰা নৰ্মাল স্কুলৰ

শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ সেই বছৰতে সৰ্থেবাৰী হাইস্কুলত সহকাৰী শিক্ষকৰ পদত নিযুক্তি পায়। এই স্কুলত কাম কৰি থকা অৱস্থাতে ১৯৬৭ চনত টিহু কলেজৰ পৰা বি. এ. পাচ কৰে। তেতিয়া টিহু কলেজত নৈশ শিক্ষা আছিল। ইয়াৰ পিছতো প্ৰাইভেটে স্নাতকোত্তৰ মহলাৰ অসমীয়া বিষয়ত 'প্ৰিভিয়াচ' শ্ৰেণীৰ পৰীক্ষাটি দি ১৯৭২ চনত উত্তীৰ্ণ হয়। বৈষয়িক অসু-বিধাৰ বাবে শেষ পৰীক্ষা দিয় নহ'ল। অৱসৰ লোৱাৰ পিছতো ১৯৯২ চনৰ পৰা 'সৰ্থেদেৰী ম'ডেল স্কুলত অধ্যক্ষৰ পদত কিছুদিন কাম কৰে। নাহৰকটীয়া হাইস্কুলত শিক্ষকতা কৰি থকা অৱস্থাত 'লিডুত' "কাবপেক ট্ৰেইনিং" বিষয়ৰ প্ৰশিক্ষণ লৈ প্ৰমাণ-পত্ৰ লাভ কৰে। সৰ্থেবাৰী হাইস্কুলত শিক্ষকতা কৰি থকা অৱস্থাত ১৯৫৯ চনত "ভাৰত স্কাউটচ্"ৰ আৰু ইয়াৰ পিছতো ক্ৰমে "ভাৰত সেৱক সমাজ" মিৰাটত লোৱা "National Discipline Scheme"ৰ মৰ্য্যদাসূচক প্ৰমাণ পত্ৰ লাভ কৰে। সৰ্থেবাৰী হাইস্কুলত কাম কৰি থকা অৱস্থাতেই স্কুলীয়া 'স্কাউট' সকলক লৈ 'উমটিঙাৰ', গুৱাহাটী, শিলঘাট, বৰপেটা, ছয়গাওঁ, টিহু আদি ঠাইত অনুষ্ঠিত 'জাম্বৰী', 'স্কাউট কেম্প', 'ৰেলী' আদিলৈ গৈ তাত যোগদান কৰে।

উল্লেখিত ঠাইত স্কাউট অনুষ্ঠানবোৰত তেখেতৰ কৃতী আৰু প্ৰিয় ছাত্ৰ শ্ৰীগৌৰীকান্ত ভূঞা (বৰ্তমান নতুন ফটাশিল টাউন হাইস্কুলৰ প্ৰধান শিক্ষক) প্ৰমুখ্যে কেবাজনো ছাত্ৰই স্কাউট কেম্পত কৃতীত্ব অৰ্জন কৰে।

কাবিং, স্কাউটিং, ব্যায়াম আদি ল'ৰা কালৰ পৰাই তেখেতৰ প্ৰিয় বিষয় আছিল। সেয়েহে সেই বিষয়বোৰৰ প্ৰশিক্ষণ লৈ স্কুলীয়া ছাত্ৰবোৰকো শিকাই বৰ আনন্দ পাইছিল। তেখেতে গভীৰ ভাৱে উপলব্ধি কৰে যে—কাবিং, স্কাউটিং আদি বিষয়ৰ শিক্ষাৰে



এজন ছাত্ৰক নিয়মানুবৰ্ত্তী, আজ্ঞানুবৰ্ত্তী, সদালাপী, সহায়কাৰী, মিষ্টভাষী আৰু বিনম্ৰ কৰি তুলিব পাৰি। আনহাতে এই শিক্ষাই নীচতা, ভীৰুতা, অলসতা দূৰ কৰি ছাত্ৰ-ছাত্ৰীক কৰ্ত্তব্য পৰায়ণ হ'বলৈ উদগনি দিয়ে; লগতে ভৱিষ্যত জীৱনৰ ভেটি গঢ়ি তোলে।

——

## শ্ৰীভবেন্দ্ৰ নাথ ভূঞা



**চমু পৰিচয়ঃ**

কৰ্মচাৰী সংগঠনৰ সক্ৰিয় সদস্য, সদালাপী, নিৰহংকাৰী শ্ৰীযুত ভবেন্দ্ৰ নাথ ভূঞাদেৱৰ জন্ম হয় ১৯৩১ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে বৰপেটা মহকুমাৰ সৰুক্ষেত্ৰী মৌজাৰ অন্তৰ্গত কাঁহ-শিলপৰ নগৰী সৰ্থেবাৰীৰ সমীপৱৰ্ত্তী নামশালা গাঁৱত। বৰ্ত্তমান গুৱাহাটীৰ ফটাশিল নিবাসী শ্ৰীযুত ভূঞাৰ পিতৃৰ নাম ৺দত্তৰাম ভূঞা আৰু মাকৰ নাম ৺বিচিত্ৰ ভূঞা। বাল্য কালৰ পৰাই সমনীয়াৰ প্ৰিয়পাত্ৰ শ্ৰীযুত ভূঞাই শিক্ষাৰ পাতনি মেলে ১ নং নামশালা প্ৰাথমিক বিদ্যালয়ত।

প্ৰাইমাৰী পৰীক্ষা পাচ কৰি সৰ্থেবাৰী হাইস্কুলত অষ্টম মান শ্ৰেণীলৈ পঢ়ে আৰু তাৰ পিছত চামতা হাইস্কুলৰ পৰা ১৯৫৩ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। চাকৰি কৰিয়েই বি. বৰুৱা কলেজৰ পৰা বি, এ. পাছ কৰে আৰু শেষত আইনৰ স্নাতক হয়।

শ্ৰীযুত ভূঞাই ১৯৫৬ চনত ফেব্ৰুৱাৰী মাহৰ ৬ তাৰিখৰ পৰা কামৰূপ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সহায়ক হিচাপে কাম কৰে। ১৯৬৩ চনত জিলা ন্যায়াধীশৰ কাৰ্য্যালয়ৰ নাজিৰ হিচাবে কাম কৰি বৰ্ত্তমান উক্ত কাৰ্য্যালয়তে চিৰস্তাদাৰ হিচাবে আছে।

ভূঞাদেৱ সৰুৰে পৰা সমাজৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত। ১৯৬৭ চনৰ পৰা গুৱাহাটীৰ নতুন ফটাশিল টাউন হাইস্কুল, ফটাশিল কো-অপাৰেটিভ চ'চাইটি যুৱজ্যোতি সংঘ, আৰ. জি. বৰুৱা মহাবিদ্যালয়, প্ৰাগজ্যোতি সাহিত্য সভাৰ লগত জড়িত হৈ আছে। তেখেতে কৰ্মচাৰীৰ সংগঠন যেনে— সদৌ অসম আমোলা সন্থা আৰু সদৌ অসম কৰ্মচাৰী পৰিষদৰ গুৰুত্বপূৰ্ণ পদবীও নিষ্ঠাৰে পালন কৰি আছে। ইয়াৰ উপৰিও শ্ৰীযুত ভূঞা সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি।

ফুটবল, ভলিবল খেলাৰ প্ৰতি ৰাপ থকা শ্ৰীযুত ভূঞাই স্কুলীয়া অৱস্থাৰ পৰাই বিভিন্ন নাটকত অভিনয় কৰি আহিছে। ৮ম মানত পঢ়ি থকা সময়ত সৰ্থেবাৰী হাইস্কুলৰ সৰস্বতী পূজা উপলক্ষে-- ৺লোহিত চন্দ্ৰ ডেকাৰ--"শকুনিৰ প্ৰতিশোধ" নাটকত "দুৰ্যোধনৰ" চৰিত্ৰত অভিনয় কৰি ৰাইজৰ ভূয়সী প্ৰশংসা লাভ কৰিছিল। গুৱাহাটীৰ ফটাশিলত শ্ৰীমন্ত শংকৰদেৱ তিৰোভাৱ তিথি উৎসৱত মঞ্চস্থ কৰা নাটকত বিভিন্ন চৰিত্ৰ অভিনয় কৰি আহিছে।

নিষ্ঠা আৰু সততাৰে সামাজিক কামত জড়িত শ্ৰীযুত ভূঞা অসম সাহিত্য সভাৰ ৬১ তম্ সৰ্থেবাৰী অধিবেশনৰ আদৰণি সমিতিৰ গুৱাহাটী মহানগৰ শাখা সমিতিৰ সাধাৰণ সম্পাদক।

—০—

## শ্ৰীজয় চন্দ্ৰ ভূঞা



**চমু পৰিচয় ঃ**

জন্মস্থানৰ টান এৰাব নোৱাৰি বাহিৰত মাত্ৰ কেইটামান বছৰ অতিবাহিত কৰি, চৰকাৰী চাকৰি নেওঁচি নিজ গাঁৱলৈ প্ৰত্যাবৰ্ত্তন কৰা আৰু শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাবে লৈ স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ জৰিয়তে সমাজ আৰু সাহিত্য সেৱাত আত্মনিৱেশ কৰা শ্ৰীযুত জয় চন্দ্ৰ ভূঞাদেৱৰ জন্ম হয় বৰপেটা জিলাৰ পূব প্ৰান্তত অৱস্থিত পল্লা সত্ৰৰ সংলগ্ন নামশালা গাঁৱত। তেখেতৰ পিতৃ হ'ল বুৰঞ্জীবিখ্যাত বাৰভূঞা থালৰ ৺ভকতচৰণ ভূঞাদেৱৰ বংশোদ্ভৱ ৺দাসীৰাম ভূঞা আৰু মাতৃ ৺পদ্মা ভূঞা।

ভূঞাদেৱে সৰ্থেবাৰী হাইস্কুলৰ পৰা ১৯৫০ চনত মেট্ৰিক পাছ কৰে। ১৯৫৩ চনত দ্বিতীয় বিভাগত আই. এ আৰু ১৯৫৮ চনত বি, এ পাছ কৰে। তাৰ পিছত ১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। শেষত বৃত্তিগত অৰ্হতাৰ উৎকৰ্ষ সাধনৰ বাবে ইংৰাজী, সমাজ অধ্যয়ন আৰু কৰ্ম অভিজ্ঞতা বিষয়ৰ প্ৰশিক্ষণ লয়। শিক্ষাব্ৰতী শিক্ষক ভূঞাদেৱে পৰিৱৰ্ত্তিত পাঠ্যক্ৰম আৰু শিক্ষানীতিৰ লগত নিজকে খাপ খুৱাই লবলৈ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰো প্ৰশিক্ষণ লয়।

তেখেতে ১৯৫৩ চনত কৃষি বিভাগৰ ফল-মূল শাখাত অফিচ সহায়ক হিচাবে কৰ্মজীৱনৰ পাতনি মেলে। তাত এবছৰ কাল কাম কৰাৰ পিছত গুৱাহাটী প্ৰধান ডাক ঘৰত কাৰ্য্যালয় সহায়ক হিচাবে ১৯৬০ চনলৈ কাম কৰে। ডাকঘৰৰ চাকৰি ইস্তাফা দি

১৯৬০ চনৰ ১১ এপ্ৰিলৰ দিনা সৰ্থেবাৰী হাইস্কুলত সহকাৰী শিক্ষক হিচাৱে যোগদান কৰে। সেই স্কুলতে প্ৰায় ৩০ বছৰৰো অধিক কাল সুখ্যাতিৰে সহকাৰী শিক্ষক, সহকাৰী প্ৰধান শিক্ষক আৰু শেষত উপাধ্যক্ষ হিচাবে সেৱা আগবঢ়াই ১৯৯০ চনৰ ১লা চেপ্তেম্বৰ তাৰিখে অৱসৰ গ্ৰহণ কৰে। ইয়াৰ ভিতৰতে বাপুজী মহাবিদ্যালয়ত ১৯৭০ চনত এবছৰ কাল অবৈতানিক ভাবে অধ্যাপনাও কৰে।

ভূঞাদেৱে ছাত্ৰাৱস্থাৰ পৰাই গাঁৱৰ পুথিভঁৰাল স্থাপনকে ধৰি বিভিন্ন সামাজিক কামত লিপ্ত হয়। প্ৰাইমাৰী স্কুলত পঢ়ি থকা সময়তে এদিন তেখেতৰ শিক্ষা গুৰু ৺ৰূপৰাম ভূঞাদেৱৰ ওচৰত তাচ খেলোতে হাতে-লোতে ধৰা পৰি প্ৰতিজ্ঞাবদ্ধ হোৱাৰ পিচৰে পৰা আৰু কোনো দিনে তাচ-পাত আৰু ৰাগীয়াল দ্ৰব্য স্পৰ্শ কৰা নাই। তেখেতে ১৯৬০ চনৰ পৰাই সৰ্থেবাৰীৰ "ভাৰতী অধ্যয়ন চক্ৰ" নামৰ শাখা সাহিত্য সভাৰ সম্পাদক, সভাপতি, উপদেষ্টা আদি বিষয়বাব লৈ বৰ্তমানলৈকে ওতঃপ্ৰোত ভাবে জড়িত হৈ আছে।

১৯৭০ চনত তেখেত অসম মাধ্যমিক শিক্ষক সংস্থাৰ বৰপেটা জিলাৰ সম্পাদক নিৰ্বাচিত হয় আৰু উক্ত সংগঠনৰ ৰাজ্যিক মুখ-পত্ৰ "শিক্ষা আৰু শিক্ষকো" সম্পাদনা কৰে। একাধিক বছৰ স্থানীয় পৰীক্ষা বোৰ্ডৰ সম্পাদকৰ দায়িত্ব বহন কৰা ভূঞাদেৱে বিদেশী বহিস্কাৰ আন্দোলনৰ সময়ত পাকা-সৰুক্ষেত্ৰী শিক্ষক-কৰ্মচাৰীৰ আঞ্চলিক গোটৰ সম্পাদক ৰূপে কাৰ্য্যনিৰ্বাহ কৰে।

১৯৬০ চনৰ পৰাই তেখেতে নামশালা গাওঁ পৰিচালনা কমিটিৰ পুনৰ গঠন (পূৰ্বৰ কৰ্ম সাধিনী সভা), বৰনাম পুনৰ পতাকে ধৰি গাওঁখনৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। পল্লা গাঁৱৰ লগত যোগসূত্ৰ স্থাপন কৰি ৰিজাৰ্ভ উন্নয়ন সমিতি গঠন কৰাত



আগভাগ লয় আৰু ১৯৭৬ চনত "নৱজ্যোতি হাইস্কুল"ৰ প্ৰতিস্থাপক সম্পাদক হয়। বৰ্তমানো তেখেত উক্ত স্কুলৰ সভাপতি। নামশালা গাওঁ মহিলা সমিতি গঠনত অগ্ৰণী ভূমিকা লোৱা শ্ৰীযুত ভূঞা বৰ্তমান গাওঁ পৰিচালনা সমিতিৰ সভাপতি আৰু বাপুজী কলেজৰ পৰিচালনা কমিতিৰ সদস্য।

স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ভূঞাদেৱ এজন সাহিত্যিক আৰু সংবাদসেৱী। ইতিমধ্যে তেখেতৰ বহুতো গল্প, প্ৰবন্ধ, কবিতা, বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ পাইছে আৰু ছপা কৰি প্ৰকাশ কৰিব পৰাকৈ এখন উপন্যাস, এখন নাটক আৰু এখন কবিতা পুথিৰ পাণ্ডুলিপি প্ৰস্তুত হৈ আছে।

---

শ্ৰীহেমকান্ত ভূঞা



**চমু পৰিচয় ঃ**

কাঁহ-শিল্পী শ্ৰীযুত হেমকান্ত ভূঞাৰ জন্ম হয় ১৯৩০ চনৰ ফেব্ৰুৱাৰী মাহত কাঁহ-শিল্প নগৰীৰ সমীপৱৰ্তী নাম-প্ৰসঙ্গৰ বাবে খ্যাত নামশালা গাঁৱত। তেখেতৰ পিতাকৰ নাম ৺কানুৰাম ভূঞা আৰু মাকৰ নাম ৺দোমাহী ভূঞা। নামশালা প্ৰাইমাৰী স্কুলৰ পৰা এল. পি. পাছ কৰি সৰ্থেবাৰী এম্ ভি স্কুলত নাম লগায়। কিন্তু ঘৰুৱা আলৈ-আহুকালৰ বাবে ইচ্ছা থকা সত্বেও

মজলীয়া স্কুলতে স্কুলীয়া শিক্ষাৰ অন্ত পৰে। মাতৃ বিয়োগৰ পিছত পিতৃও অসুস্থ হৈ পৰাত তেখেতে কাঁহৰ বাচন গঢ়োৱা বোপা-ককাৰ বৃত্তিকে অবলম্বন কৰিবলৈ বাধ্য হয় আৰু কম দিনৰ ভিতৰতে এজন ওজা কঁহাৰ ৰূপে আত্ম প্ৰকাশ কৰে। ভূঞাদেৱে প্ৰায় সকলো প্ৰকাৰৰ কাঁহৰ বাঁচন গঢ়াব জানে।

এই গৰাকী কাঁহ-শিল্পীয়ে ডেকা কালৰ পৰাই সামাজিক কামত জড়িত হৈ পৰে। তেখেতে অসম সমবায় কঁহাৰ সংঘৰ কাৰ্যকৰি সমিতিৰ সদস্য, কঁহাৰ সংস্থাৰ সক্ৰিয় সদস্য আৰু নামশালা গাওঁ পৰিচালনা সমিতিৰ কেবাবাৰো সভাপতি ৰূপে কাৰ্যনিৰ্বাহ কৰে। এবাৰ তেখেত নামশালা গাঁৱৰ ঐতিহাসিক বৰনামঘৰো (মৌজা নামৰ) সভাপতি হয়। শ্ৰীযুত ভূঞা বৰ্তমানো এই অঞ্চলৰ প্ৰায় সকলোবোৰ শিক্ষানুষ্ঠান, ধৰ্মানুষ্ঠান আৰু সামাজিক সংগঠনৰ লগত জড়িত হৈ আছে। তেখেত নকজ্যোতি হাইস্কুলৰ জন্ম-লগ্নৰ পৰাই পৰিচালনা সমিতিৰ সদস্য আৰু নামশালা প্ৰাইমাৰী স্কুলৰো একাধিকবাৰ সভাপতি।

সামাজিক কামত আগবণুৱা ওখ-পাখ চেহেৰাৰ, গলগলীয়া কণ্ঠস্বৰৰ মিঠা বৰণীয়া এইজন স্বভাৱজাত কাঁহ-শিল্পী বৰ্তমান কাঁহৰ বাচনৰ ব্যৱসায়ী।

— —

## শ্ৰীৰতিকান্ত ৰয়



### চমু পৰিচয় ঃ

শ্ৰীযুত ৰতিকান্ত ৰয়দেৱ এগৰাকী কৃতী শিক্ষকেই নহয়; তেখেত সৰু-ক্ষেত্ৰী অঞ্চলৰ এজন জনপ্ৰিয় নাট্যকাৰ, পৰিচালক আৰু সুদক্ষ অভিনেতা। 'শনিৰ দৃষ্টি', "জীয়া বিপ্লৱ", 'ভঙাঘৰ', 'সন্তান', 'মৰাশ', 'নকল সোণ' আদি তেখেতৰ মঞ্চসফল বলিষ্ঠ নাটক আৰু "ধৰ্মস্য গ্লানি" এখন সমালোচনামূলক গ্ৰন্থ। এইজনা সংস্কৃতিৰ পূজাৰী শিক্ষাগুৰুৰ জন্ম হয় ১৮৬৪ শকৰ (ইংৰাজী ১৯৪২ চন) আহাৰ মাহৰ ১০ তাৰিখে সৰুক্ষেত্ৰী মৌজাৰ পূৰ-প্ৰান্তত অৱস্থিত আমুখোৱা গাঁৱত। তেখেতৰ পিতাকৰ নাম ৺ভৰন চন্দ্ৰ পাঠক আৰু মাকৰ নাম ৺ৰঞ্জনী পাঠক।

ৰয়দেৱে আমুখোৱা হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাবে লৈ জুনিয়ৰ বেছিক ট্ৰেইনিং গ্ৰহণ কৰে। তেখেতে ১৯৬৩ চনৰ ১৯ ফেব্ৰুৱাৰী তাৰিখে বৰপেটাৰ ভোগবন্ধা খণ্ডকাৰপাৰা প্ৰাথমিক স্কুলত শিক্ষক হিচাবে যোগদান কৰে। সেই স্কুলৰ পৰা ইং ১৭। ৬।৬৩ তাৰিখে জনিয়া অঞ্চলৰ বাংলীপাৰা এল. পি. স্কুললৈ বদলি হয় আৰু তাত এঘাৰ বছৰৰো অধিক কাল সুখ্যাতিৰে চাকৰি কৰে। পিছত ১। ১১।৭৪ ইং তাৰিখে স্থানীয় নামশালা বালিকা প্ৰাইমাৰী স্কুললৈ প্ৰধান শিক্ষক হিচাবে বদলি হৈ আছে। এই স্কুলতো প্ৰায় নবছৰ কাম কৰাৰ পিছত সৰ্থেবাৰী চহৰৰ ১৭৭৯ নং বাপুজী নগৰ প্ৰাথমিক বিদ্যালয়লৈ বদলি হয় আৰু যোৱা ১৬।৮।৮৩

ইং তাৰিখৰ পৰা বৰ্তমানলৈ তেখেতে সেই স্কুলতে শিক্ষকতা কৰি আছে।

ৰয়দেৱে ১৯৭৪ চনৰ পৰাই এতিয়ালৈ সভাপতি, সম্পাদক, সদস্য আদি পদবীৰে ভিন ভিন সময়ত সৰুক্ষেত্ৰী পাকা মৌজা প্ৰাথমিক শিক্ষক সন্মিলনীৰ বিভিন্ন দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰি আহিছে।

——

## শ্ৰীজিতেন্দ্ৰ নাথ ভূঞা



**চমু পৰিচয় ঃ**

শ্ৰীযুত জিতেন্দ্ৰ নাথ ভূঞা এজন নিৰহংকাৰী শান্ত প্ৰকৃতিৰ উচ্চ পদস্থ বিষয়া। অধ্যয়নব্ৰতী শ্ৰীযুত ভূঞা লাখ-বিলাসৰ প্ৰতি অনাসক্ত আৰু সহকৰ্মী সকলৰ প্ৰতি সহানুভূতিশীল। এইজনা সদালাপী বুৰঞ্জীবিদৰ জন্ম হয় ১৯৪০ চনত বৰপেটা জিলাৰ সৰু-ক্ষেত্ৰী মৌজাৰ নামশালা গাঁৱত। তেখেতে নিজ গাঁৱৰ স্কুলৰ পৰা প্ৰাইমাৰী পাছ কৰি সৰ্থেবাৰী হাইস্কুলত পঢ়ে। উক্ত স্কুলৰ পৰাই ১৯৫৫ চনত প্ৰৱেশিকা পাছ কৰি গুৱাহাটীৰ কটন কলেজত পঢ়ে আৰু ১৯৫৯ চনত স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৬২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত এম. এ. পাছ কৰে। তাৰ পিছত ১৯৬৬ চনত চিলং বি. টি. কলেজৰ পৰা সুখ্যাতিৰে বি. টি. পাছ কৰে।



শ্ৰীযুত ভূঞাদেৱে চাকৰি জীৱন আৰম্ভ কৰে সৰুক্ষেত্ৰী হাই-স্কুলৰ সহকাৰী শিক্ষক হিচাবে। তেখেতে সৰ্থেবাৰী হাইস্কুল আৰু সৰ্থেবাৰী ছোৱালী হাইস্কুলতো শিক্ষকতা কৰে। ইয়াৰো-পৰি ১৯৬৩ চনত অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাবেও কিছুদিন কাম কৰে।

তাৰ পিছত ১৯৬৪ চনত অসম চৰকাৰৰ জিলাৰ বিবৰণী (District Gazetter), অসমৰ ৰাজনৈতিক বুৰঞ্জী আৰু অসমৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীৰ সংকলক (Compiler) হিচাবে চৰকাৰী চাকৰি আৰম্ভ কৰে। শেষত বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ গৱেষক হিচাবে যোগদান কৰে। ১৯৮৮ চনত উক্ত বিভাগৰ উপ-সঞ্চালক হিচাবে নিযুক্তি পায় আৰু ১৯৯৩ চনৰ পৰা সঞ্চালক হয়।

ভূঞাদেৱে মাজতে বাণীকান্ত বি. টি. কলেজতো ৮ বছৰ কাল প্ৰৱক্তা হিচাবে সেৱা আগবঢ়ায়।

ইতিমধ্যে তেখেতৰ কুৰিটাতকৈও অধিক তত্বগধুৰ প্ৰৱন্ধ বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ পাইছে। বৰ্তমান তেখেত প্ৰাগজ্যোতি সাহিত্য সভা (ফটাশিল)ৰ সাধাৰণ সম্পাদক আৰু ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতিৰ কাৰ্য্যকৰি সভাপতি।

——

## শ্ৰীযুত পীতাম্বৰ চৌধুৰী



**চমু পৰিচয় ঃ**

শ্ৰীযুত পীতাম্বৰ চৌধুৰী সৰ্থেবাৰী অৰসৰবক্ষণ-অঞ্চলৰ এটি পৰিচিত নাম। অবিভক্ত গণা বৰপেটা মহকুমাৰ এজন কৃতী শিক্ষক। এই অঞ্চলৰ বহুতো ডাক্তৰ, ইঞ্জিনিয়াৰ, আৰু অধ্যাপকৰ শিক্ষাগুৰু। ধুতি-চোলা পৰিধান কৰা মিঠা বৰণীয়া আটিল দেহৰ ওখ-পাশ এজন সুশ্ৰী পুৰুষ। ছাত্ৰ-ছাত্ৰীয়ে দেখিলেই ভয় কৰা দৰদী হৃদয়ৰ কড়া শিক্ষক। শ্ৰীযুত চৌধুৰীৰ জন্ম হয় ১৮৫৮ শকৰ ১৩ চ'ত শনিবাৰে। তেখেতৰ পিতৃ সৰ্থেবাৰী নগৰৰ প্ৰৱেশদ্বাৰ নতুন তালুকদাৰ চুপা নিবাসী কাঁহ-শিল্পী ৺নৰোত্তম (নৰো) চৌধুৰী আৰু মাতৃ সুকণ্ঠী নামতী ৺পূৰ্ণিমা চৌধুৰী। তেখেত চাৰিজনী বায়েকৰ একমাত্ৰ চেনেহৰ ভায়েক।

শ্ৰীযুত চৌধুৰীয়ে ১৯৪৯ চনত প্ৰাইমাৰী পাছ কৰি সৰ্থেবাৰী চেণ্ট্ৰেল বয়জ এম্ ভি স্কুলত পঢ়ে। ৺হৰিচৰণ তালুকদাৰ (হেড্ পণ্ডিতৰ) তীক্ষ্ম বুদ্ধিৰ প্ৰিয় ছাত্ৰ চৌধুৰীদেৱে ইং ১৯৫২ চনত এম্ ভি পাছ কৰি চতিয়া নৰ্মাল স্কুলত ভৰ্ত্তি হয় আৰু তাৰ পৰা ইং ১৯৫৭ চনত সুখ্যাতিৰে নৰ্মাল পাছ কৰি আহি চাকৰিত সোমায়। তাৰ পাঁচ বছৰ পিছত হাইস্কুলৰ মজিয়া নগচকাকৈয়ে ১৯৬১ চনত প্ৰৱেশিকা পাছ কৰে।

তেখেতে ১৯৫৭ চনৰ ২২ আগষ্ট তাৰিখে বনগাওঁ মজলীয়া বিদ্যালয়ত সহকাৰী শিক্ষক হিচাবে শিক্ষকতা জীৱনৰ পাতনি মেলে। সেই স্কুলত কিছুদিন কাম কৰাৰ পিছত ১৯৫৮ চনৰ ১৭ আগষ্ট তাৰিখে তাৰ পৰা বদলি হৈ আহি নিজে পঢ়া যোৱা



সৰ্থেবাৰী এম্ ভি স্কুলত যোগদান কৰে। তেতিয়াৰে পৰা উক্ত স্কুলতে নিৰবিচিন্নভাবে এজন শিক্ষাব্ৰতী শিক্ষক হিচাবে সেৱা আগবঢ়াই আছে। তেখেতৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলতে স্কুলখনৰ পৰা প্ৰতি বছৰে চাৰি/পাঁচজনকৈ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি লাভ কৰি আহিছে। যোৱা ১৯৮৪ চনৰ পহিলা এপ্ৰিলৰ পৰা তেখেত উক্ত স্কুলৰ প্ৰধান শিক্ষক হিচাবে দক্ষতাৰে কাৰ্য্যনিৰ্বাহ কৰি আছে।

শ্ৰীযুত চৌধুৰীয়ে ১৯৬০ চন মানৰ পৰাই মজলীয়া বিদ্যালয়ৰ শিক্ষক সংস্থাৰ লগত ওতঃপ্ৰোত ভাবে জড়িত হৈ আছে। ১৯৭১ ১৯৭২ চনত একেৰাহে দুবছৰ কাল বৰপেটা মহকুমাৰ মজলীয়া স্কুল শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক আছিল। ১৯৭৫ চনত উক্ত সংস্থাৰ দ্বাৰা পৰিচালিত প্ৰমোচনী পৰীক্ষাৰ সম্পাদকৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি প্ৰশংসিত হৈছিল। বৰ্তমান (১৯৯৪ চনত) তেখেত উক্ত সংস্থাৰ উপ-সভাপতি। ইয়াৰোপৰি সৰ্থেবাৰী আঞ্চলিক মজলীয়া স্কুল শিক্ষক সংস্থাৰ তেখেতে একাধিকবাৰ সম্পাদক, সভাপতি আৰু উপদেষ্টা হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছে।

শ্ৰীযুত চৌধুৰী সৰ্থেবাৰী নগৰৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো সক্ৰিয় ভাবে জড়িত হৈ আছে। শান্তি-প্ৰিয় নিৰ্জু প্ৰকৃতিৰ মিষ্ঠভাষী এই গৰাকী আদৰ্শবান শিক্ষক স্থানীয় ৰাইজৰ আদৰ আৰু সন্মানৰ পাত্ৰ।

——

## শ্ৰীপ্ৰতাপ চন্দ্ৰ চৌধুৰী



### চমু পৰিচয় ঃ

সৰুক্ষেত্ৰীত শৈশৱ আৰু শিক্ষা সমাপ্ত কৰি ডিমৰীয়াত গৈ নিজ প্ৰতিভাৰ গুণত বিখ্যাত হোৱা শ্ৰীযুত প্ৰতাপ চন্দ্ৰ চৌধুৰী একেধাৰে এগৰাকী কৃতী শিক্ষক, সাহিত্যিক আৰু গান্ধীবাদী সমাজ সেৱক। চৌধুৰীদেৱৰ জন্ম হয় ১৯২৫ চনত অসমৰ কাঁহ-শিল্পৰ বাবে প্ৰখ্যাত সৰ্থেবাৰী গাঁৱত। তেখেতৰ পিতৃৰ নাম ৺নাৰায়ণ চন্দ্ৰ চৌধুৰী আৰু মাতৃৰ নাম ৺ভাগ্যেশ্বৰী চৌধুৰী। পাঁচ বছৰ বয়সতে মাতৃ বিয়োগ ঘটা বাবে তেখেতে একমাত্ৰ ভনীয়েক দময়ন্তীক চোৱা-চিতা কৰিব লগীয়াত পৰিছিল আৰু অকলশৰীয়া দেউতাকৰ আল্-পৈচান ধৰিব লগীয়া হৈছিল। সেয়েহে তেখেতে দহ বছৰমান বয়সতহে স্কুললৈ গৈছিল। চৌধুৰীদেৱে ১৯৪৪ চনত সৰ্থেবাৰী মজলীয়া ছাত্ৰ-বৃত্তি স্কুলৰ পৰা এম্ ভি পাছ কৰে। F. A. শ্ৰেণীৰ দ্বিতীয় বাৰ্ষিকলৈ পঢ়িয়ে নিজৰ সদিচ্ছা থকা সত্বেও ঘৰুৱা অভাৱ-অভিযোগৰ বাবে পঢ়া বাদ দি ১৯৫২ চনৰ ৮ নৱেম্বৰত গুৱাহাটীৰ পূবত থকা ডিমৰীয়াৰ দৰে জনজাতি প্ৰধান অঞ্চললৈ গৈ হুঁহৰা চৰকাৰী মজলীয়া বিদ্যালয়ত শিক্ষকতা জীৱনৰ পাতনি মেলে। তাত কিছু দিন কাম কৰাৰ পিছত ১৯৫৩ চনৰ ১৩ ফেব্ৰুৱাৰীত নাহৰগুৰিঘাট মধ্য ইংৰাজী বিদ্যালয়ত পোণতে সহকাৰী শিক্ষক আৰু পিছত প্ৰধান শিক্ষক হিচাবে সুদীৰ্ঘ কাল নিষ্ঠাৰে কাম কৰি যোৱা ৩১।৮।৯১ তাৰিখে অৱসৰ গ্ৰহণ কৰে। তেখেত বৰ্তমান ক্ষেত্ৰীৰ স্থায়ী বাসিন্দা।

শ্ৰীযুত চৌধুৰীয়ে ছাত্ৰ জীৱনৰ পৰাই সাহিত্য চৰ্চাত মনো-



নিৱেশ কৰে। এই ক্ষেত্ৰত "ভাতৃসংঘ" (সৰ্থেবাৰীৰ সাহিত্য চৰ্চাৰ প্ৰথম অনুষ্ঠান), "শুদ্ধ শিশু সংঘ" (৺ভক্ত দাস পাঠক আতৈদেৱে গুৰি ধৰা) অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে তেখেতৰ সহযোগী বন্ধু সৰ্থেবাৰীৰ শ্ৰীযুত প্ৰসন্ন কুমাৰ ডেকা, শ্ৰীযুত হিতেশ ডেকা, সুন্দৰীদিয়াৰ ৺শ্ৰীৰাম চন্দ্ৰ দাস আদিৰ সান্নিধ্যই বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছিল।

সম্প্ৰতি তেখেতৰ প্ৰকাশিত পুথিসমূহ হ'ল—"বেজবৰুৱাৰ চমু পৰিচয়" (১৯৬৮), "মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ" (১৯৬৯), "হৰিদেৱৰ গুণমালা আৰু গীতাৱলী" (১৯৬৯), 'বি. কে. ভাণ্ডাৰী" (১৯৭০), "কৃষ্ণ কান্ত গোস্বামী" (১৯৭৭), "অস্তমিত ভাস্কৰ" (১৯৭৫), "শিশুৰ শঙ্কৰদেৱ" (১৯৮৯) আদিৰ উপৰিও বিভিন্ন আলোচনী, পুস্তিকা আদিৰ পাতত বহুতো প্ৰৱন্ধ প্ৰকাশিত হৈছে আৰু প্ৰকাশিত হবলৈ বহু কেইখন কিতাপ হাতে লিখা অৱস্থাতে আছে।

শ্ৰীযুত চৌধুৰীয়ে নাহৰগুৰিঘাট শাখা সাহিত্য সভাৰ প্ৰতিস্থাপক সভাপতি, ডিমৰীয়া আলোচনা চক্ৰৰ সভাপতি আৰু ১৯৭৫ চনত কামৰূপ সাহিত্য পৰিষদৰ তামুলপুৰ অধিবেশনৰ উপ-সভাপতি নিৰ্বাচিত হয়। ১৯৯০ চনৰ ফেব্ৰুৱাৰীত মালয়বাৰীত বহা কামৰূপ জিলা সাহিত্য সভাৰ অষ্টাদশ ডিমৰীয়া অধিবেশনত স্থানীয় সাহিত্যিক হিচাবে তেখেতক সম্বৰ্দ্ধনা জনায়। তেখেত কেবাখনো বাতৰি কাকতৰ স্থানীয় সাংবাদিকো।

আনৰ কাম প্ৰশংসা কৰা আৰু নিজৰ যুক্তি-বিবেচনাৰে চালিত হোৱা শ্ৰীযুত চৌধুৰী এজন অল্পভাষী ধৈৰ্য্যশীল, কৰ্মপটু আদৰ্শৱান কৃতী প্ৰধান শিক্ষক। তেখেত গুৱাহাটী মহকুমা এম্ ই শিক্ষক সংস্থাৰ লগত জন্ম-লগ্নৰ পৰাই জড়িত হৈ আছিল আৰু কিছু কাল "আন্তঃ ডিমৰীয়া সমন্বয় ৰক্ষী" শিক্ষা সংস্থাৰ সভাপতি আছিল।

যোৱা ১৯৭৯ চনৰ পৰাই এজন গুণী-জ্ঞানী, গান্ধীজীৰ আদৰ্শেৰে অনুপ্ৰাণিত লোকে কৰা নেৰা-নেপেৰা প্ৰচেষ্টাৰ ফল-শ্ৰুতিতহে "ভূঞা পণ্ডিত" (স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্যখনি) প্ৰকাশ পালে। আগন্তুক অসম সাহিত্য সভাৰ ৬১ তম্ সৰ্থেবাৰী অধিবেশনত এখেতৰ একাধিক সম্পাদিত আৰু স্ব-ৰচিত পুথি প্ৰকাশ পাব।

—০—



শ্ৰীগঙ্গা নাথ ভূঞা

টোকা: সময়মতে তথ্য-পাতি সংগ্ৰহ কৰিব নোৱাৰাৰ বাবে আটাই-কেইগৰাকী প্ৰৱন্ধকাৰৰে চমু পৰিচয় দিব পৰা নগ'ল। তাৰ বাবে আমি দুঃখিত।

সম্পাদক

# ভূঞা পণ্ডিত

।। স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য ।।

## —পঞ্চম অধ্যায়—

### ঃ পৰিয়াল পৰিচিতি ঃ

১। বংশাৱলী

২। চকুৰ পচাৰতে ৺ৰূপৰাম ভূঞাৰ জীৱন-পঞ্জী

৩। ৺ভূঞাৰ এটি স্বৰচিত কবিতা

৪। ৺ভূঞাৰ এটি স্বৰচিত জনপ্ৰিয় গীত

৫। ৺ভূঞাৰ পত্নী শ্ৰীমতী দময়ন্তী ভূঞা

৬। ৺ভূঞাৰ বৰপুত্ৰ শ্ৰীমান বীৰেণ ভূঞা আৰু তেওঁৰ পৰিয়ালবৰ্গ

৭। ৺ভূঞাৰ কণিষ্ঠ পুত্ৰ শ্ৰীমান গৌৰীকান্ত ভূঞাৰ কৃতজ্ঞতা জ্ঞাপন আৰু বিনীত নিবেদনৰ সৈতে তেওঁৰ পৰিয়ালবৰ্গ।

## স্বৰ্গীয় ৰূপৰাম ভূঞাৰ ঃঃ বংশাৱলী

- ছুটি ভূঞা
  - ভকতচৰণ ভূঞা
    - গোবিন্দ ভূঞা
      - ৰূপো
      - মহেশ্বৰ ভূঞা
        - নান্না ভূঞা
          - আন্ধাৰমণি
          - নাউহৰুদ্ৰ ভূঞা
            - পীতৰাম ভূঞা
              - ৰূপৰাম ভূঞা
                - শ্ৰীবীৰেণ ভূঞা
                  - অনুপম
                  - অৰূপ
                  - কৌশিক
                - শ্ৰীগৌৰীকান্ত ভূঞা
                  - ৰূপম
                  - প্ৰণৱ
        - পদ্মৰাম
      - বানা
      - পানা
    - অনন্ত
    - কাহিয়া
    - যদুনাথ
  - গোকুল ভূঞা (বৰপেটালৈ যায়)

---

**টোকা ঃ** নামশালা গাঁৱৰ বংশাৱলীৰ তথ্য সংগ্ৰহৰ বাবে ১৯৩০ চনত ৺ৰূপৰাম ভূঞাদেৱে নগাওঁ জিলাৰ হাটীচুং মৌজাৰ কুঁজিদাহ আৰু মঙ্গলদৈ জিলাৰ সমীপৱৰ্ত্তী বেজেৰা গাওঁলৈ গৈছিল আৰু ৺পীতাম্বৰ ভূঞাৰ (ডেকা পণ্ডিতৰ) দিনত তেখেতে নিজহাতে শিলিখাৰ চিয়াহীৰে এই বংশাৱলী পুনৰ লিখন কৰিছিল। তাৰে কিয়দাংশ এই পুথিত প্ৰকাশ কৰা হৈছে। উক্ত বংশাৱলীৰ সংৰক্ষক পৰিয়ালৰ সদস্যই আমাক সহায় কৰা বাবে ধন্যবাদ জনাইছোঁ।

# ৺ৰূপৰাম ভূঞাদেৱৰ ঃঃ জীৱন পঞ্জী

জন্ম ঃ  ১৯০২ চন।

জন্মস্থান ঃ  গাওঁ—নামশালা, মৌজা—সৰুক্ষেত্ৰী, মহকুমা—বৰপেটা (অসম)।

পিতৃৰ নাম ঃ  ৺পীতৰাম ভূঞা।

মাতৃৰ নাম ঃ  ৺ভাগেশ্বৰী ভূঞা।

শিক্ষা ঃ

প্ৰাথমিক শিক্ষা ঃ  নামশালা প্ৰাইমাৰী স্কুলৰ পৰা ১৯১৫ চনত উত্তীৰ্ণ।

মজলীয়া শিক্ষা ঃ  সৰ্থেবাৰী এম্‌ ভি স্কুলৰ পৰা ১৯১৯ চনত ১ম বিভাগত উত্তীৰ্ণ।

হাইস্কুলীয়া শিক্ষা ঃ  বৰপেটা চৰকাৰী হাইস্কুলত ১৯২২ চনলৈ অধ্যয়ন।

গুৰু ট্ৰেইনিং ঃ  যোৰহাট নৰ্মাল স্কুলৰ পৰা ১৯২৬ চনত সুখ্যাতিৰে উত্তীৰ্ণ।

শিক্ষকতা ঃ

বৰপেটা দলাহাটী এল. পি. স্কুলত—১৯২৩ চনৰ পৰা ১৯২৮ চনলৈ
সৰ্থেবাৰী এম্‌ ভি স্কুলত— — —১৯২৮ চনৰ পৰা ১৯৩১ লৈ
নামশালা এল. পি স্কুলত (হেড্‌ পণ্ডিত)—১৯৩১ চনৰ পৰা ১৯৩৬ লৈ
কাৰাকুছি এল. পি স্কুলত (হেড্‌ পণ্ডিত)—১৯৩৬ চনৰ পৰা ১৯৩৯ লৈ
সৰ্থেবাৰী বালিকা এম্‌ ভি স্কুলত (হেড্‌ পণ্ডিত)—১৯৩৯ চনৰ পৰা ১৯৪৬ লৈ

বিবাহ ঃ  প্ৰথম বিবাহ—১৯২৭ চন (প্ৰথম পত্নীৰ সতি-সন্ততি নহ'ল)
দ্বিতীয় বিবাহ—১৯৪১ চন

সন্তান ঃ  প্ৰথম পুত্ৰ—শ্ৰীবীৰেণ ভূঞা
দ্বিতীয় পুত্ৰ—শ্ৰীগৌৰীকান্ত ভূঞা

সামাজিক কৰ্ম ঃ

১৯২১ চনত চিগাৰেট বৰ্জন আন্দোলনৰ নেতৃত্ব
১৯২১ চনত বিদেশী দ্ৰব্য বৰ্জন আন্দোলনত নেতৃত্ব
১৯৩৩ চনত নামশালা গাওঁ কৰ্ম সাধিনী সভা গঠন
১৯৩৪ চনত জনাৰ্দ্দন সমিতি গঠন
১৯৪২ চনত নামশালা গাওঁ কোঃ অপাৰেটিভ দোকান স্থাপন

মৃত্যু ঃ  ১৯৪৬ চনৰ ১৭ অক্টোবৰ (কাতিবিহু)।

# স্বৰ্গীয় ৰূপৰাম ভূঞাদেৱৰ এটি স্বৰচিত কৱিতা

নাই মান, ধন-বিত,
কৰ্মস্থানৰ থানথিত,
তথাপিতো হলোঁ মই প্ৰাইমাৰীৰ পণ্ডিত।
ভগা চকীত বহি থকা ওপৰৱালাৰ দণ্ডিত॥
দৰমহাৰ হাৰ বাৰ টকা,
দেখোঁ মাথো চকামকা,
জেপত ভৰাই দোকান পাওঁতে তেনেই হয় শেষ।
ঘৰৰ অভাৱ পূৰাব নোৱাৰা শুকান-উৱাল বেশ॥
কাকো লাগে চোলা-পেণ্ট,
মেখেলা-চাদৰ, গোন্ধ-তেল,
উপায় নাপাই সিহঁতক পিন্ধাওঁ ফটাকানি।
কিমান দিন শুনাম আৰু সান্ত্বনাৰ বাণী॥
পণ্ডিতে খায় কলাই-মাহ,
নাই ৰুটি, নাই চাহ,
অৰ্থাভাৱত ঘৰ-দুৱাৰ সকলো গ'ল ভাগি।
উৰুখা ঘৰত বৰষুণত ৰাতি থাকোঁ জাগি॥

—০—

---

**টোকা ঃ** এই কৱিতাটি তেখেতে বৰপেটা মহকুমাৰ বিভিন্ন ঠাইত অনুষ্ঠিত শিক্ষক সন্মিলনীৰ সভাত নিজে আবৃত্তি কৰি শুনাইছিল। যোৰহাট নৰ্মাল স্কুলৰ মুখপত্ৰ "প্ৰভাত"তো প্ৰকাশ পাইছিল আৰু আজিও স্থানীয় শিক্ষকসকলে ৺ভূঞাদেৱৰ এই কৱিতাটি শ্ৰদ্ধাৰে আওৰায়।

## —৺ৰূপৰাম ভূঞাদেৱৰ স্বৰচিত জনপ্ৰিয় গীত—

অ' ভাই পণ্ডিত! বিবৰাৰ দণ্ডিত
ধাতু উবি যায় তোৰ,
জ্ঞান চক্ষু মেলি নাচাই পণ্ডিত হলি
দুখৰে নপৰে ওৰ।
অ' ভাই, অভাৱে বঞ্চিত ক্ষুধাতে পীড়িত
দাৰিদ্ৰ্যে লুণ্ঠিত বেশ,
সমাজে গৰ্হিত ঘৃণিত তাপিত,
সদায়ে নুগুছে ক্লেশ।
অ' ভাই, সিংহৰ আবাৰে ব্যাঘ্ৰ-হস্তী সবে
ভাগি পালে পালে যান,
সিমতে পণ্ডিতে অজ্ঞানতা নাশে
দিয়ে জ্ঞান চক্ষু দান।
অ' ভাই, হেন অথন্তৰ দেখি পণ্ডিতৰ
অন্যে খলখলি হাসে,
পণ্ডিতৰ দুখ কান্দিয়া কহয়
মুৰুখ ৰূপৰাম দাসে।

---

টোকা: এই গীতটি তেখেতে সভা-সমিতিত গাই প্ৰশংসা আৰু পুৰস্কাৰ লাভ কৰিছিল। আজিও সৰুক্ষেত্ৰী মৌজাৰ পুৰণিচাম শিক্ষক-শিক্ষয়িত্ৰীৰ মুখে মুখে শুনা যায় আৰু "জনাৰ্দ্দন সমিতি"ৰ বাৰ্ষিক অধিবেশনত গায়। "জনাৰ্দ্দন সমিতি" হ'ল ৺ভূঞাদেৱে গঠন কৰি থৈ যোৱা নগাওঁ, সৰুক্ষেত্ৰী আৰু পাকা মৌজাৰ হাইস্কুল এম্. ই. এম্. ভি. আৰু এল. পি স্কুলৰ শিক্ষকসকলৰ শৈক্ষিক আৰু সাংস্কৃতিক সন্মিলনীৰ নাম।

## ৺ৰূপৰাম ভূঞাৰ পত্নী শ্ৰীমতী দময়ন্তী ভূঞা



এয়া একান্তমনে মা-মনসাৰ প্ৰাৰ্থনাত মগ্ন ৺ৰূপৰাম ভূঞাৰ পত্নী শ্ৰীমতী দময়ন্তী ভূঞা। কুৰিৰ ডেওনা পাৰ নৌহওতেই বৈধব্য সাৰথি লৈ সতিনীৰ অত্যাচাৰ নীৰৱে সহ্য কৰি, ভূঞা পণ্ডিতৰ কুলৰ প্ৰদীপ দুগছি জ্বলাই ৰখাৰ প্ৰতিশ্ৰুতিত ওৰেটো জীৱন হাড়-ভঙা পৰিশ্ৰম কৰা এওঁ এগৰাকী মহীয়সী নাৰীৰ জীৱন্ত প্ৰতীক। সতিনীৰ কাল-চক্ৰান্তত প্ৰথম সন্তান হেৰুওৱাৰ

বেদনা পাতলাই দ্বিতীয় পুত্ৰ (বীৰেণ)ৰ ঠানাক-ঠুনুক মাতে মাতৃ হৃদয় শাঁত নো-পেলাওঁতেই স্বামী হ'ল মৃত্যুমুখৰ যাত্ৰী। স্বামীৰ মৃত্যুৰ দুমাহ সাত দিন পিছত জন্ম হ'ল কনিষ্ঠ পুত্ৰ শ্ৰীমান গৌৰীৰ। আৰম্ভ হ'ল এগৰাকী অসহায়া নাৰীৰ নমীৰ জীয়াই থাকি এমা-ডিমা দুই পুত্ৰক ডাঙৰ-দীঘল কৰা সাহসী সংগ্ৰামৰ। সংযম, আত্মবিশ্বাস আৰু সততাক মূলধন হিচাবে লৈ গাওঁবাসী আৰু আত্মীয়-কুটুম্বৰ সহায়-সহযোগত নানা ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি দময়ন্তীয়ে সাধনাত সিদ্ধি লাভ কৰিলে। দুখত যেনেকৈ তেওঁ ভাগি পৰা নাছিল, সুখৰ মুখ দেখিও তেওঁ অধীৰা নহ'ল। পৰমপিতা পৰমেশ্বৰৰ প্ৰতি কৃতজ্ঞতাত [illegible] হৈ মা-মনসাৰ ওচৰত সকলোৰে সুখ শান্তি আৰু সমৃদ্ধি কামনাৰে সৰ্বান্তকৰণে প্ৰাৰ্থনা জনাইছে।

## স্বৰ্গীয় ৰূপৰাম ভূঞাৰ ৰৰপুত্ৰ শ্ৰীমান বীৰেণ ভূঞা



এইজন ৺ৰূপৰাম ভূঞাৰ ডাঙৰ ল'ৰা শ্ৰীমান বীৰেণ ভূঞা। আৰক্ষীৰ পোছাকৰ আঁৰত ভূঞা পণ্ডিতৰ দ্বিতীয় সংস্কৰণ। বিদ্যাত কম আৰু চাকৰিত বেলেগ হলেও খোজ-কাতল, স্বভাৱ-চৰিত্ৰ আৰু শাৰীৰিক গঠনত দেউতাকৰ লগত বৰ মিল আছে।

শ্ৰীমান বীৰেণৰ জন্ম হয় ১৯৪৪ চনত। এম্ ভি পাছ কৰি হাইস্কুললৈ মাত্ৰ দুবছৰ গৈয়ে পঢ়া বাদ দিলে। পঢ়া এৰি দোকান দিলে, যাত্ৰা পাৰ্টিত ঘূৰিলে, শেষত গৈ পুলিচৰ চাকৰিত সোমাল। একাধিকবাৰ প্ৰমোচন লোৱাৰ সুবিধা আহিছে যদিও লিখা-পঢ়া কৰি সুচাৰুৰূপে দায়িত্ব পালন কৰিব নোৱাৰাৰ আশংকাত সেই সুবিধা গ্ৰহণ কৰা নাই।

এওঁ যোৱা ১৯৭৭ চনত নিজ গাঁৱৰে শ্ৰীমতী কমলা ভূঞাৰ লগত বিবাহ পাশত আবদ্ধ হয়। বৰ্ত্তমান চাৰিটা সন্তানৰ পিতৃ। এওঁৰ চাকৰি আৰু প্ৰকৃতিৰ বৈষম্যৰ কথা সৰ্বজন বিদিত। বীৰেণ সহজ-সৰল প্ৰকৃতিৰ অতি বিশ্বাসী লৰা। যিয়ে এবাৰ এওঁৰ সান্নিধ্যলৈ আহে তেওঁৰ আতিথ্য পৰায়ন ভোলানাথ স্বভাৱৰ কথা পাহৰিব নোৱাৰে।

স্বৰ্গীয় ৰূপৰাম ভূঞাৰ বৰপুত্ৰ শ্ৰীমান বীৰেণ ভূঞাৰ পৰিয়াল



সন্মুখৰ শাৰীত ( বাওঁফালৰ পৰা ) ক্ৰমে—

শ্ৰীমতী কবিতা ভূঞা (একমাত্ৰ কন্যা), শ্ৰীমতী দময়ন্তী ভূঞা ( মাতৃ ) কোলাত শ্ৰীমান কৌশিক ভূঞা, শ্ৰীমান অৰূপ ভূঞা ( মাজু ল'ৰা )।

পিছৰ শাৰীত ( বাওঁফালৰ পৰা ) ক্ৰমে—

শ্ৰীঅনুপম ভূঞা (ডাঙৰ ল'ৰা ), শ্ৰীবীৰেণ ভূঞা, শ্ৰীমতী কমলা ভূঞা ( পত্নী )।

# কৃতজ্ঞতা স্বীকাৰ আৰু সশ্ৰদ্ধ নিবেদন

"পিতা স্বৰ্গঃ পিতা ধৰ্মঃ
পিতাহি পৰমং তপঃ।
পিতৰি প্ৰীতিমাপন্নে
প্ৰীয়ন্তে সৰ্ব দেৱতা ॥"

যিজন তেজস্বী পুৰুষে মাতৃগৰ্ভত মোৰ প্ৰাণ সঞ্চাৰ কৰি স্বৰ্গগামী হ'ল, যিজনাৰ শ্ৰীমুখ দেখাৰ সৌভাগ্য নহ'ল ; সেইজনা পৰম আৰাধ্য পিতৃৰ বিষয়ে জানিবলৈ থকা আজন্ম কৌতূহল পূৰাবলৈ জনোৱা বিনম্ৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই যিসকল সদাশয়লোকে অমূল্য অৰিহনাৰে "ভূঞা পণ্ডিত" নামেৰে স্বৰ্গীয় ৰূপৰাম ভূঞাৰ জীৱন আলেখ্য খনিৰ ছপাৰূপ দিয়ালে, জয় জয়তে সেইসকল চিৰ নমস্য-সুধীলৈ মোৰ সশ্ৰদ্ধ প্ৰনিপাত আৰু কৃতজ্ঞতা জনালোঁ।

স্বনামধন্য স্বৰ্গীয় পিতৃৰ পৰিচয়েৰে পৰিচিত হোৱাৰ বাহিৰে মোৰ আন একো পৰিচয় নাই। গাঁৱে-ভূঁয়ে গ'লে আজিও "ভূঞাপণ্ডিতৰ সৰু ল'ৰা" বুলি কলেহে মোক চিনি পায়। সেয়েহে অগ্ৰজসকল নোহোৱা হ'লে পৰিচয় দিয়াৰ সেই সুবিধা-কণো হেৰুৱাৰ আংশকা হৈছে, কিয়নো অনুজসকলৰ লগত সেই পৰিচয়েৰে চিনাকী হোৱাটো জটিল হৈ আহিছে। নতুন পৰিচয়েৰে পৰিচিত হব পৰাকৈ মোৰ নিজৰ গাত তেনে কোনো বিশেষ বৈশিষ্ঠতাও নাই। আনহাতে গাঁৱৰ নতুন পুৰুষে মোক চিনি নোপোৱাটোও স্বাভাৱিক। কাৰণ নামশালাত ভূমিস্থ হৈ শৈশৱ কটালো মোমাইৰ ঘৰত (সৰ্থেবাৰী নতুন তালুকদাৰ চুপাত )। মাজতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা নামশালাতে লৈছোঁ যদিও সেই কথা কেইজনৰেবা মনত আছে ? তাৰ পিছত জন্ম ভূমিত আমাৰ সুদীৰ্ঘ দহ বছৰ কাল স্থিতিহীন ভাবে অতিবাহিত হ'ল। হাইস্কুলীয়া শিক্ষা পুনৰ মোমাইৰ ঘৰতে শেষকৰি কলেজত

পঢ়িলোঁগৈ পাঠশালাত। বি. এচ. চি. পৰীক্ষা দি আহি পিতৃভূমিত (অৱশ্যে আগৰ বাস্তুত নহয়) স্থায়ীভাৱে ঘৰ-দুৱাৰ সজালোঁ যদিও তাতো মোৰ বেছি দিন থকা নহ'ল। পৰীক্ষাৰ ফলাফল ওলোৱাৰ পিছতে গুৱাহাটীৰ নতুন ফটাশিল টাউন হাইস্কুলত চাকৰি জীৱনৰ পাতনি মেলিলোঁ। এনেকৈয়ে জীৱনৰ আদিকাল অ'ত ত'ত কটালোঁ আৰু এতিয়া গুৱাহাটীতে স্থায়ীভাৱে থাকিবলৈ ললোঁ। গতিকে গাঁৱৰ সকলো মানুহে মোক চিনিনোপোৱাটো একো অস্বাভাৱিক নহয়। সেয়েহে এতিয়া এই স্মৃতি-গ্ৰন্থখনিয়ে আমাৰ পৰিচয়ৰ এটি নতুন যোগসূত্ৰ সূচনা কৰিব।

মোৰ মগজুত বোধশক্তি কাৰ্যক্ষম হোৱাৰ পিছৰে পৰা সহানুভূতিৰে চোৱা আত্মীয়-কুটুম, ওচৰ-চুবুৰীয়া, বিশেষকৈ দেউতাৰ ঘনিষ্ঠ সহযোগী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মুখত ৰিণিকি ৰিণিকি শুনা গুণ-গৰিমা আৰু ৰূপ বৰ্ণনাৰ ভিত্তিত আদৰ্শ আৰু প্ৰেৰণাৰ প্ৰতীকৰূপে সভক্তিৰে হৃদয়ত আঁকি লোৱা দেউতাৰ ছবিখনি আপোনালোকৰ লিখনিয়ে সঞ্জীৱিত কৰিলে। প্ৰবন্ধবোৰ উৰাই-ঘুৰাই পঢ়ো মানে হেঁপাহ নপলায়। দেউতাৰ বহুমুখী প্ৰতিভাৰ কথা যিমানেই পঢ়ো সিমানেই তেওঁৰ প্ৰতি ভক্তিত শীৰ নত হৈ যায় আৰু নিজৰ অস্তিত্ব সিমানেই পাহৰি যাওঁ। এনেহেন সৰ্বগুণাকৰ পিতৃৰ ঔৰষত জন্ম পোৱাৰ গৌৰৱত বুকু ওফন্দি উঠিব খোজে যদিও নিজৰ অযোগ্যতাৰ কথা চিন্তা কৰিলেই নিজকে অপৰাধী অপৰাধী যেন অনুভূত হয়।

যদিও প্ৰতিমুহূৰ্ততে মোৰ ৰক্ত প্ৰবাহত দেউতাৰ স্থিতি উপলব্ধি কৰোঁ; তথাপি কেতিয়াবা কেতিয়াবা বিশেষ পৰিস্থিতিত আবেগিক কাৰণত হিয়াভঙা বেদনাও অনুভৱ নকৰা নহয়। কিন্তু পিছমুহূৰ্ততে আইৰ মৰমে সেই বেদনা প্ৰসমিত কৰে। কাৰণ—

"কোনে মোক তুলিতালি কৰিলে ডাঙৰ
মৌসনা মিঠা মাতে পাহৰি ভাগৰ,



কৰিছিল চেনেহ দুগালত চুমাখাই
তেওঁ মোৰ মৰমৰ পূজনীয়া আই।"

গতিকে আইয়ে মোৰ মনত পিতৃ-মাতৃ সকলো। আইৰ চেনেহে কোনো দিনে মোক পিতৃৰ অনুপস্থিতি অনুভৱ কৰিবলৈ দিয়া নাই। নিষ্ঠুৰ নিয়তীয়ে দাম্পত্য জীৱনৰ সাতটি বছৰো সম্পূৰ্ণ হ'বলৈ নিদিলে যদিও দেউতাৰ বিষয়ে আইতকৈ ভালদৰে জনা ব্যক্তি ইহ সংসাৰত নাই: তথাপি মই কোনো দিনে দেউতাৰ প্ৰসঙ্গ অৱতাৰণা কৰি তেওঁৰ মনত দুখ দিবলৈ বিচৰা নাই। কিয়নো কোনোবাই কেতিয়াবা দেউতাৰ কথা কলে—আয়ে আমাৰ অগোচৰে নীৰৱে নিৰলে হিয়া ধুনি ধুনি মনৰ অব্যক্ত বেদনা উপসম কৰে। সেয়েহে মোৰ মনৰ কৌতুহল পূৰাবলৈ গৈ কোনোদিনে দুখুনীজননীৰ মনত আঘাত হানিবলৈ বিচৰা নাই। কিয়নো—

"নোৱাৰো শুজিব ধাৰ ইহ জনমৰ
মোৰ হকে কৰিছিলা যিমান যতন।
দেৱৰো দেৱতা তুমি স্নেহ অৱতাৰ,
কায়-মনে বন্দো মই তোমাৰ চৰণ।
... .... .... .... .... ... .... .... ...

পুলকিত হয় মন তোমাৰ নামত,
প্ৰকৃত ঈশ্বৰী তুমি মোৰ পৰাণৰ—
যি পৰাণে সততেই তোমাত শীতল,
নোৱাৰো ফুটাব মাত অশেষ স্নেহৰ।"

এই ছেগতে তেওঁলৈও মোৰ কৃতজ্ঞতা যাচিলোঁ।

স্মৃতি-গ্ৰন্থখনিত প্ৰকাশৰ বাবে একোটিকৈ শুভেচ্ছাবাণী পঠিওৱা বাবে অসমৰ মুখ্যমন্ত্ৰী, শিক্ষা মন্ত্ৰী, অসম সাহিত্য সভাৰ সভাপতি আৰু আদৰণী সমিতিৰ সাধাৰণ সম্পাদকৰ এষাৰৰ বাবে তেখেতসকললৈও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত গ্ৰন্থ খনি সম্পাদনাকাৰ্ৰ স্মৃতি ৰক্ষা সমিতিক দিয়া বাবে পূজনীয় শ্ৰীযুত প্ৰতাপচন্দ্ৰ চৌধুৰীদেৱলৈ, প্ৰণয়নৰ সম্পূৰ্ণ দায়িত্ব বহন কৰা বাবে ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতিৰ মাননীয় সদস্য বৃন্দলৈ আৰু কিতাপখন প্ৰকাশ কৰা বাবে প্ৰাগজ্যোতি সাহিত্য সভা (ফটাশিল, গুৱাহাটী-৯) লৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শলাগৰ শৰাই আগবঢ়ালোঁ।

লগতে মোৰ অজ্ঞতা আৰু অসমৰ্থতাৰ বাবে স্বৰ্গীয় পিতৃৰ বিষয়ে জনা বহুতো সহকৰ্মী, সহযোগী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু আত্মীয়-স্বজনৰ পৰা লিখনি বিচাৰিব নোৱাৰিলোঁ। তাৰ বাবে তেখেতসকলৰ ওচৰতো ক্ষমা ভিক্ষা মাগিলোঁ আৰু অহা ২০০২ চনত স্বৰ্গীয় পিতৃৰ জন্ম শতবাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰিবলৈ খোজা স্মৃতি-গ্ৰন্থত প্ৰকাশৰ বাবে নিম্নলিখিত ঠিকনাত প্ৰবন্ধ-পাতি পঠিয়াবলৈ বিনম্ৰ অনুৰোধ জনালোঁ।

বৰ-টুটা দায়-দোষৰ মাৰ্জনা বিচাৰি সবিনয়েৰে ইতি—

শ্ৰীগৌৰীকান্ত ভূঞা

—যোগাযোগৰ ঠিকনা—

সম্পাদক,
ৰূপৰাম ভূঞা স্মৃতি ৰক্ষা সমিতি,
গাওঁ আৰু ডাকঘৰ—নামশালা
ভায়া—সৰ্থেবাৰী-৭৮১৩০৭
জিলা—বৰপেটা (অসম)

শ্ৰীগৌৰীকান্ত ভূঞা
মাৰফৎ – প্ৰধান শিক্ষক
নতুন ফটাশিল টাউন হাইস্কুল
গুৱাহাটী-৭৮১০০৯
জিলা—কামৰূপ (অসম)

**স্বৰ্গীয় ৰূপৰাম ভূঞাৰ কনিষ্ঠ পুত্ৰ শ্ৰীমান গৌৰীকান্ত ভূঞাৰ পৰিয়ালবৰ্গ—**



শ্ৰীমান গৌৰীকান্ত ভূঞা



শ্ৰীমতী চাৰু ভূঞা ( পত্নী )



শ্ৰীমান ৰূপম ভূঞা
( ডাঙৰ ল'ৰা )



শ্ৰীমান প্ৰণৱ ভূঞা
( কনিষ্ঠ পুত্ৰ )



স্মৃতি-গ্ৰন্থৰ সম্পাদক শ্ৰীযুত প্ৰতাপ চন্দ্ৰ চৌধুৰীৰ সৈতে
স্মৃতিৰক্ষা সমিতিৰ সম্পাদক শ্ৰীগোৰীকান্ত ভূঞা


CENTRAL LIBRARY
ASSAM WOMEN'S UNIVERSITY
Jorhat - 785004

DATE LABEL

This book taken from the Library is to be returned within 15 days by the Students and 30 days by the Teachers. A fine of will be charged under the rules of the Library for each day the book is kept beyond time.

| Due Date | Due Date | Due Date | Due Date |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |

নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী—৯ৰ প্ৰধান শিক্ষক শ্ৰীগৌৰীকান্ত ভূঞাৰ প্ৰকাশিত কিতাপৰ তালিকা—

| কবিতাৰ পুথি | প্ৰকাশক— |
|---|---|
| শিল্পীৰ সপোন—( ১৯৮৭ ) — | প্ৰাগজ্যোতি সাহিত্য সভা, ফটাশিল |

**শিশু সাহিত্য**

| | | |
|---|---|---|
| মোৰ নাম কি ? —ছন্দোময় সাঁথৰ সঁফুৰা—(১৯৮৭) | | ইউনিভাৰচেল পাব্লিকেচন |
| গণ্ডমূৰ্খ : মহাকবি কালিদাসৰ জীৱন আলেখ্য—(১৯৯৩) | — | গণেশ প্ৰকাশন |
| সসেমিৰা — ঐ (১৯৯৩) | — | ঐ |
| মোৰ নাম কি ? ছন্দোময় সাঁথৰ সঁফুৰা—( ১ম ভাগ ) | — | ঐ |
| মোৰ নাম কি ? ঐ —( ২য় ভাগ ) | — | ঐ |

**সাধাৰণ জ্ঞানৰ পুথি**

| | |
|---|---|
| জানানে ? — ১৯৭৭ চনৰ পৰা — | বীণা লাইব্ৰেৰী |
| বিচিত্ৰ জ্ঞানৰ কথা —(সংশোধক)—১৯৭৬ৰ পৰা — | অসম পাব্লিচিং কো : |

**পাঠ্য-পুথি**

| | | |
|---|---|---|
| মাধ্যমিক ৰচনা প্ৰৱেশ—(১ম ভাগ) (১৯৮৮) | — | লয়াৰ্চ বুকষ্টল |

**সহযোগী লেখক :—**

| | | |
|---|---|---|
| সহজ ৰচনা শিক্ষা—১ম ভাগ—১৯৯৪ৰ পৰা | — | [illegible] পাব্লিচিং কো : |
| সহজ ৰচনা শিক্ষা—২য় ভাগ—১৯৯৪ৰ পৰা | — | ঐ |
| অসমীয়া ধাৰাপাত —১৯৯৫ৰ পৰা | — | ঐ |

কুঁহিপাঠ—১ম ভাগ
কুঁহিপাঠ—২য় ভাগ
কুঁহিপাঠ—৩য় ভাগ
কুঁহিপাঠ—৪ৰ্থ ভাগ
} অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম ।

—×—